www.asombarta.in

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক।
- 'অসম বাৰ্তা' গোষ্ঠী -

শীতৰ গভীৰত মই অৱশেষত আৱিস্কাৰ কৰিলোঁ যে মোৰ অভ্যন্তৰতে এক অদৃশ্যমান গ্ৰীষ্ম। — আলবেয়াৰ কেমু

ষষ্ঠ বছৰ | সংখ্যা - ২০৯ | শুকুৰবাৰ | ১০ অক্টোবৰ, ২০২৫ চন | ২৪ আহিন, ১৯৪৭ শক | VOL - 6 | NO.- 209 | Friday | 10th October, 2025 | মূল্য ঃ ১০.০০ টকা | মুঠ পৃষ্ঠা ঃ ৮

## শপত ল'লে বিটিচিৰ নৱনিৰ্বাচিত পাৰিষদসকলে

**ষ্টাফ ৰিপ'ৰ্টাৰ, কোকৰাঝাৰ, ৯ অক্টোবৰ ঃ** সাংবিধানিক নিয়ম অনুসৰি আজি বিটিচিৰ নৱনিৰ্বাচিত পাৰিষদবৰ্গই শপত গ্ৰহণ কৰে। অস্থায়ী অধ্যক্ষ ত্ৰিদিপ দৈমাৰীয়ে মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰী আৰু উপ-মুখ্য কাৰ্যবাহী সদস্য ৰিহণ দৈমাৰীসহ » ৬ পৃষ্ঠাত

▪ গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ বিৰুদ্ধে বিত্তীয় অনিয়ম, দুৰ্নীতিৰ ৰাজহুৱা মুকলি অভিযোগ ▪

## বিড়ম্বনা ! নিজৰ অপসাৰণৰ দাবী পত্ৰ নিজেই ল'লে উপাচাৰ্য ননীগোপাল মহন্তই

মহন্তক পদত্যাগৰ দাবী অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° ননীগোপাল মহন্তৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰি তেওঁৰ পদত্যাগৰ দাবী জনাইছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে। বৃহস্পতিবাৰে সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ নেতৃত্বত এই দাবী উত্থাপিত হৈছে। সংগঠনটোৰ সভাপতি পলাশ » ৬ পৃষ্ঠাত



▪ জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তৰ চাৰ্জশ্বীট দাখিলত সময় লাগিব ৩ মাহ ▪

# জুবিনে ন্যায় পাবলৈ সময় লাগিব ৩ মাহ !

## জুবিনৰ বাবে ন্যায় নিশ্চিত কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ, কাকো ৰেহাই দিয়া নহ'ব ঃ মুখ্যমন্ত্ৰী

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ** অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ন্যায় প্ৰদানৰ প্ৰতিশ্ৰুতি দি জানিবলৈ দিছে যে অহা তিনি মাহৰ ভিতৰত অভিযোগনামা (চাৰ্জশ্বীট) দাখিল কৰা হ'ব। ডিব্ৰুগড়ত এক চৰকাৰী কাৰ্যসূচীৰ সময়ত সাংবাদিকৰ সৈতে কথা পাতি তেওঁ কয়, "বিশেষ অনুসন্ধানকাৰী দল (এছআইটি)ৰ তত্ত্বাৱধানত তদন্ত সঠিক দিশত আগবাঢ়িছে। আমি প্ৰতিজন অভিযুক্তসকলক গ্ৰেপ্তাৰ » ৬ পৃষ্ঠাত



## যোৰহাট বিজেপিত পদত্যাগৰ জোৱাৰ; পদত্যাগ জিলা উপ সভাপতিৰো

**ষ্টাফ ৰিপ'ৰ্টাৰ, যোৰহাট, ৯ অক্টোবৰ ঃ** দলীয় নেতৃত্বৰ বিৰুদ্ধে ক্ষোভ প্ৰকাশ কৰি দলত্যাগ কৰিলে যোৰহাট জিলা বিজেপিৰ উপ-সভাপতি ড° দিব্যজ্যোতি লিখকে। জ্যেষ্ঠ নেতাজনে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ » ৬ পৃষ্ঠাত

বিজেপিৰ জ্যেষ্ঠ নেতা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীজনৰ দলত্যাগ

## বিজেপিয়ে মোক জাৱৰৰ দৰে ব্যৱহাৰ কৰিলে ঃ ৰাজেন গোহাই

**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ** ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) জ্যেষ্ঠ নেতা তথা প্ৰাক্তন ৰাজ্যিক সভাপতি ৰাজেন গোহাঁয়ে দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰিছে। তেওঁ বাজপেয়ী ভৱনত উপস্থিত হৈ এই দলত্যাগৰ ঘোষণা কৰে। গোহাঁইৰ এই পদক্ষেপে অসমৰ ৰাজনৈতিক মহলত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। ৰাজেন গোহাঁই নগাঁৰ » ৬ পৃষ্ঠাত



### আজিৰ কলম

## ধৰ্ম, বিশ্বাস আৰু আধ্যাত্মিতাৰ প্ৰসঙ্গ



শৰৎ চন্দ্ৰ চিৰিংফুকন

সমাজ একোখন সু-শৃংখলিত ৰূপত চলি থাকিবলৈ হ'লে মানৱ সমাজত সততে কেতবোৰ মৌলিক উপাদানৰ অতীৱ প্ৰয়োজন। সভ্য, শিক্ষিত আৰু সাংস্কৃতিক বাতাবৰণৰ আধাৰস্বৰূপ একোখন সুপৰিপাত্য সমাজত নিৰন্তৰ থাকিবলগীয়া গোটাদিয়েক অতি অপৰিহাৰ্য উপকৰণ হৈছে- » ৬ পৃষ্ঠাত

জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ জুবিনৰ সহশিল্পীৰ

## তিনি বছৰ ধৰি সিদ্ধাৰ্থই টকা দিয়া নাছিল জুবিনক



**ষ্টাফ ৰিপ'টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ** অসমৰ প্ৰিয় গায়ক জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ মাজত তেওঁৰ দীঘলীকালীন মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে নতুন অভিযোগ উত্থাপিত হৈছে। তেওঁৰ সহশিল্পী গায়িকা শতাব্দী বৰায়ে বিস্ফোৰক মন্তব্য কৰি » ৬ পৃষ্ঠাত

## ৰাজেন গোহাঁইৰ দলত্যাগ দুৰ্ভাগ্যজনক ঃ দিলীপ শইকীয়া



**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৯ অক্টোবৰ ঃ** ভাৰতীয় জনতা পাৰ্টীৰ জ্যেষ্ঠ নেতা ৰাজেন গোঁহাইৰ পদত্যাগৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ প্ৰকাশ কৰে ৰাজ্যিক সভাপতি দিলীপ শইকীয়া। তেওঁ কয় যোৱা তিনিটা দশকত ৰাজেন গোঁহায়ে ভাৰতীয় জনতা » ৬ পৃষ্ঠাত

## বাল্মিকীয়ে মানৱতাৰ কল্যাণৰ বাবে ৰচনা কৰিছিল ৰামায়ণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ** ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ (আৰএছএছ) মুৰব্বী মোহন ভাগৱতে কয় যে মহৰ্ষি বাল্মিকীয়ে মানৱতাৰ দুখ নিবাৰণ আৰু ধৰ্মৰ পথত পৰিচালনাৰ বাবে ৰামায়ণৰ মহাকাব্য ৰচনা কৰিছিল। নাগপুৰত মঙলবাৰে » ৬ পৃষ্ঠাত

## ছিংগাপুৰৰ নৰ্থ-ইষ্ট ফেষ্টিভেলত কৃষি বিভাগে কোনো অৰ্থনৈতিক সাহায্য আগবঢ়োৱা নাই ঃ অতুল বৰা

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ** অসমৰ প্ৰিয় শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ প্ৰেক্ষাপটত শ্যামকানু মহন্তৰ গ্ৰেপ্তাৰৰ পিছত » ৬ পৃষ্ঠাত

কেনবেৰাত উপস্থিত ৰাজনাথ সিং



## ১২ বছৰৰ পিছত ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ অষ্ট্ৰেলিয়া ভ্ৰমণ

**ইণ্টাৰনেছনেল ডেস্ক, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ** ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং বৃহস্পতিবাৰে অষ্ট্ৰেলিয়াৰ ৰাজধানী » ৬ পৃষ্ঠাত



## সাংসদ অজিত কুমাৰ ভূঞাৰ বিৰুদ্ধে অপপ্ৰচাৰ, চিআইডিত এজাহাৰ দাখিল

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ অক্টোবৰ ঃ** বৰপেটাৰ সাংসদ অজিত কুমাৰ ভূঞাই তেওঁৰ বিৰুদ্ধে বিভিন্ন সংবাদ মাধ্যমত প্ৰচাৰিত » ৬ পৃষ্ঠাত

## আজি ঘোষণা হ'ব ADREৰ তৃতীয় বৰ্গৰ ফলাফল

**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ** অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা (ADRE)ৰ তৃতীয় বৰ্গৰ ফলাফলৰ বাবে প্ৰতীক্ষাৰ অৱসান হ'বলৈ গৈছে। ১০ অক্টোবৰ, বৃহস্পতিবাৰে পুৱা ১০: ৩০ বজাত এই ফলাফল ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব » ৬ পৃষ্ঠাত

জুবিন গাৰ্গক চন্দ্ৰ-সূৰ্যৰ দৰে আমি সদায় স্মৰণ কৰিম আৰু সুঁৱৰিম

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত মুখ্যমন্ত্ৰীৰ কোনো আপোচ নাই ঃ দিলীপ শইকীয়া

**ষ্টাফ ৰিপ'টাৰ, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ** অসমৰ সংগীত জগতৰ এক উজ্জ্বল নক্ষত্ৰ শিল্পী জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাই এতিয়াও সকলোৰে মাজত বিষাদ আৰু ক্ৰোধৰ » ৬ পৃষ্ঠাত



মোদী-ষ্টাৰ্মাৰ বৈঠক

## অসম-মেঘালয় সীমান্তৱৰ্তী তাপাত সংঘৰ্ষ, এজন নিহত

**অসম বাৰ্তা, কাৰ্বি আংলং, ৯ অক্টোবৰ ঃ** পশ্চিম কাৰ্বি আংলং জিলাৰ অসম-মেঘালয় সীমান্তৱৰ্তী তাপাত অঞ্চলত আজি ধান » ৬ পৃষ্ঠাত


## হাংগেৰীৰ সাহিত্যিক লাজল' ক্ৰাছনাঅৰকাইলৈ '২৫ৰ সাহিত্যৰ ন'বেল বঁটা

**অনলাইন ডেস্ক, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ** ৰয়েল ছুইডিছ একাডেমীয়ে ৯ অক্টোবৰ, ২০২৫ তাৰিখে ঘোষণা কৰিছে যে এই বছৰৰ সাহিত্যৰ ন'বেল বঁটা প্ৰদান কৰা হৈছে হাংগেৰীৰ বিশিষ্ট সাহিত্যিক লাজল' ক্ৰাছনাঅৰকাইলৈ। সমাজৰ অশান্তি আৰু বিপৰ্যয়ৰ ভয়ৰ মাজতো শিল্পৰ শক্তি আৰু মানৱীয় চেতনাক পুনৰ » ৬ পৃষ্ঠাত



## ব্ৰিটেইনৰ বিশ্ববিদ্যালয়ে ভাৰতত স্থাপন কৰিব কেম্পাছ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ৯ অক্টোবৰ ঃ** ভাৰত আৰু ব্ৰিটেইনৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটিছ প্ৰধানমন্ত্ৰী কেইৰ ষ্টাৰ্মাৰৰ মাজত এক গুৰুত্বপূৰ্ণ বৈঠকত শিক্ষা, অৰ্থনীতি আৰু সামৰিক » ৬ পৃষ্ঠাত




# শ্ৰীমন্ত শংকৰদেৱৰ বিদ্যালয়ত সম্বৰ্দ্ধনা অনুষ্ঠানৰ সফল সামৰণি

**অসমবাৰ্তা, নদুৱাৰ, ৯ অক্টোবৰ ঃ** বিশ্বনাথ জিলাৰ চতিয়াৰ উত্তৰ পাৰত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ নাগশংকৰ আঞ্চলিক শাখাৰ ২ নং শান্তিপুৰত শংকৰদেৱৰ গুৰুজনাৰ নীতি আদৰ্শৰে স্থাপন হোৱা এখনি অগ্ৰণী শিক্ষানুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ বিদ্যালয়ত বিদ্যালয়ৰ প্ৰধান আচাৰ্য দিলীপ বৰাৰ সভাপতিত্বত এখনি সম্বৰ্দ্ধনা সভা অনুষ্ঠিত হয়। বিদ্যালয়ৰ শিক্ষক বিশ্বজিৎ সূতে আঁত ধৰা অনুষ্ঠানটিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অসমৰ এগৰাকী সু-লেখক, সাহিত্যিক, সাংবাদিক, শিক্ষক তথা ২০২০বৰ্ষত সাহিত্য অকাডেমিৰ যুৱ বঁটা লাভ কৰা অঞ্জন বাচকোটা। সভাত উপস্থিত থাকে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ নাগশংকৰ আঞ্চলিক শাখাৰ সভাপতি লক্ষ্মী বেজবৰুৱা, সম্পাদক দিগন্ত বৰুৱা, তেজপুৰ জিলা সাহিত্য শাখাৰ সভাপতি দেৱজিৎ শইকীয়া, আঞ্চলিক সাহিত্য শাখাৰ সম্পাদক ৰঞ্জন গগৈ, আঞ্চলিক আইমাতৃ কল্যাণ শাখাৰ সহকাৰী সম্পাদিকা মুনমী গগৈ, বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক প্ৰণৱ বৰা, জিলা সদস্য দিপাংকৰ বৰুৱা আদিৰ লগতে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল। সভাত প্ৰথম আৰম্ভণি ঘোষাৰ আঁত ধৰে আঞ্চলিক শাখাৰ সভাপতি লক্ষ্মী বেজবৰুৱাই। সভাত শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ শিক্ষা শাখা সমিতিয়ে সঙঘৰ বিদ্যালয়সমূহক লৈ অসম ভিত্তিত অনুষ্ঠিত কৰা আই খেৰসুতি বৃত্তি পৰীক্ষাত বিদ্যালয়ৰ শিখামনি ভৰালীয়ে চতুৰ্থ স্থান, পাৰ্থ বৰাই সপ্তম স্থান আৰু পণ্ডিত মহেন্দ্ৰ কন্দলি বৃত্তি পৰীক্ষাত দৃষ্টিপৰ্ণা ৰাজখুৱাই তৃতীয় স্থান অধিকাৰ কৰি গৌৰৱ কঢ়িয়াই অনাত বিদ্যালয়ৰ তৰফৰ পৰা এখনি জাতীয় বস্ত্ৰ, এখনি গ্ৰন্থ, প্ৰমাণ পত্ৰ, এটি মাননি আগবঢ়োৱা হয়। অনুষ্ঠানটি আধ্যাত্মিক পৰিৱেশৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বৰগীত পৰিৱেশনৰে শুভাৰম্ভ কৰাৰ লগতে গীত-নৃত্যৰ অনুষ্ঠানে অতি আকৰ্ষণীয় কৰি তোলে। মুখ্য অতিথি অঞ্জন বাচকোটাই ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্ৰীক উদ্দেশ্যি অত্যন্ত তত্ত্ব গধূৰ বক্তব্য প্ৰদান কৰে। তেখেতে আধ্যাত্মিক পৰিৱেশৰ মাজত প্ৰধান আচাৰ্যৰ খোলবাদন আৰু ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠানৰ শলাগ লয়। তেখেতে ছাত্ৰ-ছাত্ৰী সকল ভৱিষ্যতৰ দিনত কেনেদৰে আগবাঢ়ি যাব, জীৱনৰ লক্ষ্য নিৰ্ণয়, মোবাইলৰ ব্যৱহাৰ, শিক্ষাৰ লগতে আনুষংগিক জ্ঞান আহৰণ, বিদ্যালয়ৰ শিক্ষা, পিতৃ-মাতৃৰ ভূমিকা আদি সকলো দিশ সামৰি ছাত্ৰ-ছাত্ৰী সকল উপকৃত হোৱাকৈ বক্তব্য প্ৰদান কৰে। সভাত আঞ্চলিক সাহিত্য শাখাৰ সম্পাদক ৰঞ্জন গগৈয়েও ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি বক্তব্য প্ৰদান কৰে। শেষতসভাপতিৰ মন্তব্যত প্ৰধান আচাৰ্যই সকলোকে সামৰি চমুকৈ বক্তব্য আগবঢ়ায় আৰু বিশ্বজিৎ সূতে উপস্থিত সকলোকে শলাগ জ্ঞাপন কৰে। জাতীয় সংগীত পৰিৱেশন আৰু গুৰু স্মৰণৰে সভাৰ সফল সমাপ্তি ঘটে।

# খনামুখ ভিতৰুৱালত শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ ৫৭৭ জন্মোৎসৱ উদযাপন

## স্মৃতিগ্ৰন্থ 'ৰূপালী দৰ্পণ' উন্মোচন



**অসম বাৰ্তা, আমগুৰি, ৯ অক্টোবৰ ঃ** দিঘলীজান শঙ্কৰী সংস্কৃতি বিকাশ সমাজৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ১ অক্টোবৰত ভিতৰুৱাল শ্ৰীমন্ত শঙ্কৰদেৱ হৰিনামঘৰত দুদিনীয়াকৈ অনুষ্ঠিত ৫৭৭ সংখ্যক শ্ৰীশ্ৰী শঙ্কৰ জন্মোৎসৱৰ প্ৰথম দিনাৰ কাৰ্যসূচীত যোৰহাট চটাই স্থিত দক্ষিণপাট আশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ জগন্নাথ দেৱগোস্বামীৰ উপস্থিতিত স্মৃতিগ্ৰন্থ 'ৰূপালী দৰ্পণ' খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক কুলধৰ বৰাই উন্মোচন কৰে। স্মৃতিগ্ৰন্থখনিত যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপিকা তথা অসম সাহিত্য সভাৰ অন্যতম সম্পাদিকা জ্যোতি ৰেখা হাজৰিকা, টীয়ক কলিয়াপানী অঞ্চলৰ প্ৰচ্ছদ শিল্পী গ্ৰন্থ প্ৰণেতা তথা নামতি পিয়লি ফুকন মহাবিদ্যালয়ৰ অৱসৰী সহযোগী অধ্যাপক ভাৰত ভূষণ বৰাৰ লেখাৰে সমৃদ্ধ স্থানীয় যুৱ সাহিত্য অনুৰাগীক উৎসাহ যোগোৱা দেখা গৈছে। লগতে অঞ্চলৰ আৰ্থসামাজিক, ইতিহাস, লোক-সংস্কৃতি আৰু আধ্যাত্মিক চিন্তা-চেতনাৰ প্ৰতিফলিত হৈছে। স্মৃতিগ্ৰন্থখনিত অসম অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ এটি শ্ৰদ্ধাঞ্জলি শিতান সাঙুৰি লোৱা হৈছে।

# অৰুণোদয়ৰ অভিনন্দন অনুষ্ঠান

**অসম বাৰ্তা, বটদ্ৰৱা, ৮ অক্টোবৰ ঃ** নগাঁও বটদ্ৰৱা বিধানসভা সমষ্টি অন্তৰ্গত বেঙেনাআটিত গাঁও পঞ্চায়তৰ ৭ নং ৱাৰ্ডত বেঙেনাআটি ৰমেশ ফুকন মেমৰিয়েল হাইস্কুলত আজি ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনি অৰুনোদয় ৩.০ৰ হিতাধিকাৰী সকলৰ এক শুভাৰম্ভণি সভা অনুষ্ঠিত হয়। উক্ত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে নগাঁও বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ। সভাতেই গুৱাহাটীত অনুষ্ঠিত অৰুনোদয় ৩.০ৰ শুভাৰম্ভণি সভাৰ মুখ্যমন্ত্ৰীৰ সভা ভিডিঅ যোগে অৰুনোদয় হিতাধিকাৰী সকলক দেখুওৱা হয়। সভাতেই মহিলা সকল উদ্দেশ্যে শিক্ষাৰ ক্ষেত্ৰত সজাগতামূলক ভাষণ প্ৰদান কৰে বিদ্যালয় সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথে। সভাত ৱাৰ্ড সদস্য জাকিৰ হুছেইন, জেষ্ঠ্য নেতা ছিদ্দিক হুছেইন, পঞ্চায়ত সচিবৰ লগতে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# বকোৰ দাড়িয়াপাৰাৰ হলোধৰ কলিতা ৰে'ল যাত্ৰাত নিখোঁজ; পৰিয়ালত হাহাকাৰ

**অসম বাৰ্তা, বকো, ৯ অক্টোবৰ ঃ** কামৰূপ জিলাৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত লামপাৰা - দাড়িয়াপাৰাৰ বিবাহিত পুৰুষ হলোধৰ কলিতা ৰে'ল যাত্ৰাত নিখোজ হোৱা খবৰে পৰিয়ালৰ লগত অঞ্চলটোত হাহাকাৰ সৃষ্টি কৰিছে। প্ৰাপ্ত খবৰ অনুসৰি; লামপাৰা অঞ্চলৰ দাড়িয়াপাৰা গাঁৱৰ প্ৰায় ৪৭ বছৰীয়া পুৰুষ হলোধৰ কলিতাই কৰ্ম সূত্ৰে গুজৰাটলৈ গৈছিল। ইফালে গুজৰাটত থাকিবলৈ বিশেষ অসুবিধা হোৱা খবৰ পত্নী সবিতা কলিতাক জনায়। প্ৰকাশ যে; যোৱা ৪ অক্টোবৰ তাৰিখে ঘৰলৈ উভতি আহিবলৈ ৰেলত উঠাৰ পিছতে হলোধৰ কলিতাৰ লগত যোগাযোগ বিচ্ছিন্ন হয়। ইফালে হলোধৰৰ লগত থকা ৭০৯৯৮৮৪৮৭৩ নম্বৰৰ মোৱাইলটো যোগাযোগ নোহোৱা হয়। ইফালে গুজৰাটৰ পৰা বকোৰ ঘৰলৈ ওভোটাৰ পথত হলোধৰ কলিতা নিখোজ হোৱাত পৰিয়ালটোত হাহাকাৰ লাগে আৰু গাঁৱত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনহাতে বাতৰি সম্প্ৰচাৰিত হোৱাৰ পিছত সদাশয় লোকে সম্ভেদ পালে হলোধৰৰ পত্নী সবিতা কলিতাৰ ৯৯৫৪৮-৪২১৩২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে। এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বকো আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

# ডিব্ৰুগড়ত অনুষ্ঠিত ৪১ সংখ্যক এছ এন এ আই টিএনএআইৰ দ্বি-বাৰ্ষিক সম্মিলন সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ ডিব্ৰুগড়, ৯ অক্টোবৰ ঃ** ডিব্ৰুগড়ৰ মাইজানত অৱস্থিত এইচ এম ৰিজৰ্টত অনুষ্ঠিত হোৱা ৪১ সংখ্যক এছএনএআই টিএনএআইৰ দ্বি- বাৰ্ষিক সম্মিলনখনি সফল সামৰণি পৰে। লাৰ্নিং টুডে, লিডিং টুমৰু, এ জাৰ্নি অব এ ষ্টুডেণ্ট নাৰ্ছ'- শীৰ্ষক বাণীৰে অনুষ্ঠিত হোৱা সন্মিলনত নাৰ্চসকল চিকিৎসা সেৱাৰ লগত জড়িত থকা উপৰিও বৌধিক -মানসিক, সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত আগবঢ়াই নিয়া লক্ষ্য আগত ৰাখি কুইজ, ৰচনা, আকস্মিক বক্তৃতা, চিত্ৰাংকণৰ লগতে ক্ৰীড়া আৰু সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই অধিবেশনত অসমৰ বিভিন্ন প্ৰান্তৰ হাজাৰো অধিক নাৰ্ছ প্ৰতিনিধিয়ে অংশ গ্ৰহণ কৰে। অধিবেশনৰ প্ৰথম দিনা প্ৰতিদিন টাইমৰ মুখ্য সম্পাদক নিতুমণি শইকীয়া উপস্থিত থাকি নাৰ্চ সকলে মানৱ সেৱা আগবঢ়োৱা ক্ষেত্ৰত বিভিন্ন সমস্যা সমূহ নিৰ্মূল কৰা বিষয়ত এক অন্তৰংগ আলাপত অংশগ্ৰহণ কৰে। বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰে অসম চিকিৎসা মহাবিদ্যালয় অধ্যক্ষ ডাঃ: সঞ্জীৱ কাকতিয়ে। মুকলি সভাত প্ৰতিযোগিতাৰ বিজয়ী সকলক বঁটা প্ৰদান কৰা হয়। বিজয়ী সকলে ৰাষ্ট্ৰীয় পৰ্য্যায়ত অংশ গ্ৰহণ কৰিবলৈও সুবিধা লাভ কৰে। এই অনুষ্ঠানত এন এ আই টি এন এ আই বিষয়ববীয়া ডম্ভ অঞ্জলি হাজৰিকা, ডম্মমী নেওগ, ডংকবিতা বড়া, বিনা বৰা, নন্দাৰানী দেৱী- অসম চিকিৎসা মহাবিদ্যালয় অধীক্ষক ডাঃ: ধ্ৰুৱজোতি ভূএগ, যুটীয়া স্বাস্থ্য সঞ্চালক তৃষ্ণা বৰা, সাহিত্যাচাৰ্য ডং কৰবী ডেকা হাজৰিকে প্ৰমুখ্য কৰি বহুকেইগৰাকী সন্মানীয় ব্যক্তিয়ে অতিথি ৰূপে উপস্থিত থাকে।

**NAME CHANGE**

I have Changed my name from Mohammed Yakuv Ali, S/O Mohammed Raib Ali, to Md Yakuv Ali S/O Md Raib Ali by swearing a notarial affidavit at Sankardevnagar Hojai. From today onwards I will be known as Md Yakuv Ali, S/O Md Raib Ali for all purpose. My old Passport No- N4661358.

AB-144/2025

## বিধ্বংসী অগ্নিকাণ্ডত ৭টা পৰিয়ালৰ ১৮টা বাসগৃহ জুইত ভস্মীভূত

# ছিঙ্গুলীপাৰাত একে সময়তে তিনিটা স্থানত ভয়ংকৰ অগ্নিকাণ্ড

## দুবৃত্তই অগ্নি সংযোগ কৰাৰ অভিযোগ



**অসম বাৰ্তা, বিলাসীপাৰা, ৯ অক্টোবৰ ঃ** বিলাসীপাৰা সমজিলাৰ সীমান্তৱৰ্তী তথা গোৱালপাৰা জিলাৰ চুনাৰী আৰক্ষী থানাৰ অন্তৰ্গত ছিঙ্গুলীপাৰা গাঁৱত যোৱা নিশা সংঘটিত হয় এক ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনা। ভুক্তভোগী পৰিয়ালে সংবাদ মাধ্যমক জানিবলৈ দিয়া মতে- মাজ নিশা গাঁৱখনৰ তিনিটা স্থানত একে সময়ত সংঘটিত হয় এই বিধ্বংসী অগ্নিকাণ্ডৰ ঘটনা। বিধ্বংসী অগ্নিকাণ্ডৰ ফলত গাঁৱখনৰ ৭টা পৰিয়ালৰ ১৮ টাকৈ বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হয়। মাজ নিশা ঘৰৰ বাহিৰৰ পৰা দুৱাৰ বন্ধ কৰি কোনো অচিনাক্ত দুৰ্বৃত্তৰ দলে অগ্নি সংযোগ কৰাৰ অভিযোগ উত্থাপন কৰিছে ভুক্তভোগী পৰিয়ালৰ লোকে। এই বিধ্বংসী অগ্নিকাণ্ডত ৭টা পৰিয়ালৰ ১৮টা বাসগৃহ সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ উপৰিও পৰিয়াল কেইটাৰ প্ৰয়োজনীয় নথিপত্ৰ, গৰু, ছাগলী, হাঁহ-কুকুৰা সহ প্ৰায় এশ কুইণ্টল ধান, চাউল, মৰাপাট আদি সকলো জুইত ভস্মীভূত হোৱা বুলি জানিব পৰা গৈছে। মাজ নিশা সংঘটিত হোৱা বিধ্বংসী অগ্নিকাণ্ডত সৰ্বস্বান্ত হোৱা গাঁৱখনৰ ভুক্তভোগী পৰিয়াল কেইটা ক্ৰমে- আব্দুল বাদশাহ, ছুৰুত আলী, শহৰ আলী, ছানোৱাৰ হুছেইন, আশাদ আলী, জিয়াৰুল ইছলাম আৰু জহিৰুল ইছলাম। এই বিধ্বংসী অগ্নিকাণ্ডত গাঁৱখনৰ উল্লিখিত ৭টা পৰিয়ালৰ প্ৰায় ১ কোটি টকাৰ সা-সম্পত্তি জুইত ভস্মীভূত হোৱা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে দুৰ্গম চৰাঞ্চল হোৱাৰ বাবে ঘটনাস্থলীত উপস্থিতিত হবপৰা নাছিল অগ্নি নিৰ্বাপক বাহিনীৰ বাহন। এই ভয়ংকৰ অগ্নিকাণ্ডৰ ঘটনাই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ঘটনাৰ ন্যায় বিচাৰি ভুক্তভোগী পৰিয়ালে চুনাৰী আৰক্ষী থানাত এজহাৰ দাখিল কৰা বুলি জানিবলৈ দিছে পৰিয়াল কেইটাই।

## শুদ্ধ বিশ্বাস থাকিলে সকলো সম্ভৱ ঃ অনিমা ভূএগ্ৰা বৰুৱা

# টংলাৰ দক্ষিণ চিত্ৰনগৰ শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰৰ ৰূপালী জয়ন্তী

**ষ্টাফ ৰিপৰ্টাৰ, টংলা, ৯ অক্টোবৰ ঃঃ** মনত শুদ্ধ বিশ্বাস থাকিলে সকলোৱে সম্ভৱ। লক্ষ্মী চৰিতৰ নীতি-উপদেশসমূহ পুৰুষ -মহিলা উভয়ে অধ্যয়ন কৰিলে ঘৰ এখন সুখৰ আলয় হৈ পৰে। টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা অনিমা ভূএগ বৰুৱাই টংলাৰ দক্ষিণ চিত্ৰনগৰ শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰৰ ৰূপালী জয়ন্তীৰ ৭ অক্টোবৰৰ মুকলি সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণত এইদৰে কয়। ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি ঘটেশ্বৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে টংলাৰ উত্তৰ দৰং মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মনোৰঞ্জন শৰ্মাই। উদ্বোধনী ভাষণত তেওঁ লক্ষ্মী পূজাত ধন-ধানৰ কামনা কৰাৰ উপৰিও সু-স্বাস্থ্য আৰু সদ্ভাৱ-সম্প্ৰীতিৰ হকে কামনা কৰা উচিত বুলি ব্যক্ত কৰে। ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশিত আৰু জ্যোতি শিখৰ শৰ্মাৰ দ্বাৰা সম্পাদিত স্মৃতিগ্ৰন্থ "ৰূপালী স্মৃতি" উন্মোচন কৰে ওদালগুৰি জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি গৌৰী শংকৰ দাসে। সভাত বিটিচিৰ খালিং দুৱাৰ সমষ্টিৰ এম. চি. এল. এ অৰ্জুন দৈমাৰী, টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঘন কান্ত ডেকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য চিন্তমনি চক্ৰৱৰ্তীয়েও ভাষণ দিয়ে। উদযাপন সমিতিৰ মুখ্য সম্পাদক মিণ্টু পাঠকে উদ্দেশ্য ব্যাখ্যা কৰে। সভাখন স্থানীয় শিল্পীসকলে পৰিৱেশন কৰা পাৰ্বতী প্ৰসাদৰ গীতেৰে আৰম্ভ হয়। সদ্য প্ৰয়াত গণশিল্পী জুবিন গাৰ্গৰ স্মৃতিত শোক প্ৰকাশ কৰাৰ উপৰিও মায়াবিনী শীৰ্ষক গীতটিত সকলোৱে কণ্ঠ নিগৰায়। সভাৰ মাজতে অনিমা চহৰীয়া আৰু মৃণালিনী ডেকা ৰাভাই সুকীয়া সুকীয়াকৈ দুটি গীত পৰিৱেশন কৰে। সভাত সমাজকৰ্মী বলি ৰাম ডেকা, প্ৰতিভা পাঠক, দেৱী নেৱাৰ, ধৰিত্ৰী বড়ো বৰুৱা, ড° ধুৰ্জটি পাঠক, ডন্দীপশিখা স্বৰ্গীয়াৰী আৰু ডাং মনালিছা ৰাভাক সম্বৰ্ধনা জনোৱা হয়। স্মৃতিগ্ৰন্থৰ ব্যয় বহন কৰোঁতা নীলিমা শইকীয়াকো সভাত সম্বৰ্ধনা জনায়। ভূএগখাট খুলীয়া ভাউৰীয়া দলে মঞ্চস্থ কৰা নাট উদ্বোধন কৰে অসম সাহিত্য সভাৰ মঙ্গলদৈ আঞ্চলিক কাৰ্য্যালয়ৰ প্ৰাক্তন সম্পাদক সংৰাম ডেকাই। ৰূপালী জয়ন্তীৰ প্ৰথম দিনা মন্দিৰৰ পতাকা উত্তোলন কৰে স্থায়ী সমিতিৰ সভাপতি বাণেশ্বৰ ৰাভাই। ৰূপালী জয়ন্তীৰ পতাকা উদযাপন সমিতিৰ সভাপতি ঘটেশ্বৰ বৰুৱাই উত্তোলন কৰাৰ লগে লগে আন পঁচিশখন পতাকা পঁচিশ গৰাকী বিশিষ্ট লোকৰ দ্বাৰা উত্তোলন কৰা হয়। স্মৃতি তৰ্পণ কৰে উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি ভূমিধৰ বড়োৱে। বৃক্ষৰোপণ কৰে মনমোহন দাস, হেমাঙ্গ শৰ্মা আৰু উমেশ দাসে। দেৱেন্দ্ৰনাথ চহৰীয়াই লক্ষ্মী চৰিত পাঠ কৰাৰ পিছত বিনয় ৰাজকুমাৰে পৰিৱেশন কৰা নাগাৰা নাম সমাজকৰ্মী ৰমেশ ডেকাই উদ্বোধন কৰে।

# ৰাইদঙীয়া ফুটবল লীগ-২০২৫ আৰম্ভ

**অসম বাৰ্তা, বেবেজীয়া, ৯ অক্টোবৰ ঃ** নগাঁও জিলাৰ অগ্ৰণী ক্ৰীড়া সংস্থা ৰাইদঙীয়া আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ৭ অক্টোবৰৰ পৰা অনুষ্ঠিত হৈছে ৰাইদঙীয়া ফুটবল লীগ-২০২৫। পুষ্পেন্দ্ৰ ৰাজা আৰু সোমনাথ শইকীয়া সোঁৱৰণী ফুটবল লীগ মংগলবাৰে বৰিবজাৰস্থিত কৰচুং শ্বহীদ স্মৃতি খেলপথাৰত শুভাৰম্ভ কৰা হয়। বিশিষ্ট সমাজকৰ্মী তথা ক্ৰীড়াপ্ৰেমী ধীৰ সিং পাটৰে ফুটবল লীগখন উদ্বোধন কৰে। দুটা গ্ৰুপ ক্ৰমে 'এ' গ্ৰুপত তিনিটা দল লাইন্স ক্লাৱ পাচআলি, কেবিএছএম ফুটবল দল, বৰ ৰাইদঙীয়া এফচি দল থাকিব। আনহাতে 'বি' গ্ৰুপত ৰাইজিং টাইটানছ, টাইগাৰ্ছ এফচি, লাংখুই এফচি আৰু মিলিজুলি এফচি থাকিব। মংগলবাৰে প্ৰতিযোগিতাখনিৰ উদ্বোধনী মেচত লাইন্স ক্লাৱ পাচআলি আৰু কেবিএছএম ফুটবল দলৰ মাজত অনুষ্ঠিত হয়। উত্তেজনাপূৰ্ণ খেলখন ০৫-০১ গ'লত সমাপ্তি হয়। সুন্দৰ প্ৰদৰ্শন কৰি চাৰি গলৰ ব্যৱধানত জয়ী হয় লাইন্স ক্লাৱ পাচআলি। খেলখন পৰিচালনা কৰে ৰেফাৰী প্ৰমোদ কুমাৰ দাসে।

# চাৰিঙত মণ্ডল পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী সম্পন্ন

**অসম বাৰ্তা, জাঁজী, ৯ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ আমগুৰি শিক্ষাখণ্ডৰ অধীনৰ মোমাই তামোলী মণ্ডল সমল কেন্দ্ৰৰ উদ্যোগত মণ্ডল পৰ্যায়ৰ প্ৰশিক্ষণৰ তিনিদিনীয়া এক কাৰ্যসূচী ৪৪৫ নং শিঙিবিল প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। জাতীয় সংগীতেৰে আৰম্ভণি কৰা প্ৰশিক্ষণস্থলীত অসমৰ সংগীত জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ প্ৰতি বিদ্যালয়খনৰ প্ৰধান নয়নমণি শইকীয়াই এগছি বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই অনুষ্ঠানতে বিদ্যালয় চৌহদত এটি বৃক্ষ ৰোপণ কৰা হয়। ৰূপক হিচাপে উপস্থিত থাকে চাৰিংৰ এগৰাকী বিশিষ্ট সমাজকৰ্মী তথা সাংবাদিক মানস প্ৰতিম বৰুৱা। ইয়াৰ পাছতে মোমাই তামোলী মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক ৰঞ্জিত বৰাই আঁত ধৰা প্ৰশিক্ষণ প্ৰদান কাৰ্যসূচীত অনুষ্ঠানৰ উদ্বোধক শিৱসাগৰ জিলা আঁচনি বিষয়া (সমাজ জড়িতকৰণ) অসীম বৰুৱা, বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ জিলা পৰামৰ্শদাতা মৌচুমী দত্ত দুৱৰা, প্ৰশিক্ষণ পৰ্যবেক্ষক দুৰ্লভ চন্দ্ৰ গগৈ জঁকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক ঋষিকেশ শইকীয়া আৰু সমল ব্যক্তিদ্বয় ৰঞ্জিত বৰা আৰু বিতোপন বৰুৱা উপস্থিত থাকি প্ৰশিক্ষণ আগবঢ়াই। এই অনুষ্ঠানত মোমাই তামোলী মণ্ডল সমল কেন্দ্ৰৰ সৰ্বমুঠ ৯খন বিদ্যালয়ৰ প্ৰধান শিক্ষক-শিক্ষয়িত্ৰি, পৰিচালনা সমিতিৰ সভাপতিকে প্ৰমুখ্যে কৰি বিষয়ববীয়া উপস্থিত থাকি প্ৰশিক্ষণ গ্ৰহণ কৰে। চৰকাৰী বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ দিশত আগবাঢ়ি যাব পৰাকৈ বিদ্যালয় সমূহৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ আধাৰত বিদ্যালয় সমূহৰ সামগ্ৰিক দিশ নিৰীক্ষণ কৰা পৰিচালনা সমিতি সমূহৰ এই প্ৰশিক্ষণ কাৰ্যসূচীটোৱে বৰ্তমান সময়ত গুৰুত্ব ভূমিকা গ্ৰহণ কৰিছে।

# অভয়াপুৰী আৰু সৃজনগ্ৰাম সমষ্টিত মেগা স্বাস্থ্য শিবিৰ 'শুশ্ৰূষা সেতু'

**অসম বাৰ্তা, লেংটিছিঙা, ৯ অক্টোবৰ ঃ** ৰাজ্য চৰকাৰৰ সিদ্ধান্ত অনুসৰি বঙাইগাঁও জিলাৰ তিনিওটা বিধানসভা সমষ্টিতে মেগা স্বাস্থ্য শিবিৰ "শুশ্ৰূষা সেতু" অনুষ্ঠিত কৰাৰ বাবে জিলা স্বাস্থ্য সেৱা বিভাগৰ পৰা ব্যৱস্থা গ্ৰহণ কৰিছে। যোৱা ১৮ছেপ্টেম্বৰ তাৰিখে প্ৰথম পৰ্যায়ত বঙাইগাঁও বিধানসভা সমষ্টিত মেগা স্বাস্থ্য শিবিৰ "শুশ্ৰূষা সেতু" অনুষ্ঠিত হৈছিল। ১০অক্টোবৰ তাৰিখে দ্বিতীয় পৰ্যায়ত অভয়াপুৰী বিধানসভা সমষ্টিত অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত ৰাতিপুৱা ৯-০০বজাৰ পৰা অনুষ্ঠিত হ'ব। শূন্যৰ পৰা ১৮বছৰ বয়সৰ ল'ৰা-ছোৱালী ৰোগীক চিকিৎসা সেৱা প্ৰদান কৰাৰ নিৰ্ধাৰিত লক্ষ্য বান্ধি লৈছে যদিও প্ৰয়োজন সাপেক্ষে ইয়াৰ ওপৰৰ বয়সৰ ৰোগীকো চিকিৎসা আগবঢ়োৱাৰ বাবে ব্যৱস্থা কৰিছে এই মেগা স্বাস্থ্য শিবিৰত। বঙাইগাঁও জিলাৰ আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সঞ্চালকে জানিব দিয়া মতে এই স্বাস্থ্য শিবিৰত জিন সম্পৰ্কীয় বিকাৰ, জন্মগত হৃদ ৰোগ, চকু আৰু কাণৰ বিকাৰ, স্নায়ুজনিত বিকাৰকে ধৰি মুঠ ৫০বিধৰো অধিক বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে পৰামৰ্শ প্ৰদান কৰাৰ লগতে বিনামূলীয়াকৈ ঔষধ বিতৰণ কৰিব। আনহাতে তৃতীয় পৰ্যায়ত অহা ১৬অ"োবৰত সৃজনগ্ৰাম বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়ত মেগা স্বাস্থ্য শিবিৰ "শুশ্ৰূষা সেতু" অনুষ্ঠিত হ'ব। মেগা স্বাস্থ্য শিবিৰ "শুশ্ৰূষা সেতু" সন্দৰ্ভত অভয়াপুৰী সমজিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰীয়ে জানিবলৈ দিয়ামতে ইতিমধ্যেই নোডেল শিক্ষক, অংগনৱাড়ী মুখ্য সেৱিকা, আশাকৰ্মী আদিক প্ৰশিক্ষণ দিয়া হৈছে। তেনেদৰে জনস্বাস্থ্য কাৰিকৰী বিভাগক বিশুদ্ধ খোৱাপানী, এপিডিচিএলক বিদ্যুত যোগান, মহিলা আৰু শিশু বিকাশ বিভাগ আৰু শিক্ষা বিভাগক ৰোগী চিনাক্তকৰণ তথা নিজ নিজ কামৰ দায়িত্ব দিয়া বুলি আজি অনুষ্ঠিত সংবাদ মেলযোগে সমজিলা আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰীয়ে জানিবলৈ দিয়ে। কোনো ৰুগীয়া শিশু যাতে বাদ পৰি নাযায় তাৰ বাবে সংশ্লিষ্ট সকলোকে নিজৰ ভূমিকা আৰু দায়িত্ব সক্ৰিয়ভাৱে আৰু নিষ্ঠাৰে পালন কৰিবলৈ সমজিলা আয়ুক্ত শ্ৰীমতী ছেত্ৰীয়ে নিৰ্দেশ দিছে। গতিকে ১০অক্টোবৰত অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ত আৰু ১৬ অক্টোবৰ, ২০২৫তাৰিখে ৰাজীৱ গান্ধী সোঁৱৰণী মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া মেগা স্বাস্থ্য শিবিৰত আহি চিকিৎসাৰ সুবিধা গ্ৰহণ কৰিবলৈ ৰুগীয়া ল'ৰা-ছোৱালীৰ লগতে অন্যান্য ৰোগীসকলক আহ্বান জনায়। মেগা স্বাস্থ্য শিবিৰত অহা ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত প্ৰয়োজন সাপেক্ষে জিলা চিকিৎসালয় বা চিকিৎসা মহাবিদ্যালয়তো সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰিব। উল্লেখযোগ্য যে যোৱা ১৮ ছেপ্টেম্বৰত অনুষ্ঠিত মেগা স্বাস্থ্য শিবিৰত আহি ১৫৯৬জন ৰোগীয়ে চিকিৎসা সেৱা লাভ কৰিছিল।

# মৰিগাঁও জিলাৰ দিৱস উপলক্ষে সদৌ অসম ভিত্তিত মুকলি কুইজ প্ৰতিযোগিতা

**অসম বাৰ্তা, লাহৰীঘাট, ৯ অক্টোবৰ ঃ** মৰিগাঁও জিলা দিৱস উপলক্ষে সদৌ অসম ভিত্তিত এখনি মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আগন্তুক ১৪ অক্টোবৰত জাগীৰোড মহাবিদ্যালয়ৰ সন্মুখত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতা পুৱা ৯:৩০ বজাৰ পৰা আৰম্ভ হ'ব। প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ হিচাপে ২০ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ১৫ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ ১০ হাজাৰ টকা প্ৰদান কৰা হ'ব। অসমৰ বিভিন্ন প্ৰান্তৰ প্ৰতিযোগীসকলে এই কুইজত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা প্ৰদৰ্শনৰ সুযোগ পাব। মৰিগাঁও জিলা প্ৰশাসনে সকলোকে এই প্ৰতিযোগিতাত উৎসাহেৰে অংশগ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

# সমাজ সেৱক, সাংবাদিক প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ প্ৰথম মৃত্যু বাৰ্ষিকী

## স্মৃতিচাৰণ সভা; হিৰন্যাস গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা. খৈৰাবাৰী, ৯ অক্টোবৰ ঃ** খৈৰাবাৰী শিমলুবাৰীৰ জাতীয় বিদ্যালয় প্ৰতিষ্ঠাপক, সাংবাদিক প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ বাসগৃহত অনুষ্ঠিত কৰে প্ৰথম মৃত্যু বাৰ্ষিকী অনুষ্ঠান। স্মৃতি চাৰন সভা আৰু প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ স্মৃতিত হিৰন্যাস গ্ৰন্থঃ উন্মোচন। খৈৰাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰী অধ্যাপক প্ৰবিত্ৰ কুমাৰ বৰুৱাৰ সঞ্চালনাত অনুষ্ঠিত হোৱা স্মৃতি চাৰন সভা আৰু হিৰন্যাস গ্ৰন্থঃ উন্মোচনত প্ৰায় তিনি শতাধিক লোক উপস্থিত থাকে। শিক্ষক কমল ডেকাই আঁত ধৰা অনুষ্ঠানত খৈৰাবাৰী বিশিষ্ট সাহিত্যিক তথা অৰ্ধ শতাধিক গ্ৰন্থঃ প্ৰনেতা পুনুৰাম কলিতাই প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ স্মৃতিত হিৰন্যাস গ্ৰন্থঃ উন্মোচন কৰে। প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ বাসগৃহত প্ৰথম মৃত্যু বাৰ্ষিকী অনুষ্ঠানত সাহিত্যিক পুনুৰাম কলিতাই উন্মোচন কৰা আৰু কমল ডেকাই পৰিকল্পনা তথা সম্পাদনা কৰা হিৰন্যাস গ্ৰন্থত ৪৮ গৰাকী লেখকৰ লিখনীত প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ জীৱন শৈলীৰ বিষয়ে লিপিবদ্ধ কৰা গ্ৰন্থঃ আনুষ্ঠানিকভাবে উন্মোচন কৰে। প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ স্মৃতি চাৰন সভাত খৈৰাবাৰী মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ অধ্যাপিকা সুৱৰ্ণ দেৱী, গুৱাহাটী আকাশবাণী কেন্দ্ৰৰ অনাটাৰ শিল্পী গোলাপী কুমাৰি, খৈৰাবাৰী জাতীয় বিদ্যালয় প্ৰতিষ্ঠাপক মোছলেম উদ্দীন আহমেদৰ উপৰিও বহু সংখ্যক গুণমুগ্ধ উপস্থিত থাকে। অন্যহাতে প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ স্মৃতিচাৰন সভাত অসমৰ হাৰ্টথ্ৰৱ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত প্ৰতি গৰাকী গুনমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সভাত হিৰন্যাস গ্ৰন্থঃ উন্মোচন কৰি সাহিত্যিক পুনুৰাম কলিতাৰ উপৰিও, সুৱৰ্ণ দেৱী, গোলাপী কুমাৰি, মোছলেম উদ্দীন আহমেদৰ উপৰিও খৈৰাবাৰী জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ধীৰেন মজলীয়াই প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ স্মৃতি ৰূমন্থন কৰি আবেগিক হৈ পৰা পৰিলক্ষিত হোৱা দেখা যায়। সভাত পুনুৰাম কলিতাই কয় গ্ৰন্থঃ হ'ল সমাজৰ এক অনবদ্য অংগ। মোবাইলৰ বহুল প্ৰচলিত ব্যৱহাৰৰ সময়ত গ্ৰন্থ প্ৰকৃত অৰ্থত ই এক ভাল বন্ধু। সেয়ে উপস্থিত গুনমুগ্ধক যি কোনো গ্ৰন্থ পঢ়িবলৈ আহ্বান জনায়। ইয়াৰ উপৰিও তেওঁ কয় প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ স্মৃতিত উন্মোচিত হোৱা হিৰন্যাস গ্ৰন্থত লিখা প্ৰতি গৰাকী লেখকৰ উপৰিও প্ৰয়াত হিৰণ্য ৰায় বৰুৱাৰ জীৱনী ভালদৰে উপলব্ধি কৰিব পাৰিব বুলি বক্তব্য প্ৰদান কৰা দেখা যায়।

# 'আটছা'ৰ লখিমপুৰ জিলা অধিৱেশন সম্পন্ন

**অসম বাৰ্তা, লীলাবাৰী, ৯ অক্টোবৰ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা চমুকৈ 'আটছা' লখিমপুৰ জিলা সমিতিৰ অধিৱেশনখনি ডিজু চাহ বাগিচা আদৰ্শ বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। 'আটছা' লখিমপুৰ জিলা সমিতিৰ ২৫ সংখ্যক অধিৱেশনৰ প্ৰতিনিধি সভাত সংগঠনটিৰ কেন্দ্ৰীয় উপ-সভাপতি দিগন্ত তাছাই মুখ্য পৰ্যবেক্ষক হিচাপে অংশগ্ৰহণ কৰে। প্ৰতিনিধি সভাখনত জিলাখনৰ নাওবৈচা, লখিমপুৰ আৰু ঢকুৱাখনা শাখা সমিতি পৰা সাতজনকৈ সদস্য প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, সংগঠনটিৰ সংবিধান অনুসৰি প্ৰতিটো শাখাৰ পৰা এজনকৈ মূল প্ৰতিনিধি জিলালৈ প্ৰেৰণ কৰাটো বাঞ্ছনীয়। প্ৰতিনিধি সভাখনত লখিমপুৰ শাখা সমিতিৰ পৰা মূল প্ৰতিনিধি ৰূপে প্ৰক্ষেপিত চন্দ্ৰ গঁড় সভাপতি হিচাপে নিৰ্বাচিত হোৱাৰ সমান্তৰালকৈ নাওবৈচা শাখা সমিতিৰ পৰা প্ৰক্ষেপিত প্ৰতিনিধি তিৰিয়োছ ঢড়ৰাই সম্পাদক হিচাপে নিৰ্বাচিত হয়। প্ৰতিনিধি সভাত সংগঠনটোৰ কেন্দ্ৰীয় পৰ্যায়ৰ বিষয়ববীয়াৰ লগতে লখিমপুৰ জিলাৰ চাহ জনগোষ্ঠী ৰাইজৰ আশা- 'আটছা'ৰ নৱ নিৰ্বাচিত নেতৃত্বই জাতীয় স্বাৰ্থ, অধিকাৰ আৰু উন্নয়নমূলক কাম-কাজসমূহ ফলপ্ৰসূ কৰি তুলিব। 'আটছা'ৰ লখিমপুৰ জিলা সমিতিৰ নতুন নেতৃত্বক সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ 'আছা'ৰ উজ্জ্বলপুৰ-কয়লামাৰী আঞ্চলিক সমিতিয়ে শুভেচ্ছা জনাইছে।

# পোন্ধৰ শতাধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষাৰে সমাপ্তি হ'ল টীয়ক বিধানসভা সমষ্টিৰ বৃহৎ স্বাস্থ্য মেল

**অসম বাৰ্তা, নিমাতীঘাট, ৯ অক্টোবৰ ঃ** আজি টীয়ক বিধান সভা সমষ্টি ভিত্তিত বাহনা খেল পথাৰত অনুষ্ঠিত বৃহৎ স্বাস্থ্য মেলাত পোন্ধৰশৰো অধিক ৰোগীৰ স্বাস্থ্য পৰীক্ষাকৰা হয়। বোকাময় বাহনা খেল পথাৰত প্ৰায় ত্ৰিশ লক্ষ্যাধিক টকাৰ ব্যয় সাপেক্ষে যি মেগা স্বাস্থ্য মেলাৰ আয়োজন কৰিলে তাত যোগান ধৰা খাদ্যৰ টোপোলাক লৈ বহুতো সন্তোস্ত নহয় বুলি জানিব পাৰি। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শিশুৰ কল্যাণ আৰু প্ৰয়োজনীয় চিকিৎসা সেৱা প্ৰদানৰ বাবে যি মহান পদক্ষেপ গ্ৰহণ কৰিছে সেই পদক্ষেপত যথেষ্ট ৰোগী উপকৃত হৈছে যদিও বহুতো ৰোগীৰ ডাক্তৰে লেখা ঔষধ তাত নাই পোৱা বুলি জানিব পৰা গৈছে। জানিব পৰা মতে এই স্বাস্থ্য মেলাত ওঁঠৰ বছৰৰ অনুৰ্ধ্ব আৰু বিভিন্ন স্বাস্থ্য সম্পৰ্কীয় জটিলতাৰ সন্মুখীন হৈ থকা শিশুসকলৰ বাবে নিৰ্দিষ্ট জীৱনদায়িনী চিকিৎসা সেৱা প্ৰদান কৰা দেখা গৈছিল। বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য সেৱা শিবিৰ টোত প্ৰায় পঞ্চাশৰো অধিক ৰোগ আৰু স্বাস্থ্য সম্পৰ্কীয় জটিলতা বিশেষকৈ জন্মগত হৃদপৃণ্ডৰ ৰোগ, স্নায়ুজনিত অসুখ, ফটা ওঁঠ আৰু ফটা তালু, জন্মগত শাৰীৰিক গঠনৰ বিসংগতি, হৰমনজনিত সমস্যা, ৰক্তজনিত সমস্যাকে আদি কৰি ৫৪ বিধ বিভিন্ন ৰোগত ভুগি থকা শিশুক বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা চিকিৎসা সেৱা প্ৰদান কৰা হৈছে বুলি জানিব পাৰি। যোৰহাট জিলা-প্ৰশাসন, টীয়ক সম জিলা প্ৰশাসনৰ উদ্যোগত আৰু যোৰহাট জিলা স্বাস্থ্য সমিতিৰ সহযোগত অনুষ্ঠিত হোৱা স্বাস্থ্য মেলাত জিলা আয়ুক্ত জয় শিবাণী, টীয়ক সম জিলাৰ আয়ুক্ত মগেন নৰহ, স্বাস্থ্য বিভাগৰ আয়ুক্ত অভিজিত গগৈ, অতিৰিক্ত সহকাৰী আয়ুক্ত কাৰ্তিক কমল শইকীয়া, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাক্তৰ দিলীপ দেৱ শৰ্মা, মুখ্য স্বাস্থ্য বিষয়া ডাক্তৰ ভক্তিময় ভট্টাচাৰ্য্য, জিলা বি জে পিৰ সভাপতি শান্তনু পূজাৰী, সমাজকৰ্মী বিকাশ শইকীয়া, আদি উপস্থিত থাকে। বাহনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত পুৱা ৮ বজাৰ পৰা টীয়ক বিধানসভা সমষ্টি ভিত্তিক অনুষ্ঠিত হোৱা মেগা স্বাস্থ্য শিবিৰত ১৮ বছৰৰ ওপৰৰ বহুতো ব্যক্তিৰ ৰোগৰ চিকিৎসা কৰা আৰু ঔষধ প্ৰদান কৰিছে বুলি জানিব লৈ দিয়ে। এই স্বাস্থ্য শিবিৰত টীয়ক বিধানসভা সমষ্টিৰ ২৯৪খন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আহিছে বুলি জানিব পাৰি। উল্লেখ্য যে লোক নিৰ্মাণ পথ বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া সকলে যথেষ্ট তৎপৰতাৰে স্বাস্থ্য মেলাখন সফল কৰি তোলাত সহযোগিতা কৰে।

# নগাঁৱৰ তিনিটাকৈ অৰাজনৈতিক সংগঠনে গণশিল্পী জুবিন গাৰ্গৰ পৰিয়ালক অৰ্পণ কৰিলে শ্ৰদ্ধাঞ্জলি পত্ৰ

**অসম বাৰ্তা, বড়মপুৰ, ৮ অক্টোবৰ ঃ** নগাঁৱৰ অন্যতম সামাজিক তথা অৰাজনৈতিক অনুষ্ঠান ক্ৰমে "সচেতন নাগৰিক সমাজ" নগাঁও, চি চি এম অ', নগাঁও আৰু ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত স্বেচ্ছাসেৱী অনুষ্ঠান গ্ৰাম বিকাশ পৰিষদৰ নেতৃত্বত সোমবাৰে এটি সজাতি দলে গণশিল্পী জুবিন গাৰ্গ দেৱক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে উপস্থিত হয়হি গুৱাহাটীৰ কাহিলীপাৰাস্থ বাসগৃহত। সঁজাতি দলটোৱে প্ৰয়াত শিল্পী গৰাকীৰ সহধৰ্মিনী গৰিমা গাৰ্গৰ লগতে পৰিয়ালবৰ্গক সাক্ষাৎ কৰি তেওঁলোকৰ অৱস্থাৰ বুজ লোৱাৰ লগতে পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰে। প্ৰথমে সচেতন নাগৰিক সমাজৰ হৈ সভাপতি নুৰুল আমিন আৰু সম্পাদক ইমামুল হক আনচাৰী, চি চি এম অ'ৰ হৈ সম্পাদক হুমায়ুন কৰিব আৰু নাজিম আহমেদে লগতে গ্ৰাম বিকাশ পৰিষদৰ হৈ ছিৰাজ উদ্দিন আহমেদ, জ্যোতিপ্ৰসাদ ৰাজখোৱা আৰু মাধুৰ্য বৰাই জুবিন গাৰ্গ দেৱৰ সহধৰ্মিনী গৰিমা গাৰ্গৰ হাতত পৃথকে পৃথকে এক শ্ৰদ্ধাঞ্জলি পত্ৰ অৰ্পণ কৰে। সন্ধ্যা উভনতি যাত্ৰা পথত থকা জুবিন গাৰ্গ দেৱৰ সোণাপুৰস্থ সমাধিক্ষেত্ৰত উপস্থিত হৈ মৰমৰ শিল্পী গৰাকীৰ বিদেহী আত্মাৰ চিৰশান্তি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। সজাতি দলটোত অধিবক্তা তজম্মল হুছেইন, জহিৰুল ইছলাম, সাংবাদিক ৰাহিদুদ জামান, ব্যৱসায়ী নাছিৰ আহমেদ, বিশিষ্ট সমাজসেৱিকা ক্ৰমে শ্বৰিন বেগম, জেফৰিনা জাৰ্ফিন আহমেদ আদি ধৰি বহু কেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# এইখন বাঘজান ঘটনাৰ দলিল, গ্ৰন্থখনে সকলোকে যথেষ্ট উপকৃত কৰিব ঃ পাপুল গগৈ

# আৱাৰ বাৰ্ডেন অৱ গ্ৰীফ শীৰ্ষক গ্ৰন্থ উন্মোচন

**অসম বাৰ্তা, তিনিচুকীয়া, ৮ অক্টোবৰ ঃ** উত্তৰ-পূৰ্বাঞ্চল তথা অসমৰ তিনিচুকীয়া জিলাৰ বাঘজানত ২০২০ চনত সংঘটিত বাঘজান অইল ব্ল'আউট ঘটনাৰ ওপৰত লিখি উলিয়াইছে "Our Burden Of Grief - Baghjan And The Gas Blowout" শীৰ্ষক এক গ্ৰন্থ। মঙ্গলবাৰে পুৱাৰ ভাগত কেলিফৰ্ণিয়াৰ পৰা ইণ্টাৰনেটৰ সহায়ত Zoom এপৰ যোগেদি আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। উত্তৰ পূৰ্বাঞ্চল সামাজিক গৱেষণা কেন্দ্ৰ (এন ই এছ আৰ চি)ৰ দ্বাৰা প্ৰকাশিত কেলিফৰ্ণিয়া বিশ্ববিদ্যালয় চান্টা ক্ৰুজৰ অধ্যাপক ড০ সঞ্জয় বৰবৰা, ড০ ডলী কিকন আৰু গৱেষক ছাত্ৰ নৈঋত গগৈৰ সহযোগী গ্ৰন্থখনত ২০২০ চনৰ ২৭ মে'ত, অসমত ক'ভিড-১৯ মহামাৰীৰ সময়ত সংঘটিত হোৱা বাঘজান অইল বিস্ফোৰণৰ বিষয়ে উল্লেখ কৰা হৈছে। উল্লেখ্য যে স্থানীয় লোকসকলৰ অভিজ্ঞতাৰ লগতে সংবাদ মাধ্যমৰ বাতৰি, চৰকাৰী অনুসন্ধান আৰু ভুক্তভোগীক প্ৰতিনিধিত্ব কৰা দল-সংগঠন, অধিবক্তাৰ সাক্ষাৎকাৰৰ আধাৰত এই গ্ৰন্থখনে অসমৰ শেহতীয়া পৰিৱেশ সংঘাতৰ ঐতিহাসিক প্ৰেক্ষাপট বিশ্লেষণ কৰিছে। ইয়াত সংবাদ মাধ্যমৰ প্ৰতিবেদন (অসমীয়া আৰু ইংৰাজী দুয়োটাতে), সমিতিৰ প্ৰতিবেদনৰ বিষয়বস্তু বিশ্লেষণ আৰু স্থানীয় কবি আৰু কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যক্ষ প্ৰতিবেদনৰ জৰিয়তে, ব্ল'আউটৰ পিছত সমাজৰ সদস্যসকলৰ বিভিন্ন সংগ্ৰামৰ নথিভুক্ত কৰা হৈছে বুলি লেখকত্ৰয়ে জানিবলৈ দিছে। উল্লেখ্য যে, আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ইংৰাজী ভাষাত এইখনেই প্ৰথম গ্ৰন্থ হিচাবে বিবেচিত হৈছে। যুৱ লেখক পাপুল গগৈৰ ঘটনাৰ সময়ত লিখা ৬ টাকৈ কবিতা দিল্লীৰ আম্বেদকাৰ বিশ্ববিদ্যালয়ৰ গৱেষক ছাত্ৰ গুঞ্জন দাসে ইংৰাজীলৈ অনুবাদ কৰি এই গ্ৰন্থত প্ৰকাশ কৰা হৈছে। ড০ সঞ্জয় বৰবৰাই আঁত ধৰা অনুষ্ঠানত ভাগ লৈ বাঘজান কাণ্ডৰ ক্ষতিগ্ৰস্ত পৰিয়ালৰ উচিত ক্ষতিপূৰণৰ বাবে আবেদন জনোৱা বাঘজান গাঁৱৰ মনোজ হাজৰিকাই কয়, "এনে এখন গ্ৰন্থ লিখি উলিয়াওৱাটো সহজ কথা নহয়; গ্ৰন্থ লিখাটো বৰ কঠিন কাম। তেনে এক কঠিনতাক নেওচি বাঘজান ঘটনাক গ্ৰন্থৰ মাধ্যমেৰে প্ৰকাশ কৰি বাঘজানবাসীৰ লগতে সমগ্ৰ বিশ্ববাসীক উপহাৰ হিচাবে দিয়াৰ বাবে আমি বাঘজানবাসীয়ে অতিশয় গৌৰান্বিত। গ্ৰন্থখনিৰ লেখক, ইয়াৰ লগত জড়িত সকলোলৈ বাঘজানবাসীৰ হৈ আন্তৰিক অভিনন্দন, ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো''। "এনেকুৱা এখন গ্ৰন্থৰ প্ৰয়োজন আছিল। আমি আশাবাদী যে এই গ্ৰন্থখনে ক্ষতিগ্ৰস্ত পৰিয়ালে ক্ষতিপূৰণ লাভ কৰাৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰিব।" পৰিৱেশকৰ্মী তথা বাঘজান কাণ্ডৰ ক্ষতিগ্ৰস্ত পৰিয়ালৰ হৈ আদালতত আবেদন জনোৱা অন্যতম ব্যক্তি নিৰন্ত গোহাঁইয়ে এইদৰে কয়। পাপুল গগৈয়ে গ্ৰন্থত প্ৰকাশ হোৱা "দুখৰ বুজাবোৰ সঁচাই বৰ গধুৰ" শীৰ্ষক কবিতা পাঠ কৰি এই গ্ৰন্থখন বাঘজানবাসীৰ বাবে এক দলিলস্বৰূপ। গ্ৰন্থখনে কেৱল বাঘজানবাসীকেই নহয় সমগ্ৰ বিশ্ববাসীক উপকৃত কৰিব। গ্ৰন্থখনি উপহাৰ হিচাবে দিয়াৰ বাবে লেখক, প্ৰকাশক, গ্ৰন্থৰ লগত জড়িত সকলোকে অভিনন্দন জনোৱাৰ লগতে ধন্যবাদ আৰু কৃতজ্ঞতা জনায়। উন্মোচনীৰ অনুষ্ঠানত উত্তৰ পূৰ্বাঞ্চল সামাজিক গৱেষণা কেন্দ্ৰ (এন ই এছ আৰ চি)ৰ সঞ্চালক ড° ৱালটাৰ ফাৰ্নাণ্ডেছ, লেখক, বাঘজান কাণ্ডৰ উচিত ক্ষতিপূৰণৰ বাবে আদালতত আবেদন জনোৱা আবেদনকাৰী মনোজ হাজৰিকা, নিৰন্ত গোহাঁই, গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা বিক্ৰম ৰাজখোৱা, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড০ অমৃতা প্ৰীতম গগৈ, যুৱ লেখক পাপুল গগৈসহ অসম, অৰুণাচল প্ৰদেশ, কলিকতা আদি বিভিন্ন প্ৰান্তৰ গৱেষক ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। লেখক নৈঋত গগৈয়ে সকলোকে শলাগৰ শৰাই আগবঢ়াই অনুষ্ঠান সামৰে।

# অৱসৰী প্ৰধান শিক্ষকৰ পৰলোক; অঞ্চলজুৰি শোকৰ ছাঁ

**অসম বাৰ্তা, আমগুৰি, ৯ অক্টোবৰ ঃ** যোৰহাট জিলাৰ স্ত্ৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান চেলেংহাট বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষক তথা পৰৱৰ্তী সময়ৰ প্ৰধান শিক্ষক বৰনগঞাঁ গাঁৱৰ নিবাসী ধৰ্মপ্ৰাণ ব্যক্তি ৭৪ বৰ্ষীয় অমৰজিৎ গগৈৰ আজি পুৱা ৮:৪৫ বজাত পৰলোকপ্ৰাপ্তি ঘটে। যুৱ অৱস্থাৰ পৰাই সামাজিক ভাৱে দায়বদ্ধ সদ্য প্ৰয়াত গগৈয়ে শিক্ষকতা জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পিছৰে পৰা সক্ৰিয় ভাবে বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত হৈ আছিল। তেখেতৰ মৃত্যুত চেলেংহাটৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে পাৰ্থিৱ শৰীৰত শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৭৪ বৰ্ষীয় সদ্যপ্ৰয়াত গগৈয়ে মৃত্যুৰ সময়ত পত্নী একমাত্ৰ কন্যা সন্তানৰ লগতে ইষ্ট কুটুম্ব ইহ সংসাৰত এৰি যায়।

# পুৰণিগুদামৰ সৰ্বৰহী ছাত্ৰ নেতা ৰণ্টু শৰ্মাৰ মৃত্যু

## অঞ্চলজুৰি গভীৰ শোঁকৰ ছাঁ

**অসম বাৰ্তা, পুৰণিগুদাম, ৯ অক্টোবৰ ঃ** নগাঁও জিলাৰ পুৰণিগুদাম অঞ্চলৰ বিষয়াচুক গাঁৱৰ নিৱাসী, সৰ্বৰহী ছাত্ৰ নেতা ৰণ্টু শৰ্মা (৫২)ৰ আজি পুৱা ৬-৩০ বজাত গুৱাহাটী মেডিকেল কলেজ হস্পিতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা ঘটনাই বৃহত্তৰ পুৰণিগুদাম অঞ্চলত গভীৰ শোঁকৰ ছাঁ পেলাইছে। পুৰণিগুদাম অঞ্চলৰ বিষয়াচুকগাঁৱৰ নিৱাসী প্ৰয়াত নৰেন্দ্ৰ নাথ শৰ্মা আৰু নিলীমা শৰ্মা (লুকু)ৰ পঞ্চম সন্তানৰ ভিতৰত কনিষ্ঠ পুত্ৰ ৰণ্টু শৰ্মাই ১৯৭২ চনৰ ১৭ ডিচেম্বৰত জন্মগ্ৰহণ কৰিছিল। পুৰণিগুদামৰ মোক্তাব স্কুলত প্ৰাথমিক শিক্ষাগ্ৰহণ কৰে আৰু পৰৱৰ্তী সময়ত পুৰণিগুদাম ৰাধাকান্ত বৰুৱা হাইস্কুলৰ পৰা প্ৰৱেশিকা উত্তীৰ্ণ হৈ পাছত পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰে। বিদ্যালয়ত পঢ়ি থকাৰ অৱস্থাৰ পৰাই শৰ্মাই ছাত্ৰ সমাজৰ সৰ্বাঙ্গীণ উন্নয়নৰ বাবে ছাত্ৰ সংগঠনৰ নেতৃত্বত বহন কৰিছিল। পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়নৰত অৱস্থাতে ছাত্ৰ একতা সভাৰে জড়িতহৈ পৰৱৰ্তী সময়ত পুৰণিগুদাম ড° বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক পদৰ বাবে নিৰ্বাচিত হয়। সুশৃংখলিত এখন ছাত্ৰ সমাজ গঠনকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰা সৰ্বৰহী আৰু অতি অমায়িক স্বভাৱৰ লোকজনে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ সাংগঠনিক সম্পাদক পদত অধিষ্ঠিত হৈ নিষ্ঠাসহকাৰে সেৱা আগবঢ়োৱাৰ পূৰ্বে পুৰণিগুদাম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আৰু পৰৱৰ্তী সময়ত উপদেষ্টা পদত দায়িত্ব গ্ৰহণ কৰিছিল। নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি, ড° বি কে বি কলেজৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ উপ-সভাপতি হিচাপে কাৰ্য্যনিৰ্বাহ কৰিছিল। প্ৰয়াত শৰ্মা বৃহত্তৰ পুৰণিগুদাম ৰঙালী বিহু উৎসৱ উদ্যাপন সমিতিৰো সম্পাদক আছিল। পুৰণিগুদামৰ ঐতিহ্যমণ্ডিত বেল কাঠৰ দুৰ্গা প্ৰতিমা পূজা উৎসৱ উদ্‌যাপন সমিতিৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ লগতে বৃহত্তৰ পুৰণিগুদাম অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত থাকি শৰ্মাই সামাজিক দায়িত্ব পালন কৰি আহিছিল। লগতে নিজৰ গাঁওখনৰো বিভিন্ন উৎসৱ- পাৰ্বনত একনিষ্ঠ উদ্যোক্তাৰ দায়িত্ব পালন কৰা জনসমাদৃত লোকজনে বিষয়াচুকগাঁৱত অনুষ্ঠিত হোৱা শ্ৰীশ্ৰীকৃষ্ণৰ ৰাস উৎসৱ উদ্‌যাপনৰ বাবে এক বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল যদিও যোৱা ১ অক্টোবৰৰ বিয়লি প্ৰায় ৩ মান বজাত উচ্চ ৰক্তচাপ ৰোগত আক্ৰান্ত হৈ প্ৰথমে নগাঁৱৰ এখন ব্যক্তিগত চিকিৎসালয় চিকিৎসাধীন হ'ব লগা হয় যদিও পৰৱৰ্তী সময়ত উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। আজি পুৱা চিকিৎসাধীন অৱস্থাত তেওঁৰ মৃত্যু হয়। তেওঁৰ মৃত্যু হোৱাৰ খবৰ বিয়পি পৰাৰ লগে লগে বহু গুণমুগ্ধ তেওঁৰ বাসভৱনত উপস্থিত হৈ শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। প্ৰাক্তন ছাত্ৰ নেতাজনৰ মৃতদেহ নগাঁও জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ অনা হয় আৰু তাত প্ৰাক্তন আছু নেতা তথা ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু সদস্য সকলৰ লগতে মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ সচিব প্ৰধান লক্ষিপ্ৰসাদ ডেকাই গভীৰ শোক প্ৰকাশ কৰি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। পৰৱৰ্তী সময়ত পুৰণিগুদামস্থিত ড° বি কে বি মহাবিদ্যালয়ত শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকল আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সন্মিলনীৰ সদস্য সকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সৰ্বৰহী ছাত্ৰ নেতা গৰাকীৰ মৃত্যুত পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰাল, পুৰণিগুদাম দুৰ্গা পূজা সমিতি, পুৰণিগুদাম শতদল শাখা সাহিত্য সভা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, পুৰণিগুদাম আঞ্চলিক সমিতি, পুৰণিগুদাম আঞ্চলিক ছাত্ৰ সন্থা, অনিৰ্বাণ গোষ্ঠী, টাই আহোম ছাত্ৰ সন্থাৰ নগাঁও জিলা সমিতি, অবিনশ্বৰ গোষ্ঠী, অসম নাট্য সন্মিলন, পুৰণিগুদাম শাখা, পুৰণিগুদাম প্ৰাথমিক ব্ৰাহ্মণ সমাজ, পুৰণিগুদাম শৰ্মা বুক এম্পৰিয়াম, পুৰণিগুদাম প্ৰেছ ক্লাব, চামগুৰি বৈদ্যুতিন সংবাদ মাধ্যম, ড° বি কে বি মহাবিদ্যালয়, পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, পুৰণিগুদাম কলং কলা কেন্দ্ৰ, কেন্দ্ৰীয় বিহু উদ্‌যাপন সমিতি, পুৰণিগুদাম, চম্পাৱতী, ভাৰতীয় জনতা পাৰ্টি কলিয়াবৰ জিলা সমিতি, পুৰণিগুদাম মণ্ডল বিজেপি, চামগুৰি আঞ্চলিক ছাত্ৰ সন্থা, কেন্দ্ৰীয় নাগৰিক মঞ্চ পুৰণিগুদাম, বিজেপিৰ কলিয়াবৰ জিলা যুৱ মৰ্চা প্ৰমুখ্যে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। ছাত্ৰ নেতাজনৰ মৃত্যুত বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী, চামগুৰি সমষ্টিৰ বিধায়ক দিপ্‌-ৰঞ্জন শৰ্মা কলিয়াবৰ জিলা বিজেপিৰ সভাপতি বাবুল বৰা, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি নিতু মুদৈ, কলিয়াবৰ জিলা বিজেপিৰ যুৱ মৰ্চাৰ সভাপতি লক্ষ্মীৰঞ্জন কাকতিয়ে গভীৰ শোঁক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। প্ৰাক্তন ছাত্ৰ নেতা ৰণ্টু শৰ্মাই মৃত্যুৰ সময়ত উচ্চ ৰক্তচাপত আক্ৰান্ত শৰ্য্যাগত ৰুগীয়া মাতৃ, তিনিগৰাকী ককায়েক-বৌয়েক, পাঁচটাকৈ ভতিজা, বায়েক-ভিনিহিয়েক, দুজনী ভাগিনসহ বংশ-কুটুম, আত্মীয়-স্বজনক ইহসংসাৰত এৰি থৈ যায়। ৰণ্টু শৰ্মাৰ মৃত্যুত বৃহত্তৰ পুৰণিগুদাম অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

# পবিত্ৰ প্ৰাণ ডেকাক দৰং জিলা কৃষক মৰ্চাৰ সভাপতি নিযুক্তি

**অসম বাৰ্তা, দেওমৰনৈ, ৯ অক্টোবৰ ঃ** ভাৰতীয় জনতা পাৰ্টি, কৃষক মৰ্চাৰ অসম প্ৰদেশৰ সন্মানীয় সভাপতি শ্ৰীযুত পংকজ বৰবৰা ডাঙৰীয়াৰ অনুমোদন মৰ্মে শ্ৰীপবিত্ৰ প্ৰাণ ডেকাক ভাৰতীয় জনতা পাৰ্টি, কৃষক মৰ্চাৰ দৰং জিলাৰ সভাপতি হিচাপে তৎকালীনভাৱে বলবৎ হোৱাকৈ নিযুক্তি প্ৰদান কৰা হ'ল। দায়িত্বৰ আনুষ্ঠানিক পত্ৰ লাভ কৰাৰ পাছতে দৰং জিলা ভাৰতীয় জনতা পাৰ্টীৰ সভাপতি মুকুন্দ ডেকাকেই ধৰি দলৰ সকলো জিলাৰ বিষয়ববীয়া আৰু কৰ্মকৰ্তাই অভিনন্দন জনায় ডেকাক। লগতে ভাৰতীয় জনতা পাৰ্টীৰ নীতি আদৰ্শত সদায় একনিষ্ঠ হিচাপে কাম কৰি যোৱাৰ মন।

# জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্ত আৰু ন্যায়ৰ দাবীত গোৱালপাৰাত কংগ্ৰেছ কৰ্মীৰ মমবাতি সমদল



**অসম বাৰ্তা, গোৱালপাৰা, ৯ অক্টোবৰ ঃ** প্ৰয়াত সংগীতশিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ উচিত তদন্ত আৰু ন্যায়িৰ দাবীত আজি গোৱালপাৰা জিলা কংগ্ৰেছ, যুৱ কংগ্ৰেছ, মহিলা কংগ্ৰেছ আৰু এন.এছ.ইউ.আই লগতে ছাত্ৰ সমাজৰ উদ্যোগত এক বৃহৎ মমবাতিশিখা সমাবেশ আয়োজন কৰা হয়। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনৰ উপস্থিতিত সহস্ৰাধিক কংগ্ৰেছ কৰ্মী আৰু স্থানীয় লোকে হাতে হাতে মমবাতিশিখা লৈ ৰাজপথত নামি জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় দিয়ক আৰু উচিত তদন্ত কৰক আদিৰ দৰে শ্লোগানেৰে সমগ্ৰ ৰাজপথ কঁপাই তোলে। সাংসদ ৰকিবুল হুছেইনে সংবাদমাধ্যমৰ আগত মন্তব্য কৰি কয়, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায়িক তদন্তৰ প্ৰক্ৰিয়াটো অন্য দিশলৈ নিবলৈ চেষ্টা কৰিছে। তেওঁৰ মতে, এই ঘটনাত কেৱল দুজন নহয়, বহু কেইজন ব্যক্তি সুপৰিকল্পিতভাৱে জড়িত আছে। যিসকলে এতিয়া তদন্তৰ গতি বিভ্ৰান্ত কৰিবলৈ বিভিন্ন প্ৰচেষ্টা অব্যাহত ৰাখিছে, সেইবোৰ আমি দৃঢ়ভাৱে বিৰোধিতা কৰিছোঁ। সাংসদ গৰাকীয়ে লগতে কয়, "যিসকল ব্যক্তি এই হত্যাকাণ্ডৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত, তেওঁলোকক কঠোৰতম শাস্তি দিব লাগে।" লগতে তেওঁ কয় যে, আজিৰ সমাবেশইপ্ৰমাণ কৰিছে যে সমাজখনক বিভক্ত কৰিবলৈ যিসকলে চেষ্টা কৰিছে, সেই সকলো শক্তিৰ বিৰুদ্ধে জনগণ আজি একত্ৰিত হৈছে। জুবিন গাৰ্গৰ মৃত্যুৱে সকলো অসমবাসীক একত্ৰিত কৰিছে বুলি মন্তব্য কৰে ধুবুৰী সাংসদ ৰকিবুল হুছেইনে।

# কবি, উপন্যাসিকা মালা বুঢ়াগোহাঞি ফুকনৰ দেহাৱসান

## কেবিনেট মন্ত্ৰী যোগেন মহনসহ বিভিন্ন ব্যক্তি, দল-সংগঠনৰ শোক প্ৰকাশ

**অসম বাৰ্তা, চেপন, ৯ অক্টোবৰ ঃ** ৰাজ্যখনৰ এগৰাকী প্ৰবীন কবি, উপন্যাসিকা, লোক সংস্কৃতিৰ মধুকৰ, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডামচাও হেম বুঢ়াগোহাঞিৰ জ্যেষ্ঠা ভগ্নী তথা চেপন মহাবিদ্যালয় আৰু চেপন জাতীয় বিদ্যাপীঠৰ ন্যাস পৰিচালক, আধুনিক চেপনৰ নিৰ্মাতা মৃদুল ফুকনৰ মাতৃ মালা বুঢ়াগোহাঞি ফুকন আৰু নাই। বাৰ্ধক্যজনিক ৰোগত আক্ৰান্ত হৈ বিগত প্ৰায় এটা পযেক ধৰি ডিব্ৰুগড়ৰ এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা উপন্যাসিকা গৰাকীয়ে যোৱা নিশা ১১-৫০ বজাত জীৱন মায়াৰ বান্ধোন চিঙি চিৰদিনলৈ নিয়তিৰ কোলাত শুই পৰে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল প্ৰায় ৯২ বছৰ। উল্লেখ্য যে ১৯৩৪ চনৰ ১৫ মেত উজনি অসৰ শিৱসাগৰ জিলাৰ বুৰঞ্জীয়ে পৰশা বকতা পুনিবিল গোহাঁই গাঁৱৰ কৃষক গোপীনাথ বুঢ়াগোহাঁইৰ ঔৰসত আৰু ফুলেশ্বৰী বুঢ়াগোহাঁঞিৰ গৰ্ভত জন্মলাভ কৰা মালা বুঢ়াগোহাঞি ফুকনে স্থানীয় প্ৰাথমিক বিদ্যালতে আনুষ্ঠানিক শিক্ষা জীৱন আৰম্ভ কৰিছিল। ১৯৬৮ চনত স্থানীয় ৰূকাং গাঁৱৰ নিবাসী লেপেশ্বৰ ফুকনৰ সৈতে সাংসাৰিক জীৱন আৰম্ভ কৰা মালা বুঢ়াগোহাঞি ফুকনে যাঠি দশকৰ আৰম্ভণিৰ পৰা তেওঁৰ ভাতৃ, লোক সংস্কৃতিৰ গৱেষক, বুৰঞ্জীবিদ হেম বুঢ়াগোহাঞিৰ অনুপ্ৰেৰণাত গ্ৰন্থ আৰু সাহিত্যৰ বিশাল জগতখনত ভুমুকি মাৰিছিল। 'গভীৰ নিৰ্জনতা আৰু বেদনাদয়াক নিঃসংগতাৰ মুখামুখি হ'লেই হাতত প্ৰিয় গ্ৰন্থ তুলি লোৱা' মালা বুঢ়াগোহাঞি ফুকনৰ কাপ-মৈলামত নিগৰিছিল বহুসংখ্যক সুখপাঠ্য ৰচনা। তাৰ ভিতৰত অন্যতম আছিল 'ৰাধিকাৰ আত্মকথা', 'প্ৰেম, কল্পনা, অনুভৱ ইত্যাদি', 'কিনো মায়াৰে বান্ধিলি'। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, কথাশিল্পী ইমৰাণ শ্বাহৰ ভাষাত 'মালা ফুকনৰ ৰচনাসমূহ যথেষ্ট সুখপাঠ্য। শ্ৰীযুতা ফুকনে আৰু যেন লিখি যায়। তেখেতৰ বহুত কথা ক'বলৈ আছে'। সদা হাস্যমুখী, অত্যন্ত দৃঢ় আৰু শক্তিশালীমনৰ অধিকাৰী মালা বুঢ়াগোহাঞি ফুকনে বৃহত্তৰ ৰূকাং লাইপ্লেং অঞ্চলৰ এগৰাকী আদৰ্শৱান মাতৃ হিচাপেও নিজৰ পৰিচয় তুলি ধৰিবলৈ সক্ষম হৈছিল। জীৱনৰ মধুৰতম সময়খিনিত অকালতে স্বামীক হেৰুৱাৰ পাছতো নিজৰ মনোবল অটুট ৰাখি দুই পুত্ৰ, তিনিগৰাকী কন্যা সন্তানক বুকুত সাৱতি জীৱনৰ ৰথ আগুৱাই নিয়া মালা বুঢ়াগোহাঞি ফুকনে পুত্ৰ-কন্যা সকলোকে সমাজৰ লেখৰ মানুহ হিচাবে গঢ়ি থৈ গ'ল। কালি নিশা তেখেতৰ পৰলোকগমণৰ বাতৰি স্থানীয় ৰূকাং, লাইপ্লেং, বকতা পুনিবিল আৰু তেওঁৰ অন্যতম প্ৰিয় চহৰ 'চেপন' (য'ত তেওঁ জীৱনৰ শেষৰ প্ৰায় তিনিটা দশক অতিবাহিত কৰিছিল)ত বিয়পি পৰাৰ লগে লগে গভীৰ শোক ছাঁ পৰাৰ লগতে তেখেতক অন্তিম শ্ৰদ্ধা জনাবলৈ অগণন গুণমুগ্ধই তেখেত চেপনস্থিত বাসগৃহত ভিৰ কৰেহি। আজি পুৱা তেখেতৰ বাসগৃহৰ চোতালত আয়োজিত বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত চেপন আঞ্চলিক ব্যৱসায়ী সন্থা, চেপন কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, চেপন ক্ৰীড়া সন্থা, চেপন ৰাজহুৱা নামঘৰ পৰিচালনা সমিতি, পূৰ্বাঞ্চল তাই সাহিত্য সভা, আপকু কেন্দ্ৰীয় সমিতি, টিফুক বৰনামঘৰ পৰিচালনা সমিতি, চেপন আঞ্চলিক ছাত্ৰ সন্থা, বকতা-খালৈঘোগুৱা সংস্কৃতি আৰু জনকল্যাণ সমিতি. সদৌ টাই আহোম ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, টাই আহোম যুৱ পৰিষদ চেপন আঞ্চলিক সমিতি, চেপন উচ্চ মাধ্যমিক বিদ্যালয়, চেপন ভোজপুৰী সমাজ, চেপন মাড়ৱাৰী সমাজ, শ্ৰীশ্ৰীলক্ষ্মীনাৰায়ন ঠাকুৰবাৰী পৰিচালনা সমিতি, ১/২নং হলগুৰি যুৱ সমাজ, টিফুক নৱজ্যোতি যুৱ সংঘ, চেপন বজাৰ ই-ৰিক্সা সন্থা, দিৰৈঘাট মুছলিম যুৱ সমাজ, চেপন যুৱক সমাজ, চেপন জামে মছজিদ পৰিচালনা সমিতি, পাটসাঁকো কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনী, বকতা পাৰিজাত পূৰ্বজ্যোতি সংঘ, অসম চাহ জনজাতি ছাত্ৰ সন্থা চেপন উপ-শাখা, চেপন কেন্দ্ৰীয় কৰম সন্মিলন উদ্‌যাপন সমিতিকে প্ৰমুখ্য কৰি প্ৰায় দুকুৰি ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান আৰু জাতীয় দল সংগঠনে প্ৰয়াত উপন্যাসিকা গৰাকীৰ নশ্বৰ দেহত পুষ্পাঞ্জলি অৰ্পণ কৰি তেখেতৰ প্ৰতি অন্তিম শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে মালা বুঢ়াগোহাঞিৰ পাৰ্থিৱ শৰীৰ তেখেতৰ মানসপুত্ৰস্বৰূপ দুই শৈক্ষিক প্ৰতিষ্ঠান ক্ৰমে চেপন জাতীয় বিদ্যাপীঠ আৰু চেপন মহাবিদ্যালয়ৰ বাকৰিলৈ নিয়া হয়। দুয়োটা শিক্ষানুষ্ঠানৰ পৰিচালনা সমিতি, শিক্ষক-কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক সমাজে পৃথকে বিশিষ্ট উপন্যাসিকা গৰাকীলৈ শেষ শ্ৰদ্ধা নিবেদন কৰে। দুপৰীয়া চেপনৰ সমীপৰ ৰূকাংস্থিত তেখেতৰ স্বামীগৃহত টাই আহোমৰ পৰম্পৰাগত মৈদাম প্ৰথাৰে শেষকৃত্য সম্পন্ন কৰা হয়। শেষকৃত্য অনুষ্ঠানত মাহমৰা সমষ্টিৰ বিধায়ক তথা অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী যোগেন মহন, সোণাৰি আৰু ডিমৌ সমষ্টিৰ বিধায়কদ্বয় ক্ৰমে ধৰ্মেশ্বৰ কোঁৱৰ, সুশান্ত বৰগোহাঁই, প্ৰাক্তন ছাত্ৰ নেতা কুশল দত্ত, যুৱনেতা হৰেন গগৈ, সূৰুজ দিহিঙীয়া, পূৰ্বাঞ্চল তাই সভাৰ সভাপতি অতুল ফুকন, সংগীত শিল্পী নীল আকাশ দাস, কুসুম কৈলাসসহ বহুসংখ্যক গণ্য-মান্য ব্যক্তিয়ে ভাগ লয়। আনহাতে প্ৰবীন উপন্যাসিকাগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই চেপন আঞ্চলিক ব্যৱসায়ী সন্থাই চেপন বজাৰৰ সমূহ ব্যৱসায়িক প্ৰতিষ্ঠান দিনটোৰ বাবে বন্ধ ৰাখে।

# ড° ভূপেন হাজৰিকা জন্ম-শতবৰ্ষৰ দ্বিতীয় কাৰ্যসূচী পশ্চিম যোৰহাটৰ ম'হবন্ধাত সম্পন্ন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৯ অক্টোবৰ ঃ** ড° ভূপেন হাজৰিকা জন্ম-শতবৰ্ষ পশ্চিম যোৰহাট অঞ্চল ভিত্তিত বছৰজোৰাকৈ পালনৰ পৰিকল্পনাৰে প্ৰথম কাৰ্যসূচী শিল্পীজনাৰ জন্মদিন ৮ ছেপ্টেম্বৰত আৰম্ভণি কৰাৰ পাছতে দ্বিতীয় কাৰ্যসূচী ৮ অক্টোবৰত পিএমশ্ৰী ম'হবন্ধা চাহ বাগিচা উচ্চ মাধ্যমিক বিদ্যালয়ত পালন কৰা হয়। প্ৰথমে শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সন্মুখত বন্তি প্ৰজ্বলন কৰাৰ লগতে পুষ্পাঞ্জলি অৰ্পণ কৰি সমিতিৰ সদস্যাসকলৰ লগতে উপস্থিত থকা সকলে 'মায়াবিনী ৰাতিৰ বুকুত...' সমস্বৰে পৰিৱেশন কৰে। তাৰপাছতে ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সমিতিৰ সভাপতি সেবিন বৰা আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিকাশজ্যোতি বৰুৱাই মাল্য অৰ্পণ কৰোঁতে বিদ্যালয়খনৰ ছাত্ৰ প্ৰাঞ্জল দাস, জয়সিং ৰুহিদাসে গুৰুঘাত পৰিৱেশন কৰে আৰু সমিতিৰ সদস্যাসকলৰ লগতে উপস্থিত থকা সকলে সমস্বৰে 'মানুহে মানুহৰ বাবে...' পৰিৱেশন কৰে। সমিতিৰ প্ৰধান সম্পাদক প্ৰভাত দত্তই আঁতধৰা, সম্পাদক অবন গোস্বামীয়ে উদ্দেশ্য ব্যাখ্যা কৰা, বিদ্যালয়খনৰ প্ৰধান শিক্ষক বিকাশজ্যোতি বৰুৱাই আদৰণী ভাষণৰ লগতে বিদ্যালয়খনৰ ইতিবৃত্ত আৰু ড'ৰ ভৱেন্দ্ৰনাথ শইকীয়াৰ কৰ্মময় জীৱন, সমাজলৈ আগবঢ়াই থৈ যোৱা অৱদানৰ সম্পৰ্কত ব্যাখ্যা কৰা সভাত ছাত্ৰ প্ৰাঞ্জল দাস, জয়সিং ৰুহিদাসে বৰগীত পৰিৱেশন কৰে। ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে ছাত্ৰী প্ৰিয়া নাথ, দেৱী গোৱালা, প্ৰাঞ্জল দাস, বিদ্যালয়খনৰ শিক্ষয়িত্ৰী পৰশমণি লয়িং, মুনমী বৰা, শিক্ষক দুলাল চন্দ্ৰ নাথ, সমিতিৰ সদস্যা পদ্মা দত্ত, অল্পনা বৰা, সদস্য প্ৰভাত তামুলীয়ে। বাদ্য-যন্ত্ৰ সংগত কৰে অৰ্কিড অংশু গোস্বামী, ৰুহিত হাতীবৰুৱাই। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, শিক্ষাৰ্থী, অভিভাৱক, শুভাকাংক্ষীৰ লগতে সমিতিৰ উপ-সভাপতি প্ৰবীণ কলিতা, তথ্য প্ৰচাৰ সম্পাদক ৰমেন শইকীয়া, সদস্য ৰবীন চন্দ্ৰ ভুঞা, ৰমেশ বৰা, ৰঞ্জন বৰুৱা, ঋষিৰাজ দত্তৰ লগতে ১৫ গৰাকী শিল্পী সদস্যা আৰু শুভাকাংক্ষীসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য, সমিতিখনে ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষ বৰ্ষজোৰাকৈ প্ৰতি মাহৰ ৮ তাৰিখে ভ্ৰাম্যমাণ ভিত্তিত অঞ্চলটোৰ একোখন বিদ্যালয় অথবা অনুষ্ঠানত কাৰ্যসূচী ৰূপায়ণৰ লগতে শিল্পীজনাৰ স্মৃতি সজীৱ কৰি ৰখাৰ উদ্দেশ্যে ১০০ বছৰৰো অধিক দিন জীৱিত থকা ১০০টা গছপুলি ৰোপণ, গীত-নৃত্য, কথা-কবিতা পৰিৱেশনৰ বাবে ১০০ গৰাকী শিল্পীক সুবিধা প্ৰদান, ওলগ-অভিনন্দন, সম্বৰ্ধনা প্ৰদানৰ উপৰি অন্যান্য কাৰ্যসূচী ৰূপায়ণ কৰিব। ২০২৬ চনৰ ৮ ছেপ্টেম্বৰত সামৰণী অনুষ্ঠান অনুষ্ঠিত কৰাৰ লগতে বৰ্ষটোত ৰূপায়ণ কৰা সকলো কাৰ্যসূচীৰ আলোকচিত্ৰসহ প্ৰতিবেদন সেই বৰ্ষৰে ৮ অক্টোবৰত প্ৰকাশ কৰি অংশগ্ৰহণকাৰীসকলৰ লগতে জিলাখনৰ শিক্ষানুষ্ঠান, অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠান, পুথিভঁৰাল, যুৱক সংঘৰ উপৰি সংৰক্ষণৰ বাবে প্ৰয়োজনীয় স্থানত প্ৰদান কৰিব।

# ডিব্ৰুগড়ত লক্ষ্মীনন্দন বৰগোহাঞিৰ ভ্ৰমণ কাহিনী আৰু তথ্যৰ 'পাহাৰ আৰু উপত্যকা' উন্মোচন

**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ অক্টোবৰ ঃ** প্ৰকৃতিয়ে হিয়া উজাৰি সৌন্দৰ্যৰ পোহাৰ মেলি ৰাখিছে উত্তৰ-পূৰ ভাৰতত। ভ্ৰমণকাৰীয়ে উপভোগ কৰিব বিচৰা আৱিস্কৃত-অনাবিষ্কৃত প্ৰাকৃতিক শোভা উত্তৰ-পূৰ ভাৰতত অন্তহীন। এতিয়া বহু ভ্ৰমণপিপাসু মানুহৰ চকু এই শোভাত। এই শোভাৰাজীৰ মাজত যোৱা দুটা দশকত সময় পালেই অনুসন্ধিৎসাৰে ঘূৰি ফুৰা ভ্ৰমণকাৰী, লেখক তথা ডি ডি আৰ কলেজৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপক লক্ষ্মীনন্দন বৰগোহাঞিয়ে লিখি উলিয়াইছে উত্তৰ-পূৰ ভাৰতৰ কেইখনমান ঠাই ভ্ৰমণৰ মনোৰম কাহিনী আৰু উত্তৰ-পুব ভাৰতৰ ভ্ৰমণৰ আকৰ্ষণীয় স্থানসমূহৰ তথ্যৰে 'পাহাৰ আৰু উপত্যকা' শীৰ্ষক এখন গ্ৰন্থ। 'বনলতা'ৰ বিপনী সংলগ্ন ডিব্ৰুগড়স্থ মুখ্য কাৰ্যালয়ত লেখকে গতানুগতিক উন্মোচনী অনুষ্ঠানতকৈ পৃথক ধৰণে নিজে আৰু পত্নী ঔপন্যাসিক জুৰী বৰা বৰগোহাঞিৰ সৈতে বনলতা পৰিয়ালৰ সদস্যসকলৰ মাজত উন্মোচন কৰে গ্ৰন্থখন। 'বনলতা'ই প্ৰকাশ কৰা 'পাহাৰ আৰু উপত্যকা'ত সচৰাচৰ ভ্ৰমণ কাহিনীয়ে স্পৰ্শ নকৰা উত্তৰ-পূৰ ভাৰতৰ কেইখনমান আকৰ্ষণীয় ঠাইক লৈ লিখা ভ্ৰমণ কাহিনীকহে লেখকে বিশেষভাৱে গুৰুত্ব দিছে। বিশেষকৈ 'পাহাৰ আৰু উপত্যকা'ত আছে ভাৰতত বেলিয়ে প্ৰথম স্পৰ্শ কৰা ডংভেলী, ভাৰতৰ প্ৰথমখন গাঁও কাহো, নৰমুণ্ড চিকাৰৰ ইতিহাসেৰে ভৰা পাহাৰ টিৰাপৰ খুন্‌চা, আপাটনীসকলৰ আবাসভূমি জিৰো উপত্যকা, উত্তৰ-পূব ভাৰতৰ ভিতৰতে সহজ ট্ৰেকিঙৰ বাবে জনপ্ৰিয় ঝুক' উপত্যকা, অৰুণাচলৰ পাহাৰীয়া চহৰ লংদিং আদি ঠাইৰ ভ্ৰমণ কাহিনী। তদুপৰি গ্ৰন্থখনত লেখকে অন্তৰ্ভুক্ত কৰিছে পূজাৰ সময়ত ভ্ৰমণৰ বাবে উত্তৰ-পূৰৰ কেইখনমান ঠাইৰ চমু বৰ্ণনা, পৰ্যটনৰ বিপুল সম্ভাৱেৰে পৰিপূৰ্ণ অসম-অৰুণাচলৰ পূব প্ৰান্তৰ কিছু ঠাইৰ বৰ্ণনা, ডিব্ৰুগড়ৰ পৰা অৰুণাচল প্ৰদেশ আৰু নাগালেণ্ডৰ কেইখনমান মনোমোহা ঠাইলৈ দূৰত্ব আৰু সময়, আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটৰ পৰা স্থানীয় প্ৰেক্ষাপটলৈ অসমৰ কিছু দৰ্শনীয় স্থান, উত্তৰ-পূৰ ভাৰতৰ অন্য কিছু আকৰ্ষণীয় স্থান, উত্তৰ-পূৰ ভাৰতৰ দৰ্শনীয় স্থানসমূহলৈ কেনেকৈ যাব, ক'ত থাকিব ইত্যাদিৰ প্ৰয়োজনীয় তথ্যৰ লগতে ভালেসংখ্যক আকৰ্ষণীয় ফটো। কাশ্মীৰ ভ্ৰমণক লৈ আমাৰ বহুতৰে মনত এক ভীতিগ্ৰস্ততা আছে। সেয়ে ভ্ৰমণপ্ৰিয় কিছু লোকে ইচ্ছা থাকিলেও কাশ্মীৰ ভ্ৰমণ কৰিবলৈ আগ্ৰহী নহয়। কিন্তু বাস্তৱত কাশ্মীৰৰ ছবিখন ওলোটা। কাশ্মীৰ যেনেকৈ সৌন্দৰ্যৰ আকৰ, তেনেকৈ তাৰ স্থানীয় বাসিন্দা সকলো অতিথিপৰায়ণ, অমায়িক। এনেবোৰ কথাৰ ধাৰণা দিবলৈ 'আতিথ্যয় মানুহৰ ভূমি কাশ্মীৰত' ভ্ৰমণ কাহিনীত 'পাহাৰ আৰু উপত্যকা'ত সংলগ্ন কৰা হৈছে। উত্তৰ-পূৰ ভাৰতত ভ্ৰমণক লৈ সজাগ হোৱা সকলো ব্যক্তিৰ বাবে 'পাহাৰ আৰু উপত্যকা' তথ্যসমৃদ্ধ হাতপুথি হ'ব বুলি প্ৰকাশক প্ৰদ্যুৎ হাজৰিকাই মত প্ৰকাশ কৰে।

# শিৱসাগৰত অ-সংক্ৰামক ৰোগৰ তিনিদিনীয়া স্বাস্থ্য শিবিৰ

**অসম বাৰ্তা, জাঁজী, ৯ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ আৰক্ষী চাউনি প্ৰেক্ষাগৃহত অ-সংক্ৰামক ৰোগৰ ৬ তাৰিখৰ পৰা ৮ তাৰিখলৈ তিনিদিনীয়া স্বাস্থ্য শিবিৰ অনুষ্ঠিত কৰা হয়। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন আৰু শিৱসাগৰ জিলা আৰক্ষী উদ্যোগত, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছন, অসমৰ সহযোগত এই স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। এই স্বাস্থ্য শিবিৰত উপস্থিত থাকে বৰ্তমানৰ শিৱসাগৰ জিলা আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰুৱা, উপ আৰক্ষী অধীক্ষক লিপিকা বৰুৱা। স্বাস্থ্য শিবিৰত সেৱা আগবঢ়াই অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ শিৱসাগৰ জিলা সমন্বয়ক হিলাত্ৰী বৰুৱা, দন্ত বিশেষজ্ঞ ডাঃ কৃষ্ণা কোঁৱৰ, নিমিষা বৰুৱা, ৰশ্মি গগৈ। শিৱসাগৰ জিলাৰ বিভিন্ন স্থান আৰু প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ সমূহত গৈ কেঞ্চাৰ আৰু অ-সংক্ৰামক ৰোগৰ প্ৰাথমিক লক্ষণ সমূহ পৰীক্ষা কৰা এই ফাউণ্ডেশ্যনৰ মূল উদ্দেশ্যে। এই স্বাস্থ্য শিবিৰত ৩৫৫জন ব্যক্তিৰ স্বাস্থ্য পৰীক্ষা কৰা লগতে সমল ব্যক্তি কেইজনে শিবিৰত উপস্থিত থকা ব্যক্তিসকলৰ প্ৰতি বিভিন্ন পৰামৰ্শ আগবঢ়াই।

# আমগুৰী লতিবাৰী মণ্ডল সমল কেন্দ্ৰত পোষণ মাহ উদ্‌যাপন

**অসম বাৰ্তা, অভয়াপুৰী, ৯ অক্টোবৰ ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম শিক্ষাখণ্ডৰ অন্তৰ্গত আমগুৰি লতিবাৰী মণ্ডল সমল কেন্দ্ৰৰ লতিবাৰী আমগুৰী প্ৰাথমিক বিদ্যালয়ত পোষণ মাহ উদ্‌যাপন কৰা হয়। এই পোষণ মাহ ভাৰত চৰকাৰৰ মহিলা আৰু শিশুকল্যাণ মন্ত্ৰালয়ে ১৭ ছেপ্তেম্বৰ পৰা ১৬ অক্টোবৰ ২০২৫ লৈ চলা "মিছন পোষণ ২.০" ৰ অধীনত দেশব্যাপী ৰূপত আয়োজন কৰি হৈছে। এই বৰ্ষৰ পোষণ মাহ ২০২৫ ৰ মুখ্য উদ্দেশ্যসমূহৰ ভিতৰত চেনি আৰু তেলৰ ব্যৱহাৰ হ্ৰাস কৰি স্থুলতা নিয়ন্ত্ৰণ কৰা, "ভ'কেল ফৰ লোকেল"ৰ জৰিয়তে গাঁও আৰু ভিতৰুৱা অঞ্চলত অৰ্থনৈতিক শক্তিকৰণ আৰু আত্মনিৰ্ভৰতা সৃষ্টি কৰা, শৈশৱকালীন যত্ন আৰু শিক্ষা, "পোষণ আৰু শিক্ষা", বিভিন্ন বিভাগৰ সন্মিলীত কাৰ্যকলাপ আৰু ডিজিটেল উদ্যোগ, শিশু পুষ্টি অনুশীলন আৰু পুৰুষৰ অংশগ্ৰহণ তথা সজাগতা বৃদ্ধি কৰা। বঙাইগাঁও জিলা মিছন সমন্বয়ক নিৰ্মালী বৰুৱাৰ তত্ত্বাৱধানত স্থানীয় বিদ্যালয়সমূহৰ সহযোগিতাত আমগুৰী লতিবাৰী মণ্ডল সমল কেন্দ্ৰৰ অন্তৰ্গত লতিবাৰী আমগুৰী প্ৰাথমিক বিদ্যালয় আৰু স্থানীয় অংগনাবাদী কেন্দ্ৰৰ সহযোগত বিভিন্ন ধৰণৰ সচেতনতামূলক কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। কাৰ্যসূচীত শিশুসকলৰ বাবে পুষ্টি সম্পৰ্কীয় আলোচনা, বিভিন্ন প্ৰতিযোগিতা, যোগাভ্যাস, আৰু স্বাস্থ্য সম্পৰ্কীয় আলোচনা অনুষ্ঠিত হয়। একাংশ পিতৃ-মাতৃৰ, অভিভাৱক, অংগনাবাদী কৰ্মী সহায়িকা আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতিত আজি এক সভাও অনুষ্ঠিত হয়। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে আমগুৰী লতিবাৰি মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক ড° ছিৰখাত হুছেইন। সভাত উপস্থিত থাকি ড° ছিৰখাত হুছেইনে শিশুৰ পুষ্টি, কম তেলৰ আহাৰ প্ৰস্তুতি, স্থূলতা নিয়ন্ত্ৰণ আৰু হাত ধোৱাৰ কৌশলকে ধৰি স্বাস্থ্য নিৰীক্ষণৰ বিষয়ে দিশ-নিৰ্দেশনা দিয়ে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত "চুগাৰ ব'ৰ্ড" আৰু "অয়েল ব'ৰ্ড" প্ৰদৰ্শন কৰা হয়, য'ত সাধাৰণ খাদ্যত থকা চেনি আৰু তেলৰ পৰিমাণ, চেনি আৰু তেলৰ অতিব্যৱহাৰৰ বিপদ, জাংক ফুড আৰু কোল্ড ড্ৰিঙ্কছৰ ক্ষতিকাৰক দিশ, লগতে স্বাস্থ্যকৰ বিকল্প আহাৰৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়।

## সম্পাদকীয়

# জোহো আৰু ভাৰতৰ ছফ্‌টৱেৰৰ ভৱিষ্যত

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সাম্প্ৰতিক এটা সিদ্ধান্তৰ জৰিয়তে ভাৰতৰ প্ৰযুক্তি ক্ষেত্ৰত এটা নতুন অধ্যায়ৰ সূচনা হৈছে। তেওঁ সামাজিক মাধ্যমত ঘোষণা কৰিছে যে, তেওঁ গুগল আৰু মাইক্ৰ'ছফ্টৰ সেৱা ত্যাগ কৰি ভাৰতৰ স্থানীয় ছফ্‌টৱেৰ কোম্পানী জোহো মেইল গ্ৰহণ কৰিছে। এই পদক্ষেপ কেৱল ব্যক্তিগত স্তৰত নহয়, ভাৰতৰ ছফ্‌টৱেৰৰ ভৱিষ্যতৰ দিশত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে গণ্য কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'আত্মনিৰ্ভৰ ভাৰত' আৰু 'স্বদেশী'ৰ আহ্বানৰ সৈতে সংগতি ৰাখি এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। জোহো গ্ৰহণৰ সুবিধাসমূহ অপৰিসীম। প্ৰথমতে, ই অৰ্থনৈতিক বিকাশৰ পথ প্ৰশস্ত কৰে। চেন্নাইত প্ৰতিষ্ঠিত জোহোৱে ভাৰতীয়ৰ দ্বাৰা নিৰ্মিত এই মঞ্চৰ জৰিয়তে ১০,০০০ৰো অধিক লোকৰ বাবে স্থানীয় চাকৰিৰ সুযোগ সৃষ্টি কৰিছে। শ্ৰীধৰ ভেম্বুৱে উল্লেখ কৰিছে যে, এই প্ৰযুক্তিবিদসকলে বিদেশী কোম্পানীৰ লোভ ত্যাগ কৰি ভাৰতত কাম কৰি আছে, যি ২০ বছৰৰো অধিক সময়ৰ পৰিশ্ৰমৰ ফল। দ্বিতীয়তে, তথ্যৰ নিৰাপত্তা আৰু গোপনীয়তাৰ ক্ষেত্ৰত জোহোৰ সুবিধা উল্লেখযোগ্য। বিদেশী প্লেটফৰ্ম যেনে গুগল বা মাইক্ৰ'ছফ্টৰ ক্ষেত্ৰত তথ্য পৰ্যৱেক্ষণৰ আশংকা থাকে, কিন্তু জোহোৱে তথ্য চেন্নাই, মুম্বাই, দিল্লী আৰু ওড়িশ্বাৰ স্থানীয় তথ্য কেন্দ্ৰত সংৰক্ষণ কৰে। ইয়াৰ ফলত তথ্যৰ স্থানান্তৰণৰ গতি বৃদ্ধি পায় আৰু গোপনীয়তা নীতিৰ অধীনত এনক্ৰিপশ্যনৰ মাধ্যমেৰে নিৰাপত্তা নিশ্চিত কৰা হয়। তৃতীয়তে, খৰচৰ দিশত জোহো বিদেশী প্লেটফৰ্মৰ তুলনাত প্ৰায় ৩০% সস্তা, যি ক্ষুদ্ৰ আৰু মধ্যম ব্যৱসায়ৰ বাবে অত্যন্ত উপযোগী। জোহো ৱৰ্কপ্লেচৰ ছফ্‌টৱেৰে নথি-পত্ৰ, স্প্ৰেডশ্বীট, প্ৰেজেণ্টেচনৰ লগতে যোগাযোগ, প্ৰকল্প পৰিচালনা আৰু মানৱ সম্পদ সমাধান একত্ৰিত কৰি ব্যৱসায়িক দক্ষতা বৃদ্ধি কৰে। চতুৰ্থতে, উদ্ভাৱনৰ ক্ষেত্ৰত জোহোৰ অৰাট্টাই (চেটিং অ্যাপ) আৰু উল্লা (ব্ৰাউজাৰ)ৰ দৰে প্ৰডাক্টে হোৱাটছএপ বা ক্ৰ'মৰ পৰিৱৰ্তে স্থানীয় বিকল্প প্ৰদান কৰিছে। উদাহৰণস্বৰূপে, অৰাট্টাইৰ ডাউনলোড সংখ্যা এসপ্তাহৰ ভিতৰত ৩,০০০ৰ পৰা ৩,৫০,০০০লৈ বৃদ্ধি পাইছে, যি চৰকাৰী সমৰ্থনৰ ফল। এই সুবিধাসমূহে ভাৰতীয় ছফ্‌টৱেৰ শিল্পক বিশ্বৰ শীৰ্ষস্থানীয় প্লেটফৰ্ম হিচাপে প্ৰতিষ্ঠাৰ পথ প্ৰশস্ত কৰিছে। কিন্তু এই গুৰুত্বপূৰ্ণ পদক্ষেপৰ সৈতে সাধাৰণ মানুহৰ মনত কেইবাটাও প্ৰশ্নৰ সৃষ্টি হৈছে। প্ৰথমতে, জোহোৰ তথ্য নিৰাপত্তা আৰু নিৰ্ভৰযোগ্যতাৰ বিষয়ে সন্দেহৰ সৃষ্টি হৈছে। গুগলৰ দৰে বিশ্ববিখ্যাত প্লেটফৰ্মৰ বহু বছৰৰ অভিজ্ঞতাৰ তুলনাত জোহোৰ তথ্য সুৰক্ষা কিমান শক্তিশালী? দ্বিতীয়তে, চৰকাৰে এটা নিৰ্দিষ্ট কোম্পানীক প্ৰচাৰ কৰাৰ পৰিপ্ৰেক্ষিতত ফ্ৰেচৱৰ্কছৰ দৰে অন্য ভাৰতীয় কোম্পানীৰ সৈতে পক্ষপাতিত্বৰ প্ৰশ্ন উত্থাপিত হৈছে। এই পক্ষপাতিত্বৰ অভিযোগে নিৰপেক্ষতাৰ বিষয়ে সংশয়ৰ সৃষ্টি কৰিছে। তৃতীয়তে, পুৰণি ইমেইল আৰু ফাইলসমূহ জোহোলৈ স্থানান্তৰ কৰাটো কিমান সহজ? ক্ষুদ্ৰ ব্যৱসায়ী বা শিক্ষাৰ্থীৰ দৰে সাধাৰণ ব্যৱহাৰকাৰীৰ বাবে এই প্ৰক্ৰিয়া জটিল হ'ব পাৰে। চতুৰ্থতে, চৰকাৰী কাৰ্যালয়ত জোহোৰ একত্ৰীকৰণৰ প্ৰক্ৰিয়া কিমান সহজ হ'ব? পূৰ্বৰ চিষ্টেমৰ সৈতে সংযোগ স্থাপনৰ ক্ষেত্ৰত কি প্ৰত্যাহ্বান আহিব পাৰে? এই প্ৰশ্নসমূহে সাধাৰণ মানুহৰ মনত সংশয়ৰ সৃষ্টি কৰিছে, যি স্বদেশী প্ৰচাৰৰ পথত প্ৰত্যাহ্বান হৈ উঠিছে। এই প্ৰশ্নসমূহৰ সমাধানৰ বাবে জোহো আৰু চৰকাৰে স্বচ্ছতা আৰু প্ৰশিক্ষণৰ জৰিয়তে কাম কৰিব লাগিব।

*প্ৰতিদিনে অগণন বীজাণু-অনুপ্ৰৱেশকাৰী যেনে ভাইৰাছ, বেক্টেৰিয়া আদি এই নিৰাপত্তা ব্যৱস্থাৰ চকুত ধূলি মাৰি আমাৰ শৰীৰত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰি আছে। সদা জাগ্ৰত অতি পাকৈত এই ব্যৱস্থাই অনুপ্ৰৱেশৰ প্ৰায়বোৰ প্ৰচেষ্টাকেই ব্যৰ্থ কৰে। এই ব্যৱস্থাৰ অবিহনে আমি হয়তো এটা দিনো বাচি নাথাকিম। অতি আচৰিত কথাটো হ'ল এই ব্যৱস্থাটোৱে অতি দক্ষতাৰে আমাৰ শৰীৰৰ নিজা কোষ আৰু আত্ৰমণকাৰী বীজাণুৰ কোষৰ মাজত পাৰ্থক্য তৎক্ষণাত ধৰা পেলাব পাৰে।*


# মানৱ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ গভীৰ ৰহস্য ভেদ

## ২০২৫ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নবেল বঁটা

**সঞ্জীৱ দেউৰী**

আমাৰ শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা (immune system) এক অতি উচ্চ প্ৰযুক্তিৰে নিৰ্মিত সুৰক্ষা ব্যৱস্থাৰ দৰে। এই ব্যৱস্থা গঢ় লৈ উঠিছে হাজাৰ-হাজাৰ বছৰৰ বিৱৰ্তনৰ ফলশ্ৰুতিত। প্ৰতিদিনে অগণন বীজাণু-অনুপ্ৰৱেশকাৰী যেনে ভাইৰাছ, বেক্টেৰিয়া আদি এই নিৰাপত্তা ব্যৱস্থাৰ চকুত ধূলি মাৰি আমাৰ শৰীৰত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰি আছে। সদা জাগ্ৰত অতি পাকৈত এই ব্যৱস্থাই অনুপ্ৰৱেশৰ প্ৰায়বোৰ প্ৰচেষ্টাকেই ব্যৰ্থ কৰে। এই ব্যৱস্থাৰ অবিহনে আমি হয়তো এটা দিনো বাচি নাথাকিম। অতি আচৰিত কথাটো হ'ল এই ব্যৱস্থাটোৱে অতি দক্ষতাৰে আমাৰ শৰীৰৰ নিজা কোষ আৰু আক্ৰমণকাৰী বীজাণুৰ কোষৰ মাজত পাৰ্থক্য তৎক্ষণাত ধৰা পেলাব পাৰে। আনকথাত এই ব্যৱস্থাটোৱে শত্ৰু-মিত্ৰ চিনি উলিওৱাত কেতিয়াও ভুল নকৰে (যিটো আমি প্ৰায়েই কৰি থাকোঁ!)। অণুপ্ৰৱেশকাৰী কোষবোৰো অতি চালাক, বিভিন্ন বেশ-ভূষাৰে সাজি আহিব পাৰে-কেতিয়াবা দেখাত আমাৰ শৰীৰৰ আপোন কোষবোৰৰ বেশ ধৰি আহিব পাৰে-নিৰাপত্তাৰক্ষীৰ সাজ পিন্ধি বা চিকিৎসক-নাৰ্চৰ সাজ পিন্ধি প্ৰৱেশ কৰা অপৰাধীৰ দৰে। কিন্তু আমাৰ ৰোগ প্ৰতিৰোধ ক্ষমতাই এশ শতাংশ নিৰ্ভুল ভাবে চিনাক্ত কৰিব পাৰে কোনবোৰ আমাৰ শত্ৰু-কোষ আৰু কোনবোৰ নিজৰ কোষ। এবাৰ ধৰা পেলোৱাৰ পাছত এই কোষবোৰক ব্যৱস্থাটোৱে কেতিয়াও নাপাহৰে। আক্ৰমণকাৰী অণুজীৱবোৰক ৰোগ প্ৰতিৰোধী ব্যৱস্থাৰ স্মৃতিত ধৰি ৰাখে কিছুমান বিশেষ ধৰণৰ কোষে যাৰ নাম T-কোষ আৰু B-কোষ। প্ৰায় এক শতিকাৰো অধিক কাল জুৰি বিজ্ঞানীসকলক বিমোৰত পেলোৱা প্ৰশ্নটো আছিল- এই সুৰক্ষা ব্যৱস্থাটোৱে কেনেকৈ জানে কাক প্ৰৱেশ কৰিব দিব লাগে আৰু কাক বাধা প্ৰদান কৰিব লাগে? আমাৰ শৰীৰৰ প্ৰতিৰোধ ব্যৱস্থাই আমাৰ নিজৰ কোষবোৰক সচৰাচৰ আক্ৰমণ নকৰে কিয়? আনকথাত আমি স্বক্ষম ৰোগ (auto-immune disease)ৰ দ্বাৰা আক্ৰান্ত নহওঁ কিয়? কিহে বাধা প্ৰদাণ কৰে? সৌভাগ্যক্ৰমে ইয়াৰ উত্তৰ পোৱা গ'ল ২০২৫ চনৰ শৰীৰবিজ্ঞান বা চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা বিজয়ী বিজ্ঞানীত্ৰয় মেৰী ব্ৰুংক', ফ্ৰেড ৰেমছডেল আৰু শ্বিমন ছাকাগুচিৰ সুদীৰ্ঘকাল জুৰি কৰা গৱেষণাত। বিজ্ঞানী শ্বিমন ছাকাগুচিৰ গৱেষণাত ধৰা পৰিল যে ৰোগ প্ৰতিৰোধ ব্যৱস্থাৰ অতি দক্ষ নিৰাপত্তাৰক্ষীবোৰ হ'ল কিছুমান বিশেষ ধৰণৰ T-কোষ যিবোৰে আমাৰ নিজৰ শৰীৰক আক্ৰমণ কৰাত বাধা দিয়ে। এই বিশেষ T-কোষবোৰৰ নাম থোৱা হ'ল 'নিয়ন্ত্ৰণকাৰী T-কোষ (Tregs)'। এইবোৰৰ অস্তিত্বৰ সবল ভিত্তি আগবঢ়ালে বিজ্ঞানীদ্বয় মেৰী ব্ৰুংক' আৰু ফ্ৰেড ৰেমছডেলএ।

আমাৰ শৰীৰত কেবাপ্ৰকাৰৰ T-কোষ আছে। এক শ্ৰেণীৰ T-কোষ হ'ল 'সহায়ক T-কোষ (helper T-cell)' যিয়ে শৰীৰত অহৰহ টহল দি থাকে। কোনো আক্ৰমণাত্মক অণুজীৱ প্ৰবেশ কৰা গম পালে এই বোৰে আন T-কোষক লগে লগে সতৰ্ক কৰি দিয়ে, যিয়ে অনুপ্ৰৱেশকাৰীকোষবোৰক শীঘ্ৰে আক্ৰমণ কৰে। অইন এক শ্ৰেণীৰ কোষ হ'ল 'নাশক T-কোষ (killer T-cell)' যিয়ে ভাইৰাছ বা অন্যান্য ৰোগ সৃষ্টিকাৰী জীৱাণুৰ দ্বাৰা সংক্ৰমিত কোষক নিৰ্মূল কৰে। এইবোৰে আমাৰ শৰীৰৰ বিভিন্ন অংশত সৃষ্টি হোৱা টিউমাৰৰ কোষবোৰকো আক্ৰমণ কৰিব পাৰে। T-কোষবোৰৰ পৃষ্ঠত কিছুমান বিশেষধৰণৰ 'গ্ৰাহক (receptor)' প্ৰ'টিন থাকে যাৰ দ্বাৰা ই শত্ৰু-কোষ বা আপোন-কোষ চিনাক্ত কৰিব পাৰে। T-কোষবোৰ সংখ্যাত ইমান বেছি আৰু গ্ৰাহক প্ৰ'টিনবোৰ ইমান বিচিত্ৰ যে এইবোৰে শৰীৰত প্ৰৱেশৰ চেষ্টা কৰা যিকোনো বীজাণুৰ কোষ চিনাক্ত কৰিব পাৰে, আনকি একেবাৰে নতুন Covid-19 বা তেনেকুৱা এটা ভাইৰাচ ও। আমাৰ শৰীৰত থাইমাছ(Thymus) বুলি এটা গ্ৰন্থি আছে। ইয়াতেই T-কোষবোৰ পৈণত হয়। যেন এই থাইমাছ গ্ৰন্থিয়েই হ'ল T-কোষবোৰৰ প্ৰশিক্ষণ কেন্দ্ৰ। ইয়াতেই T-কোষবোৰে এটা পৰীক্ষা দিব লগা হয়। কোনোবা T-কোষে যদি তাৰ গ্ৰাহক প্ৰ'টিনেৰে শৰীৰৰ নিজা কোষৰ লগত সংলগ্ন হয় তেন্তে সেই কোষটোৱে পৰীক্ষাত বিফল হোৱা বুলি ধৰা হয় আৰু তেনে কোষ বোৰক শৰীৰৰ পৰা




বিতাৰিত কৰা হয়। এই ব্যৱস্থাটোৰ বিজ্ঞানীসকলে নাম ৰাখিছিল 'কেন্দ্ৰীয় সহণশীলতা (central tolerance)'। বিংশ শতিকাৰ আশীৰ দশক পৰ্যন্ত বিজ্ঞানীসকলে এই ব্যৱস্থাটোৰ দ্বাৰাই আমাৰ ৰোগ প্ৰতিৰোধ ক্ষমতাই আপোন কোষবোৰক আক্ৰমণ নকৰাকৈ থাকে বুলি ধৰি লৈছিল। অৰ্থাৎ এই 'কেন্দ্ৰীয় সহশীলতা' ব্যৱস্থাটোৰ দ্বাৰাই আমি স্বক্ষম ৰোগ (auto-immune disease) ৰ পৰা ৰক্ষা পৰি থাকোঁ বুলি ভবা হৈছিল। কিন্তু বিজ্ঞানীসকল ইয়াতেই বৈ নাথাকিল- আৰু গভীৰলৈ গ'ল। তেওঁলোকে প্ৰশ্ন কৰিলে যে এনেকুৱা T-কোষওটো থাকিব পাৰে যিবোৰে পৰীক্ষা নিদিয়াকৈয়ে সাৰি আছে- সেই বিলাকক কোনে নিয়ন্ত্ৰণ কৰে? তেতিয়াই কিছুমান বিজ্ঞানীয়ে এবিধ নতুন ধৰণৰ T-কোষৰ কথা ক'লে যিয়ে পৰীক্ষা নিদিয়াকৈ সাৰি থকা কোষবোৰক দমন কৰে। নাম থোৱা হ'ল দমনকাৰী T-কোষ (suppressor T-cell)। কিন্তু এনে T-কোষৰ অস্তিত্ব সম্পৰ্কে কোনো প্ৰমাণ পোৱা নগ'ল, বৰঞ্চ কিছুসংখ্যক গৱেষকে এনে কোষ নথকাৰ প্ৰমাণ হে আগবঢ়ালে। গতিকে ততালিকে এই তত্ত্ব পৰিহাৰ কৰা হ'ল। আৰু ইমানতে এই গৱেষণা ক্ষেত্ৰখনেই স্তব্ধ হৈ পৰিল। কিন্তু এগৰাকী বিজ্ঞানীয়ে সোঁতৰ বিপৰীতে খোজ দিলে। সোঁতত ভাহি গৈ গভীৰ সত্য উন্মোচন কৰাৰ নজিৰ ইতিহাসত বিৰল। জাপানৰ নগোয়াত থকা আইচি কৰ্কট ৰোগ গৱেষণা প্ৰতিষ্ঠানৰ বিজ্ঞানী শ্বিমন ছাকাগুচিয়ে নিগানিৰ থাইমাছ গ্ৰন্থিত T-কোষৰ ভূমিকা আৰু স্বক্ষম ৰোগ (auto-immune disease) সম্পৰ্কে কেবা লানিও পৰীক্ষা চলালে। তেওঁৰ দশক জোৰা অহৰহ গৱেষণাৰ অন্তত আটাইতকৈ সঠিক উত্তৰটো পোৱা গ'ল যে আমাক স্বক্ষম ৰোগ (auto-immune disease) ৰ পৰা ৰক্ষা কৰি থকা প্ৰকৃত নিৰাপত্তাৰক্ষী হ'ল কিছুমান বিশেষধৰণৰ T-কোষ যাৰ নাম 'নিয়ন্ত্ৰণকাৰী T-কোষ (Tregs)'।

নিয়ন্ত্ৰণকাৰী T-কোষবোৰে শত্ৰু কোষবোৰৰ লগত প্ৰত্যক্ষভাৱে যুঁজত নানামে; বৰঞ্চ বাকী ৰণোন্মাদ T-কোষবোৰক নিয়ন্ত্ৰণহে কৰে। যেতিয়া স্বাভাৱিক T-কোষবোৰ শত্ৰুৰ উপস্থিতিত উত্তেজিত হ'বলৈ আৰম্ভ কৰে— নিয়ন্ত্ৰণকাৰী T-কোষবোৰে এক বিশেষ ৰাসায়নিক সংকেত এৰি দিয়ে যিয়ে ৰণোন্মাদ T-কোষবোৰক ঠাণ্ডা কৰে। বিজ্ঞানী শ্বিমন ছাকাগুচি য়ে The Journal of Immunology ত ১৯৯৫ চনত 'নিয়ন্ত্ৰণকাৰী T-কোষ' ৰ বিষয়ে প্ৰথম গৱেষণা পত্ৰ প্ৰকাশ কৰে। কিন্তু বহু বিজ্ঞানী ইয়াৰ অস্তিত্ব সম্বন্ধে সন্দিহান আছিল, তেওঁলোকে আৰু অধিক প্ৰমাণ বিচাৰিছিল। নিয়ন্ত্ৰণকাৰী T-কোষৰ অস্তিত্বৰ সবল ভিত্তি আহিল বিজ্ঞানীদ্বয় মেৰী ব্ৰুংক' আৰু ফ্ৰেড ৰেমছডেলৰ গৱেষণাৰ পৰা। য়ো এক দীঘল কাহিনী। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত পৰমাণুবোমা বনোৱা মানহাটান প্ৰকল্পৰ অংশ হিচাপে কিছুমান বিজ্ঞানীয়ে এন্দুৰৰ ওপৰত বিকিৰণৰ প্ৰভাৱ সম্পৰ্কে গৱেষণা কৰিছিল টেনেচি প্ৰদেশৰ অ'ক ৰিজত থকা গৱেষণাগাৰত। ইয়াত জন্ম পোৱা কিছুমান এন্দুৰৰ চালখন চকলা-চকল উৱলি যোৱা ধৰণৰ আছিল, প্লীহা(spleen)ৰ আকাৰ ডাঙৰ আছিল আৰু আয়ুস আছিল কেই সপ্তাহ মানৰহে। বিজ্ঞানীসকলে এই প্ৰজাতিটোক 'স্কাৰফি' এন্দুৰ বুলি কৈছিল। তেওঁলোকে লক্ষ্য কৰিলে যে এই সমস্যাটো X-ক্ৰম'জমৰ এটা বিসংগতি থকা জিনৰ পৰা আহিছে, কিন্তু সেই সময়ত কোনেও এই ত্ৰুটি থকা জিনটো সঠিকভাৱে বিচাৰি উলিয়াব পৰা নাছিল। কাৰণ সেই সময়ৰ জিনীয় প্ৰযুক্তি তেনেই চালুকীয়া আছিল। বহু বছৰ পিছত নব্বৈৰ দশকত আমেৰিকাৰ এটা জৈৱ প্ৰযুক্তি কোম্পানীত কাম কৰা মেৰী ব্ৰাংক' আৰু ফ্ৰেড ৰেমছডেলে এই ৰহস্য সমাধানৰ বাবে আগবাঢ়ি আহিছিল। বিজ্ঞানীদ্বয়ে আশা কৰিছিল যে যদি তেওঁলোকে স্কাৰফি এন্দুৰত থকা ত্ৰুটিপূৰ্ণ জিনটো বিচাৰি পায়, তেন্তে ই হয়তো স্বক্ষম ৰোগ (auto-immune disease)ৰ বিষয়ে অতি গুৰুত্বপূৰ্ণ সত্য এটা উন্মোচন কৰি দিব। ই আছিল এক বৃহৎ প্ৰত্যাহ্বান: এন্দুৰৰ X- ক্ৰম'জমটো ইমানেই দীঘল যে সেই ত্ৰুটিপূৰ্ণ জিনটো বিচাৰি উলিওৱাটো আছিল ১৭০ মিলিয়ন শব্দ থকা বৃহৎ আকাৰৰ কিতাপ এখনত এটা টাইপৰ ভুল বিচাৰি থকাৰ দৰেই। বছৰ বছৰ ধৰি কৰা গৱেষণাৰ অন্তত অপৰাধী জিনটো তেওঁলোকে বিচাৰি পালে —যাৰ নাম তেওঁলোকে Foxp3 ৰাখিলে। ইয়াৰ লগতে ব্ৰুংক' আৰু ৰেমছডেলে অইন এটা গুৰুত্বপূৰ্ণ আৱিষ্কাৰ কৰিলে যে সৰু ল'ৰাক আক্ৰান্ত কৰা IPEX নামৰ বিৰল ৰোগবিধ এই Foxp3 জিনটোৰ উৎপৰিৱৰ্তনৰ ফলতেই হয়। অৰ্থাৎ তেওঁলোকৰ আৱিষ্কাৰে দেখুৱালে যে এই Foxp3 জিনটো ৰোগ প্ৰতিৰোধ ক্ষমতা নিয়ন্ত্ৰণৰ বাবে অতি গুৰুত্বপূৰ্ণ। ইয়াৰ কেইবছৰমানৰ পাছতেই শ্বিমন ছাকাগুচিয়ে প্ৰমাণ কৰি দেখুৱালে যে এই Foxp3 জিনটোৱেই হৈছে মুখ্য পৰিচালক যিয়ে নিয়ন্ত্ৰণকাৰী T-কোষবোৰ (Tregs) তৈয়াৰ কৰে। এই আৱিষ্কাৰে মানৱজাতিলৈ বহু সম্ভাৱনা কঢ়িয়াই আনিছে। নিয়ন্ত্ৰক T-কোষৰ আৱিষ্কাৰৰ জৰিয়তে গৱেষকসকলে লাভ কৰা মৌলিক জ্ঞানে সম্ভাব্য নতুন চিকিৎসা পদ্ধতিৰ বিকাশত প্ৰেৰণা যোগাইছে। আমাৰ শৰীৰত হোৱা টিউমাৰবোৰত এক বৃহৎ সংখ্যক নিয়ন্ত্ৰক T-কোষ গোট খায় আৰু টিউমাৰৰ কোষ নিৰ্মূলকাৰী অইন T-কোষবোৰক নিয়ন্ত্ৰণ কৰে। গতিকে নিয়ন্ত্ৰক T-কোষবোৰ আমাৰ শৰীৰৰ স্বাভাৱিক টিউমাৰ বিৰোধী ব্যৱস্থাটোৰ বিপৰীতে যায়। কৰ্কটৰোগীৰ টিউমাৰত থকা আক্ৰান্তকোষবোৰ Tregs ৰ বাবে সাৰি যায়। সেয়েহে গৱেষকসকলে নিয়ন্ত্ৰক T-কোষৰ এই বেৰখন ভাঙি পেলোৱাৰ উপায় বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছে, যাতে ৰোগ প্ৰতিৰোধ ক্ষমতাই টিউমাৰবোৰত প্ৰৱেশ কৰিব পাৰে। ই কৰ্কটৰোগৰ বিৰুদ্ধে এক সবল প্ৰতিৰোধী ব্যৱস্থাৰ সম্ভাৱনা কঢ়িয়াই আনিছে। আনহাতে স্বক্ষম ৰোগ (auto-immune disease)ৰ গৱেষকসকলে অধিক নিয়ন্ত্ৰণকাৰী T-কোষ গঠনত সহায় কৰাৰ চেষ্টা কৰিছে। যেনে ধৰক মানৱ শৰীৰত বৃক্ক, যকৃত আদি অংগ সংস্থাপন কৰিলে, স্ব-প্ৰতিৰোধী ব্যৱস্থা সক্ৰিয় হৈ উঠিব পাৰে। এনেকুৱা অংগ সংস্থাপিত হোৱা ৰোগীয়ে বহু সাৱধানতা ল'ব লগা হয়। গৱেষকসকলে এনেৰোগীক Interleukin-2 বা IL-2 দি চাইছে। IL-2 এনে এটা ৰাসায়নিক পদাৰ্থ যিয়ে ই আন T-কোষবোৰক জগাই তোলে, সিহঁতৰ সংখ্যা বৃদ্ধি ঘটায় আৰু যুদ্ধৰ বাবে সাজু কৰি তোলে। ই কিছুমান T- কোষক স্মৃতি কোষলৈ ৰূপান্তৰিত কৰাত সহায় কৰে, গতিকে ৰোগ প্ৰতিৰোধ ক্ষমতাই সেই একেটা শত্ৰুক ভৱিষ্যতলৈও মনত ৰাখে। লগতে ই নিয়ন্ত্ৰক T-কোষ (Tregs) সমূহৰো বৃদ্ধি ঘটায় আৰু সুস্থ হৈ থকাত সহায় কৰে। আনকথাত সংস্থাপিত অংগ এটাক শৰীৰে বিনা প্ৰতিবাদে গ্ৰহণ কৰাত Interleukin-2 এ সহায় কৰিব। শেষত ইয়াকেই ক'ব পাৰি যে তেওঁলোকৰ বৈপ্লৱিক আৱিষ্কাৰৰ জৰিয়তে মেৰী ব্ৰুংক', ফ্ৰেড ৰেমছডেল আৰু শ্বিমন ছাকাগুচিয়ে ৰোগ প্ৰতিৰোধ ক্ষমতা কেনেকৈ নিয়ন্ত্ৰণত ৰাখিব পাৰি তাৰ মৌলিক জ্ঞান আমাক প্ৰদান কৰিছে তেওঁলোকৰ অশেষ কষ্ট আৰু ত্যাগৰ জৰিয়তে। তিনিগৰাকী ব্যক্তিয়ে মানৱ জাতিক দিব পৰা সৰ্বোত্তম উপহাৰ ইয়াতকৈ আন কি হ'ব পাৰে।



# সোনকালেই চৰকাৰ সলনি কৰিব লাগিব

**চন্দ্ৰশেখৰ পৰাজুলী**

আচলতে মোৰ লিখনিৰ শীৰ্ষক দেখা পায় বহুতে হয়তো মনে মনে ভালে পাইছে আৰু কিছুমানে বহু আচৰিত হৈ ইয়াত কি বা কথা উল্লেখ কৰিবলৈ বিচাৰিছে বুলি পঢ়িবলৈ আৰম্ভ কৰিছে। সচাঁকৈ বহু বিতৰ্কিত বিষয় এটা লৈ চৰ্চাৰ আৰম্ভণি কৰিবলৈ লৈছোঁ নহয় জানো? চাওক দেশ বা ৰাজ্য এখনৰ চৰকাৰ গঠন কৰিবলৈ আজিৰ সময়ত বিশ্বৰ প্ৰায় প্ৰতিটো দেশতে নিজ দেশৰ জনসাধাৰণক লৈ প্ৰত্যক্ষ বা পৰোক্ষভাৱে ভোট দানৰ বহল প্ৰক্ৰিয়া আৰম্ভ হয়। তাৰ পৰিবৰ্তি সময়ত দেশ বা ৰাজ্য এখনৰ শাসনৰ ভাৰ কিছুমান দল বা ব্যক্তিৰ হাতত দায়িত্ব অৰ্পণ কৰা হয়। গতিকে আমাৰ দেশ বা ৰাজ্যৰো সেই একেধৰণৰে প্ৰক্ৰিয়া। এতিয়া কথা হ'ল জনগণৰ হাতত কবলৈ গ'লে পৰোক্ষভাৱে হ'লেও বহুত ডাঙৰ অধিকাৰ অন্তৰ্নিহিত হৈ আছে। কিন্তু আমাৰ দেশত সামান্য কিছুমান দল- সংগঠনক লৈ ৰাজনীতিৰ গহমা-গহমী চলে বাবে আমাৰ হাতত বিকল্প সীমিত হৈ পৰে নেকি বাৰু? গহীনভাৱে যদি আমি নিজ নিজ ঠাইৰ জনসাধাৰণৰ এক হৈ আলোচনা কৰো তেন্তে তাৰ কিবা বিকল্প দিশ আমি তৈয়াৰ কৰি উলিয়াবলৈ অসামৰ্থ্য নেকি? চাওক যদি চৰকাৰ এটা গঠনৰ প্ৰথম প্ৰক্ৰিয়া যদি আমাক লৈয়েই আৰম্ভণি হয় তেন্তে ইয়াৰ পিছৰ পৰ্যায়ত জনসাধাৰণৰ মতামতৰ অন্তৰ কিয় আহি পৰে। হয় আমি আমাৰ সৰ্বাংগীণ বিকাশ দিশত যাৰ ওপৰত বিশ্বাস ৰাখি শাসনৰ গাদীত বহোৱাও তাৰে কিছু দিন পাৰ হৈ যোৱাৰ পাছতে আমি সেই মানুহবোৰে মিলি সমালোচনা কৰিবলৈ আৰম্ভ কৰোঁ। এনেকৈ আচলতে এটা দলৰ চৰকাৰৰ দিনতে আৰম্ভ কৰিবলৈ লোৱা কেতবোৰ প্ৰকল্প অন্য এক চৰকাৰৰ গঠনৰ লগে লগে সেই আগৰ প্ৰকল্প সমূহ নিৰ্মাণ কাৰ্য স্থগিত হৈ পৰা দেখা যায়। এইটো একেবাৰে সাধাৰণ কথা নহয়নে। কাৰণ প্ৰতিটো ৰাজনৈতিক দল সংগঠন সমূহৰ লক্ষ্য আৰু উদ্দেশ্য বেলেগ বেলেগ হয়। গতিকে চৰকাৰ গঠন কৰিলেই নহ'ব চৰকাৰৰ ওপৰত দেশৰ প্ৰায় প্ৰতিটো জনগণৰ ভৰসা একদম অটুট থাকিব লাগিব। বিকশিত দেশবোৰৰ কথা যদি আমি নিৰীক্ষণ কৰি চাওঁ তেন্তে চৰকাৰ প্ৰতিটো ভাল কামৰ প্ৰতি সকলোৱে মিলি সঁহাৰি জনাই আৰু বেয়া কামৰ প্ৰতি প্ৰতিজন মানুহে অসন্তুষ্টি প্ৰকাশ কৰে। অৰ্থাৎ বিকশিত দেশবোৰত চৰকাৰ আৰু দেশৰ জনসাধাৰণৰ মাজত এক মধুৰ সম্পৰ্ক গঢ় লৈ উঠা দেখা যায়। কিন্তু আমাৰ ইয়াত কেৱল নিজৰ স্বাৰ্থ সিদ্ধিৰ প্ৰতিহে আগ্ৰহী দেশৰ নেতাই হওক বা সাধাৰণ দেশৰ জনতা। গতিকে নিজে গঠন কৰা চৰকাৰ হ'লেও যদি ব্যক্তিগত স্বাৰ্থ সিদ্ধি নহয় তেন্তে প্ৰতিজন ব্যক্তিৰ মুখতে কথা এটাই, এই দল বা চৰকাৰ ভাল নহয় গতিকে সোনকালেই চৰকাৰ সলনি কৰিব লাগিব। এয়া আমাৰ ভাৰতবৰ্ষৰ প্ৰকৃত ৰাজনীতি। গতিকে অকল আমাৰ ইয়াৰ ৰাজনীতি কৰাসকলে একমাত্ৰ বেয়া নহয় মুঠতে আমি প্ৰায় সংখ্যক দেশৰ জনতায়ে বহু মিছলীয়া আৰু স্বাৰ্থপৰ।

# সৃষ্টিৰ খনিকৰ শিল্পী জুবিন গাৰ্গ

**নিবেদিতা হাজৰিকা**

হিয়াৰ আমঠু শিল্পী জুবিন গাৰ্গ প্ৰতিজন অসমীয়াৰ হিয়াৰ আপোন আৰু গৌৰৱৰ প্ৰতীক। সংগীতৰ যাদুকৰ (Music magician), 'অসমৰ আত্মাৰ কণ্ঠ' পৰিচিত এই গৰাকী মহান শিল্পীৰ হাতত প্ৰতিটো গীতেই মূৰ্ত হৈ উঠিছিল, হৈ পৰিছিল অনন্য। তেখেত আছিল সৃষ্টিৰ প্ৰতীক। বহুমুখী সৃষ্টিৰ অধিকাৰী এইজন শিল্পীৰ প্ৰতিভা বিস্ময়কৰ। কালজয়ী সুৰৰ জালেৰে সকলোকে মোহিত কৰা শিল্পী গৰাকীৰ সংগীতৰ পথাৰখনত যি দখল আছিল, যি প্ৰভাৱ বিস্তাৰ কৰিছিল সি আছিল বিস্ময়কৰ। জনপ্ৰিয়তাৰ তুংগত আৰোহণ কৰা শিল্পী গৰাকী যে কেৱল এজন বিখ্যাত গায়কেই আছিল তেনে নহয়, তেখেত আছিল একাধাৰে এজন সফল সংগীত পৰিচালক, গীতিকাৰ, সুৰকাৰ, চলচ্চিত্ৰ নিৰ্মাতা, চলচ্চিত্ৰ অভিনেতা, চিত্ৰনাট্যকাৰ। সংগীতৰ ক্ষেত্ৰখনত তেখেতৰ দখল আছিল বিস্তৃত। কণ্ঠৰ যাদুৰে সকলোকে মোহাচ্ছন্ন কৰি ৰখা এইগৰাকী কিংবদন্তী শিল্পীয়ে অসমীয়া সংগীত জগতত এক নতুন ধাৰা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ গীতৰ গুণমুগ্ধ অসংখ্য। সৃষ্টিৰ মাজেৰে লক্ষ-লক্ষ লোকৰ হৃদয় জিনিবলৈ সক্ষম হৈছিল প্ৰাণৰ শিল্পী জুবিন গাৰ্গ।

'সাংস্কৃতিক আইকণ' এই বিভূষণেৰে বিভূষিত শিল্পী গৰাকী আছিল এক ঈশ্বৰ প্ৰদত্ত সুমধুৰ গীতৰ অধিকাৰী। অতি কম সময়ৰ ভিতৰতে এই মহান শিল্পী গৰাকী অসমৰ প্ৰতিখন ঘৰৰে এক চিনাকি নাম হৈ পৰিছিল আৰু লাহে-লাহে সেই নাম দশোদিশ বিয়পি পৰিছিল। তেখেতৰ কণ্ঠৰ এক অনন্য সুৰ আৰু শক্তি আছিল, যাৰ বাবে তেখেতে লক্ষধিক জনতাৰ হৃদয়ত স্থান লভিবলৈ সক্ষম হৈছিল। এজন শিল্পীৰ বাবে ইয়াতকৈ ডাঙৰ হয়তো এক হ'ব নোৱাৰে।

সকলো সময়তে নতুন সৃষ্টিৰ মাজত মগ্ন হৈ থাকি ভাল পোৱা জুবিন গাৰ্গৰ সৃষ্টিশীলতাৰ আঁৰত আছিল তেখেতৰ অদম্য ইচ্ছা, নতুন সৃষ্টিৰ হেঁপাহ, নিজস্ব প্ৰতিভা তথা সংস্কৃতিৰ প্ৰতি থকা গভীৰ মৰম তথা প্ৰীতি, যিয়ে তেখেতক এজন বহু প্ৰতিভাবান শিল্পী হিচাপে জনতাৰ আগত পৰিচয় কৰাইছিল, গঢ়ি তুলিছিল এজন প্ৰতিভাধৰ হিচাপে। তেখেতৰ সৃষ্টিৰ মূল চালিকা শক্তি আছিল তেখেতৰ নিজৰ অন্তৰৰ প্ৰেৰণা তথা নিজ জাতি-মাটিৰ প্ৰতি থকা প্ৰেম। এই সমূহৰ উপৰিও তেখেতৰ সৃষ্টিৰ আঁৰত আছিল তেখেতৰ ব্যক্তিগত অভিজ্ঞতা, ভাবানুভূতি, দুখ-কষ্ট, আনন্দ। এই সকলোবোৰ তেখেতে গীতৰ মাধ্যমত প্ৰকাশ কৰিছিল। এই সমূহৰ উপৰিও তেখেতৰ সৃষ্টিত অসমৰ জাতীয় আবেগৰ এক গভীৰ প্ৰভাৱ পৰিছিল। শিল্পী গৰাকীৰঅসমীয়া সংস্কৃতিৰ প্ৰতি থকা গভীৰ প্ৰেম আৰু সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ এক অনন্য সংমিশ্ৰণ আছিল তেখেতৰ অপূৰ্ব আৰু অনন্য সৃষ্টিৰাজি। তেখেতৰ গীত সমূহে দৰ্শন, আবেগ আৰু প্ৰতিবাদী মনোভাৱৰ এক বিৰল সংমিশ্ৰণ ঘটাইছিল। উল্লেখ্য যে শিল্পী গৰাকীৰ অনবদ্য সৃষ্টিশীলতাই বিভিন্ন প্ৰজন্মক, ভিন্ন স্তৰৰ লোকক সংগীতৰ মোহেৰে বান্ধি ৰাখিছিল। তেখেতৰ অনন্য প্ৰতিভাধৰ গায়কী বা গায়নশৈলী তথা সুৰৰ প্ৰতি থকা গভীৰ জ্ঞানে সাধাৰণ যেন লগা গীতটোও অপূৰ্ব, সমাদৃত কৰি তুলিছিল। সকলোৰে হৃদয় জিনিবলৈ সক্ষম হোৱা এই বিশেষ প্ৰতিভাধৰ শিল্পী গৰাকীয়ে তেখেতৰ গীত বা সৃষ্টিৰাজিৰ জৰিয়তে ভাৰতীয় সংস্কৃতিৰ বিভিন্ন দিশক স্পৰ্শ কৰি গৈছিল। দুটা দশকৰো অধিক কাল অসমীয়া সংগীত জগতৰ ভঁৰাল চহকী কৰা শিল্পী গৰাকী আছিল মাটিৰ মানুহ। এক যাদুকৰী কণ্ঠৰ অধিকাৰী শিল্পী গৰাকীয়ে নিজ সৃষ্টিশীলতা বা নিজ কৰ্মদক্ষতাৰে বহু কেইটা দশক জুৰি কেৱল অসমৰ ৰাইজকে নহয়, সমগ্ৰ বিশ্বতে খলকনি, আলোড়ন আৰু জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। তেখেতৰ বহু ভাষিক গীত, অসমীয়া ছবিৰ সংগীত, লোকগীত, পপ, ৰক আৰু অন্যান্য সংগীতৰ সংমিশ্ৰণে সংগীত জগতক সমৃদ্ধ কৰিছিল। নিজস্ব সৃষ্টিৰাজিৰে তথা স্বকীয় প্ৰকাশ ভংগীৰে জীৱন্ত কিংবদন্তীলৈ পৰিণত হৈছিল শিল্পী গৰাকী। ৪০ ৰো অধিক ভাষা- উপভাষাত কণ্ঠ নিগৰোৱা এই গৰাকী মহান শিল্পী সঁচাই সৃষ্টিৰ খনিকৰ। তুলনাবিহীন সেই সৃষ্টি। বিভিন্ন সংগীতৰ চানেকি, চলচ্চিত্ৰ আৰু সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে অসমীয়া লোকক সংস্কৃতিৰ সৈতে একাত্ম কৰিবলৈ সক্ষম হোৱা শিল্পী জনেই হৈছে সৃষ্টিৰ খনিকৰ জুবিন গাৰ্গ। সীমাৰ পৰিধি অতিক্ৰমী অতুলনীয় সৃষ্টিশীল দক্ষতা তথা প্ৰতিভাৰে অসমীয়া তথা ভাৰতীয় সংগীত জগতৰ এক ভোটা তৰা তথা জনপ্ৰিয় শিল্পী হিচাপে তেখেতে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হৈছিল।

নিজস্ব দক্ষতাৰে সংগীতৰ জগত খনত নিজৰ স্থান আৰু পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হোৱা বহু প্ৰতিভাৰ আকৰ স্বৰূপ শিল্পী জুবিন গাৰ্গ ভাৰতৰ উত্তৰ পূৰ্বাঞ্চলৰ এক শক্তিশালী সাংস্কৃতিক প্ৰতীক, যিয়ে সৃষ্টিৰ মাধ্যমেৰে স্থানীয় তথা জাতীয় পৰ্যায়তো জগত জিনি এক নতুন পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। সুন্দৰ -সুন্দৰ সৃষ্টিৰাজিৰ জৰিয়তে অসমীয়া সংস্কৃতিৰ ভঁৰাল চহকী কৰিবলৈ সক্ষম হোৱা সৃষ্টিৰ খনিকৰ, সংগীতৰ কাৰিকৰ, প্ৰাণৰ শিল্পী গৰাকী সকলোৰে হৃদয়ত সজীৱ হৈ আছে আৰু আগলৈও থাকিব।

# জুবিন গাৰ্গক লৈ ৰাজনীতি নকৰিব

**মুন শৰ্মা**

বৰ্তমান সমগ্ৰ অসমবাসীৰ মন বোৰ বিষাদৰ কলীয়া ডাৱৰে আৱৰা কাৰণ প্ৰাণৰ শিল্পী, আমাৰ মৰমৰ জুবিন গাৰ্গ আমাৰ মাজত নাই। কিছু দিনৰ পৰা তদন্ত চলি আছে আৰু আমি গম পোৱা নাই আজিও সেইদিনা ছিংগাপুৰত প্ৰকৃততে হৈছিল কি! যদি কাৰোবাৰ চক্ৰান্ত বলি হ'ল জুবিন গাৰ্গ তেন্তে দোষীয়ে উচিত শাস্তি লাভ কৰা খণ্ডত অপেক্ষাত জ্বলি আছে প্ৰতিজন অসমীয়া মন মগজু, ঠিক এই বেয়া সময় খিনিতে শুনিবলৈ পাইছোঁ জুবিন গাৰ্গক লৈ একাংশই কৰিছে ৰাজনীতি। যিটো আজি সময়ত অসমীয়াক দুখৰ মাজত আৰু অধিক দুখদিছে যেন অনুভৱ কৰিছো। সঁচা কথা ক'বলৈ গলে জুবিন গাৰ্গ এনে এজন ব্যক্তি যিয়ে জীয়াই থকা সময়ত সদায় আঁতৰি আছিল ৰাজনীতিৰ পৰা, কৰোঁ বুলি কোৱা হেঁতেন নিজৰ খ্যাতিৰ বাবে ৰাজনীতি কৰি নিজক বহুত ডাঙৰ ব্যক্তি ৰূপে প্ৰতিষ্ঠা কৰিব পাৰিলে হেঁতেন তেওঁ, কিন্তু এইটো নকৰি তেওঁ নিজৰ প্ৰতিভাৰ দ্বাৰা, অজস্ৰ কষ্টৰে নিজক তৈয়াৰ কৰি, সদায় ৰাইজৰ কাষত থাকি, অসাধাৰণ মানুহ হৈ ও সাধাৰণ ৰাইজৰ এজন সাধাৰণ মানুহ ৰূপে নিজক ৰাখি ৰাইজৰ সেৱক ৰূপে গোটেই জীৱন থাকি ৰাজনীতিৰ উদ্ধত থাকি নিৰপেক্ষ ভাৱে সামাজিক কাম কৰি জাতীয় সম্পদ হিচাপে মানুহৰ হৃদয়ত থাপনা পাতি গৈছে আৰু যাৰ জীৱন আৰু কৰ্মৰাজি ভৱিষ্যতৰ প্ৰজন্মৰ বাবে এক অন্যান্য প্ৰেৰণা জাতিৰ বাবে এখন দৰকাৰী কিতাপ ৰূপে জিলিকি থাকিব লগা মানুহ তেওঁ। সেয়েহে আমি প্ৰতিজন অসমীয়াৰ অনুৰোধ এনে এজন মহান অসমীয়াক লৈ নিজৰ আৰু দলৰ বাবে ৰাজনীতি নকৰিব, যি কৰি আছে সেয়া বন্ধ কৰা উচিত নহলে আপোনালোকৰ ক্ষমাৰ যোগ্য নহ'ব বৰ্তমান আৰু ভৱিষ্যতলৈ কোন দিন কোনো কাল।

# জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত আৰু ন্যায়ৰ দাবীত কচুৱাত মমশিখা সমদল, সৰ্বধৰ্ম প্ৰাৰ্থনা




**অসম বাৰ্তা, কচুৱা, ৯ অক্টোবৰ ঃ** নগাঁও জিলাৰ কচুৱা তিনিআলি বজাৰত মঙ্গলবাৰে সন্ধিয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতিৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ সামৰণিৰ পিছতেই অঞ্চলটোৰ বিভিন্ন দল-সংগঠনৰ লোকসকলে বন্তি প্ৰজ্বলনত অংশ লয়। তাৰ লগে-লগেই সহস্ৰাধিক লোকে হাতে-হাতে মমবাতি লৈ 'জুবিন হত্যাৰ ন্যায় লাগে, জুবিন দা অমৰ হওক, জুবিনৰ হত্যাকাৰীক ফাঁচী দিয়ক' আদি নানা শ্ল'গানেৰে কচুৱাৰ ৰাজপথ কঁপাই তোলে। কচুৱা তিনিআলি বজাৰৰ দক্ষিণ মূৰৰ পৰা উত্তৰ মূৰত অৱস্থিত জাতীয় বিদ্যালয়ৰ সন্মুখলৈ জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি উলিওৱা মৌন সমদলত সহস্ৰাধিক লোকে অংশ গ্ৰহণ কৰে। সমদলত বিশিষ্ট সমাজসেৱক তথা উদীয়মান সাহিত্যিক উৎপল বণিয়া, নগাঁও জিলা পৰিষদৰ সদস্য আব্দুল জব্বাৰ, কচুৱা তিনিআলি পৰিবহণ শ্ৰমিক সন্থাৰ সভাপতি ছইদুৰ ৰহমান, জৌনটো দেৱনাথ, চৰকাৰী গাঁওবুঢ়া খাইৰুল ইছলাম খান, সমাজসেৱক নূপৰ বৰ্ধন, মুজাহিদ ইছলাম, দুলাল দেৱনাথ, হৰিলাল দেৱনাথ, হীৰেন বৰা, ৰঞ্জিত বৰা, আতাউৰ ৰহমান, আবুল কাছেম, ফৰিদ আহমেদ আদি কৰি বহু গণ্যমান্য লোকে সক্ৰিয় ভূমিকা লয়।

# লংকাত ই-ৰিক্সা চালকৰ যান-জঁটৰ সন্ত্ৰাস

**অসম বাৰ্তা, লংকা, ৯ অক্টোবৰ ঃ** লংকা টাউন ব্যৱসায় বাণিজ্যৰ বাবে এক ব্যস্ততাপূৰ্ণ বজাৰ য'ত প্ৰতিদিনে অসমৰ বিভিন্ন ঠাইৰ পৰা গাড়ী মটৰ, ট্ৰাক লৈ চালক সকল অহাৰ লগতে বৃহত্তৰ হোজাই জিলাৰ সাধাৰণ ৰাইজেও নিজৰ ব্যক্তিগত বাহন লৈ আহে আৰু ই-ৰিস্কা চালক সকলে য'তে ত'তে তেওঁলোকৰ ই ৰিস্কা বিলাক ৰখাই থোৱাৰ ফলত মহা যানজঁটৰ সৃষ্টি হৈ আহিছে। উল্লেখযোগ্য যে ই ৰিস্কা চালক সকলে বিশেষকৈ জন সমাগম পূৰ্ণ ঠাই সমূহ যেনে- L.P ৰোড, নগাঁও-লংকা বাছ আস্থান আদি ঠাইত য'তে ত'তে তেওঁলোকৰ নিজ ইচ্ছামতে আৰু যানজঁট শাখাৰ নিয়ম উলংঘা কৰি ই ৰিস্কা বিলাক ৰখাই থয়। লংকা টাউনৰ ১নং অভাৰ ব্ৰীজ খনৰ কাম কাজ লেহেমীয়া গতিত চলি থকাৰ বাবে ২নং অভাৰ ব্ৰীজৰ ওপৰেদি ডবকা, নগাঁও, লামডিংৰ লগতে ৰাজ্যখনৰ আন আন ঠাইৰ পৰা যাত্ৰীবাহি গাড়ী মটৰৰ লগতে বাণিজ্যিক বাহন সমূহ আহিব লগা হয়। ফলত লংকা-শ্বিলং ৰোডেদি লস্কৰ পথাৰ, কাৰিখানা, ডাবলং, ফৰমাৰপাৰ, কপিলীপাৰ, খেৰনি আদি ভিতৰুৱা অঞ্চলৰ ই ৰিস্কাখিনি আহি উপযুক্ত পাৰ্কিংৰ অভাৱত য'তে ত'তে ই ৰিস্কা বিলাক ৰখাই থ'বলৈ বাধ্য হৈ পৰে। ৰাতিপুৱা আৰু আবেলি সময়ত লংকাৰ বিভিন্ন স্কুল, কলেজৰ ছাত্ৰ-ছাত্ৰী সকলে স্কুলৰ সময়ত অহা যোৱা কৰাৰ ক্ষেত্ৰত যানজঁটৰ সমস্যাৰ সন্মুখীন হ'ব লগা হোৱাৰ উপৰিও বিভিন্ন সময়ত পথ দুৰ্ঘটনাৰ সন্মুখীন হ'ব লগা হৈছে। উক্ত বিষয়ত লংকা আৰক্ষীৰ যানজঁট শাখাৰ আৰক্ষী বিষয়াই বিশেষ পদক্ষেপ গ্ৰহণ নকৰাৰ ফলত বিগত কিছুদিন ধৰি বিভিন্ন সময়ত বহু দুৰ্ঘটনা সংঘটিত হৈ আহিছে। সেয়েহে লংকাৰ স্থানীয় সচেতন ৰাইজে উক্ত যান-জঁটৰ সমস্যা সমাধান কৰি সাধাৰণ ৰাইজৰ গাড়ী ৰখাৰ বাবে পাৰ্কিংৰ ব্যস্ততা কৰি দিয়াৰ লগতে ই ৰিস্কা চালক সকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ হোজাই জিলা প্ৰশাসনৰ লগতে লংকা পৌৰসভাক কাতৰ আহ্বান জনাইছে।

# হাজো লখাইতৰা ৰাজহুৱা শ্মশানত যুৱকৰ মৃতদেহ উদ্ধাৰক লৈ চাঞ্চল্য

**অসম বাৰ্তা, হাজো, ৯ অক্টোবৰ ঃ** হাজো আৰক্ষী থানাৰ অন্তৰ্গত নয়নপুৰস্থিত লখাইতৰা ৰাজহুৱা শ্মশানৰ সমীপত থকা জিৰণি চ'ৰাত আজি দুপৰীয়া প্ৰায় এক বজাত এটা অৰ্ধগলিত মৃতদেহ উদ্ধাৰ হোৱা ঘটনাক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। উল্লেখ্য যে, বিগত চাৰিদিন ধৰি সন্ধানহীন হৈ আছিল হাজো পানীপাৰাৰ ৰাজু দাস (৩১) নামৰ এজন যুৱক। আজি দুপৰীয়া লখাইতৰা ৰাজহুৱা শ্মশানৰ সমীপত এটা মৃতদেহ উদ্ধাৰ হোৱা খবৰ বিয়পি পৰিল লগে লগে আন আন স্থানীয় লোকৰ উপৰিও সন্ধানহীন ৰাজু দাসৰ পৰিয়ালৰ লোকো ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো ৰাজু দাসৰ নিশ্চিত কৰে। মৃতদেহ উদ্ধাৰ হোৱা খবৰ পোৱাৰ লগে লগে ঘটনাস্থলীত হাজো আৰক্ষী উপস্থিত হৈ প্ৰাথমিক অনুসন্ধান আৰম্ভ কৰি মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। সন্ধানহীন ৰাজু দাসৰ মৃত্যু হোৱাৰ খবৰে দুগৰাকী কন্যা সন্তানৰ লগতে পত্নী তথা আত্মীয় শোকত ভাগি পৰে। মৰণোত্তৰ পৰীক্ষাৰ অন্তত হে জানিব পৰা যাব ৰাজু দাসৰ মৃত্যু হোৱাৰ প্ৰকৃত কাৰণ।

**ঈশ্বৰৰ আশীৰ্বাদ থাকিলেহে শিক্ষক হ'ব পাৰে ঃ ৰমাকান্ত দেউৰী**

# মৰিগাঁৱত অৱসৰৰ লগে লগে ১৯ গৰাকী শিক্ষকক পেঞ্চনৰ সুবিধা প্ৰদান

**অসম বাৰ্তা, লাহৰীঘাট, ৯ অক্টোবৰ ঃ** অৱসৰৰ লগে লগে পেঞ্চনৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে মৰিগাঁও জিলা শিক্ষা বিভাগে ৰূপায়ণ কৰি অহা 'নিৰন্তৰ' কাৰ্যসূচীৰ ১৮ সংখ্যক অনুষ্ঠান আজি অনুষ্ঠিত হয়। শিক্ষা বিভাগৰ ঐতিহ্য ভৱনত অনুষ্ঠিত এই অনুষ্ঠানত জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ১৯ গৰাকী শিক্ষকক আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে পেঞ্চনৰ সুবিধা প্ৰদান কৰে। সেই অনুসৰি মাধ্যমিক বিদ্যালয়ৰ ১৩ গৰাকী, উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ৪ গৰাকী আৰু প্ৰাথমিক বিদ্যালয়ৰ ২ গৰাকী সদ্য অৱসৰী শিক্ষকক পেঞ্চনৰ সুবিধাসমূহ যেনে জমা- ছুটী বেতন, বীমা ধন আদি প্ৰদান কৰে। অনুষ্ঠানত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি মৰিগাঁও সমষ্টিৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে শিক্ষা বিভাগৰ এনে আদৰণীয় পদক্ষেপৰ শলাগ লৈ ভাষণ প্ৰদান কৰে। তেওঁ ভাষণত ঈশ্বৰৰ আশীৰ্বাদ থাকিলেহে শিক্ষক হ'ব পাৰি বুলি উল্লেখ কৰি শিক্ষক সকল সদায়ে সমাজৰ সন্মানীয় ব্যক্তি বুলি কয়। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক ডালিম ফুকন, অসম উন্নতি সভাৰ সম্পাদক অতনু শৰ্মা, বিদ্যালয় সমূহৰ উপ-পৰিদৰ্শক সমৰ বৰুৱা প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই অনুষ্ঠানৰ আঁত ধৰা অনুষ্ঠানটোত কেইবাগৰাকীও অৱসৰী শিক্ষকে নিজৰ অনুভৱ ব্যক্ত কৰি বক্তব্য প্ৰদান কৰি বিভাগৰ এনে পদক্ষেপৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত অৱসৰী শিক্ষক সকলৰ উপৰি বিভাগৰ ভালে সংখ্যক বিষয়া-কৰ্মী উপস্থিত থাকে।

# বটদ্ৰৱা বৃহত্তৰ অঞ্চলত বনৰীয়া হাতীৰ তাণ্ডৱ; আতংকিত ৰাইজ



আজি পুৱাৰ ভাগতে বটদ্ৰৱা বৃহত্তৰ অঞ্চলৰ প্ৰায় ২০খনৰো অধিক গাঁৱত একপ্ৰকাৰ তাণ্ডৱৰ সৃষ্টি কৰিছে বনৰীয়া হাতীটোয়ে। বনৰীয়া হাতীটোয়ে কোৱাইকটা, ধনীয়ভেটি, ভোমোৰাগুৰি শান্তিজানপাৰ, বটদ্ৰৱা, বাটমাৰী, হাইডুবি, ৰামপুৰসত্ৰ, চলাপথাত, আদি অঞ্চলত আতংকৰ সৃষ্টি কৰে। পৰৱৰ্তী সময়ত ঘটনাস্থলীত আৰক্ষী আৰু বনবিভাগৰ লোক উপস্থিত হৈ হাতীটোক খেদি খেদি চৰাঞ্চলৰ দিশে লৈ যায়। খাদ্যৰ সন্ধানত এই বনৰীয়া হাতীটো বনাঞ্চল এৰি জনাঞ্চলত প্ৰৱেশ কৰা বুলি ৰাইজে সন্দেহ প্ৰকাশ কৰিছে। উক্ত হাতীৰ আক্ৰমণত মৰিগাঁও জিলাৰ অন্তৰ্গত হাবি বৰঙাবাৰীৰ এগৰাকী মহিলাৰ মৃত্যু হোৱা বুলিও জানিব পৰা গৈছে। ●

# দেশৰ 'ভাইজী সেৱা ৰত্ন' উপাধি লাভ কৰিলে খেৰাজখাত মহাবিদ্যালয়ৰ অধ্যাপক ড° লক্ষ্মী প্ৰকাশ হাজৰিকাই

**অসম বাৰ্তা, বান্দৰদেৱা, ৯ অক্টোবৰ ঃ** যোৱা ইং ২ অক্টোবৰ পৰা ৭ অক্টোবৰৰ ২০২৫ তাৰিখলৈকে হাৰিয়ানাৰ পানীপটত ৰাষ্ট্ৰীয় যুৱ আঁচনিৰ অধীনত সপ্তাহজোৱা এটি প্ৰশিক্ষণ শিবিৰ পানিপটৰ সন্ত নিৰংকাৰী সৎসং ভৱনত অনুষ্ঠিত হৈছিল। উক্ত শিবিৰত ভাৰতবৰ্ষৰ ২৫খন ৰাজ্যৰ পৰা মুঠ ৩০০শৰো অধিক শিবিৰাৰ্থীয়ে অংশ গ্ৰহণ কৰে। ডঃএচ. এন. চুব্বা ৰাওৰ জন্ম ২ অক্টোবৰৰ দিনটোৰ লগত সংহতি ৰাখি এই শিবিৰ অনুষ্ঠিত হয়। লগতে মহাত্মা গান্ধীৰ জন্ম জয়ন্তী উপলক্ষেও শিবিৰত আলোকপাত কৰা হয়। NYP (ৰাষ্ট্ৰীয় যুৱ আঁচনি), GLOBAL YOUTH FESTIVAL, GANDHI GLOBAL FAMILY, আৰু SANT NIRANKARI MISSION ৰ সহযোগত সাতদিনীয়াকৈ শিবিৰৰ বিভিন্ন কাৰ্য্যসূচীৰে প্ৰশিক্ষণটো সামৰণি পৰে। উল্লেখযোগ্য যে অসমৰ পৰা NYP ৰ ১১ জনীয়া এটা দলে উক্ত শিবিৰত অংশ গ্ৰহণ কৰে। দলটিৰ তত্বাৱধায়ক হিচাপে আছিল লখিমপুৰ জিলাৰ বিহপুৰীয়া সমষ্টিৰ অন্তৰ্গত খেৰাজখাত মহাবিদ্যালয়ৰ অধ্যাপক ড° লক্ষ্মী প্ৰকাশ হাজৰিকা। শিবিৰ পৰিচালনা সমিতি তথা National youth project ৰ পৰা তেওঁক এই বৰ্ষৰ "ভাইজী সেৱা ৰত্ন" উপাধি প্ৰদান কৰে। ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাম কাজৰ ওপৰত আলোকপাত কৰি এই সন্মান তেখেতে লাভ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ হৈ একমাত্ৰ ড° লক্ষ্মী প্ৰকাশ হাজৰিকাই এই সন্মান বুটলি অনাৰ বাবে সকলোৰে এতিয়া তেওঁক অভিনন্দন জ্ঞাপন কৰা পৰিলক্ষিত হৈছে।

# ডিব্ৰুগড় জিলা সাহিত্য সভাৰ উদ্যোগত 'জুবিন গাৰ্গ'ৰ সোঁৱৰণত কবিতা প্ৰতিযোগিতাৰ আয়োজন

**অসম বাৰ্তা, নাহৰকটীয়া, ৯ অক্টোবৰ ঃ** অসম সাহিত্য সভাৰ 'কুঁহি উপশমিতি'ৰ উদ্যোগত, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ ব্যৱস্থাপনাত, লেজাই, কোটোহা আৰু কলাখোৱা শাখা সাহিত্য সভাৰ আতিথ্যত আৰু স্থানীয় ৰাইজৰ সহযোগত কুঁহিৰ কেন্দ্ৰীয় অনুষ্ঠানটি এক নৱেম্বৰত লেজাই ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে বুলি জিলাৰ সভাপতি বদন গগৈয়ে জনাইছে। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীৰ সকলৰ মাজত "জুবিন গাৰ্গ সোঁৱৰণী" এখনি কবিতা প্ৰতিযোগিতা আয়োজন কৰিছে। প্ৰতিযোগিতাৰ নিয়মাৱলী হৈছে (১) ক-শাখা ৬ বছৰৰ পৰা ১০ বছৰ। (২) ১১বছৰৰ পৰা ১৪ বছৰ। (৩) কবিতা সমূহ জুবিন গাৰ্গৰ জীৱনৰ ওপৰত আধাৰিত হ'ব লাগিব। কবিতা সমূহ উল্লিখিত যিকোনো এটা ৱাটচ-এপ নম্বৰত ২০ অক্টোবৰৰ ভিতৰত পোৱাকৈ পঠাবলৈ অনুৰোধ জনাইছে। 7002879925/ 9954436609/ 9365384887।

# খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কামাখ্যা ভট্টাচাৰ্যলৈ বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, জাঁজী, ৯ অক্টোবৰ ঃ** খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ২০১৯ চনৰ জানুৱাৰী মাহৰ পৰা ২০২৫ চনৰ ছেপ্টেম্বৰ মাহলৈকে অধ্যক্ষৰ দায়িত্বত থকা কামাখ্যা ভট্টাচাৰ্যক আজি আনুষ্ঠানিক ভাবে বিদ্যালয়ত বিদায় সম্বৰ্ধনা জনোৱা হয়। এই উপলক্ষে বিদ্যালয়ত আজি অনুষ্ঠিত হোৱা এখন সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচানা আৰু উন্নয়ন সমিতিৰ সভাপতি মাণিক গগৈয়ে। লগতে উপস্থিত থাকে, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰূপন চন্দ্ৰ গগৈ, অধ্যক্ষ আনন্দ চন্দ্ৰ বৰা, ৰবীন চন্দ্ৰ হাজৰিকা, প্ৰফুল্ল চন্দ্ৰ শৰ্মা, প্ৰবীন গগৈ আৰু বহু কেইজন গণ্য মান্য ব্যক্তি। আনহাতে অধ্যক্ষ গৰাকীক বিশেষ ভাৱে সম্বৰ্ধনা জনায় বিদ্যালয়ৰ শিক্ষক গোট, ছাত্ৰ একতা সভা, খনামুখ শাখা সাহিত্য সভা, খনামুখ শ্ৰীশ্ৰী শঙ্কৰ দেব কৃষ্টি কলা কেন্দ্ৰ, বিদ্যালয় পৰিচালনা সমিতি, দিখৌমুখ মহাবিদ্যালয়, গৌৰীসাগৰ ইণ্ডাষ্ট্ৰীয়েল ইনষ্টিটিউটৰ অধ্যক্ষ, ঘনকান্ত বৰা চিনিয়'ৰ চেকেগুৰি স্কুল, খনামুখ মজলীয়া বিদ্যালয়, খনামুখৰ আদৰ্শ জাতীয় বিদ্যালয়, শিলপুখুৰি উ: মা বি, ভিতৰুৱাল উ: মা: বিদ্যালয়, খনামুখ হাইস্কুল, ব্যক্তি, আৰু বিভিন্ন অনুষ্ঠানে। অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে দিখৌ মুখ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ৰঞ্জিত কুমাৰ বৰুৱা, দিপালী বৰঠাকুৰ, আনন্দ বৰা, বিদ্যালয়ৰ সমূহ শিক্ষক শিক্ষয়িত্ৰী, কৰ্মচাৰী, আৰু ছাত্ৰ ছাত্ৰী সকল। অনুষ্ঠানত ডঃ ৰঞ্জিত কুমাৰ বৰুৱাই কামাখ্যা ভট্টাচাৰ্যৰ শৈক্ষিক উত্তৰণ ৰ ক্ষেত্ৰত আগবঢ়োৱা অবদান ৰ বিষয়ে আলোকপাত কৰে। ইয়াৰোপৰি অনুষ্ঠানত আবেগিক হৈ কামাখ্যা ভট্টাচাৰ্যই বক্তব্য প্ৰদান কৰে।

# লখিমপুৰত স্মাৰ্টজেন ই. ভি. এণ্ড ছ'লাৰ এজেন্সিৰ শ্ব'ৰোম মুকলি

**অসম বাৰ্তা, লীলাবাৰী, ৯ অক্টোবৰ ঃ** লখিমপুৰবাসীৰ বাবে সু-খবৰ! লখিমপুৰবাসীয়ে ইলেক্ট্ৰিক আৰু ছ'লাৰৰ দ্বাৰা চালিত স্কুটী, ই-ৰিস্কা অতি কম দৰত ক্ৰয় কৰিব পাৰিব। স্মাৰ্টজেন ইলেক্ট্ৰিক ভেৰিকেল এণ্ড ছ'লাৰ এজেন্সিয়ে লখিমপুৰত মুকলি কৰিছে নতুন বিপণী। উল্লেখ্য যে, অতি কম ডাউন পেইমেণ্টত স্কুটী, ই-ৰিস্কা ক্ৰয় কৰিব পাৰিব। উত্তৰ লখিমপুৰ চহৰৰ টাউন বাস্তৌৰ ভাৰত পেট্ৰ'লিয়ামৰ সমীপত ডি. বি. স্মাৰ্টজেন ই. ভি. এণ্ড ছ'লাৰ এজেন্সিৰ শ্ব'ৰোম মুকলি কৰে লখিমপুৰৰ বিধায়ক মানৱ ডেকাই। জিলাখনৰ বিশিষ্ট উদ্যোগী তথা ব্যৱসায়ী অপূৰ্ব কুমাৰ ভূঞাৰ নেতৃত্বত লখিমপুৰত প্ৰথমবাৰৰ বাবে মুকলি কৰা হয়। শ্ব'ৰোম মুকলি অনুষ্ঠানত স্মাৰ্টজেন ই. ভি.ৰ প্ৰতিষ্ঠাপক উদ্যোগী ছৈয়দ আখতাৰ হুছেইন, মুখ্য ব্যৱস্থাপক মৃণাল শৰ্ম্মা, উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগী সন্তোষ বেজবৰুৱা উপস্থিত থাকে।

# জুবিন গাৰ্গৰ ন্যায়ৰ দাবী: মাজুলীতো জিলা কংগ্ৰেছৰ মম শিখা সমদল




**অসম বাৰ্তা, উজনী মাজুলী, ৯ অক্টোবৰ ঃ** জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ন্যায় বিচাৰি প্ৰদেশ কংগ্ৰেছৰ উদ্যোগত মাজুলীতো আজি মম শিখা সমদল বাহিৰ কৰে। মাজুলী জিলা কংগ্ৰেছৰ নেতৃত্বত আজি সন্ধিয়া ৫ বজাত মাজুলীৰ জিলা সদৰ গড়মূৰত মম শিখা সমদলত অংশগ্ৰহণ কৰি তিতাবৰ সমষ্টিৰ কংগ্ৰেছৰ বিধায়ক ভাস্কৰ জ্যোতি বৰুৱাই কয় - জুবিন গাৰ্গৰ দৰে মহান শিল্পীৰ বিয়োগে আমাক জোকাৰি গৈছে। তেওঁৰ মৃত্যুৱে আমাৰ জাতিটোক মৰ্মাহত কৰাই নহয় বহু কথাই শিকাই গৈছে। গতিকে ৰাজনৈতিক দল হ'লেও আমি সকলো জনগণৰ এজন। শিল্পী গৰাকীৰ বাবে আমি ন্যায়হে বিচাৰিছোঁ কোনো ৰাজনৈতিক উদ্দেশ্য ইয়াত নিহিত নাই বুলি উল্লেখ কৰি জুবিনৰ মৃত্যুক লৈ চৰকাৰেও যাতে ৰাজনীতি কৰিব নোৱাৰে সেয়া সকলোৰে চকু দিয়াৰ প্ৰয়োজন আৰু শিল্পী গৰাকীয়ে ন্যায় নোপোৱা পৰ্যন্ত কংগ্ৰেছে ৰাজ্যজুৰি সজোৰে আন্দোলন অব্যাহত ৰাখিব বুলি তেওঁ উল্লেখ কৰে। সমদল কৰি কংগ্ৰেছ কৰ্মী সকলে জুবিন গাৰ্গক ন্যায় দিয়ক, ঘটনাৰ চিবিআইৰ তদন্ত কৰক, জুবিন দা' অমৰ হওক আদি শ্লোগান দি জিলা সদৰ গড়মূৰ পৰিভ্ৰমণ কৰে। মম শিখা সমদলত প্ৰাক্তন মন্ত্ৰী ৰাজীৱ লোচন পেগু, অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সম্পাদক বিষ্ণু কমল পায়েং, জিলা কংগ্ৰেছৰ সভাপতি অমল পূজাৰী, দিনমনি দত্তকে ধৰি জিলা মহিলা কংগ্ৰেছ, ব্লক কংগ্ৰেছৰ নেতা কৰ্মী সকল উপস্থিত থাকে।

# লক্ষ্মীকান্ত দাসক মাজুলী জিলা অনুসূচিত জাতি মৰ্চাৰ সভাপতি নিযুক্তি

**অসম বাৰ্তা, উজনী মাজুলী, ৯ অক্টোবৰ ঃ** মাজুলী জিলাৰ নামনি মাজুলীৰ বৰমুকলি গাঁৱৰ বাসিন্দা, ভাৰতীয় জনতা পাৰ্টিৰ জ্যেষ্ঠ কাৰ্যকৰ্তা লক্ষ্মীকান্ত দাসক মাজুলী জিলা অনুসূচিত জাতি মৰ্চাৰ সভাপতি হিচাপে আজি নিযুক্তি দিয়া হৈছে। ভাৰতীয় জনতা পাৰ্টিৰ অসম প্ৰদেশ সমিতিৰ অনুসূচিত জাতি মৰ্চাৰ ৰাজ্যিক সভাপতি নৱাৰুণ মেধিৰ অনুমোদন ক্ৰমে লক্ষ্মীকান্ত দাসক মাজুলী জিলাৰ অনুসূচিত জাতি সভাপতি হিচাপে নিযুক্তি দিয়া হৈছে। ভাৰতীয় জনতা পাৰ্টিৰ দলীয় নীতি অনুসৰি মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামীয়ে আজি লক্ষ্মীকান্ত দাসক উক্ত পদত নিযুক্তি দি নিযুক্তি পত্ৰ প্ৰদান কৰিছে। লক্ষ্মীকান্ত দাস মাজুলী জিলা ভাৰতীয় জনতা পাৰ্টিৰ জ্যেষ্ঠ কাৰ্যকৰ্তা। ২০১১ চনৰ পৰা দাসে মাজুলীত ভাৰতীয় জনতা পাৰ্টিৰ দল গতিশীল আৰু শক্তিশালী কৰাত দাসে অশেষ বৰঙনি আগবঢ়াই আছে। লক্ষ্মীকান্ত দাস ভাৰতীয় জনতা পাৰ্টিৰ নামনি মণ্ডলৰ সভাপতি পদত দীৰ্ঘদিন ধৰি অধিষ্ঠিত আছিল। তেওঁ নামনি মাজুলীত ভাৰতীয় জনতা পাৰ্টিৰ বুথ শক্তিশালী কৰাতো বিভিন্ন অৰিহনা আগবঢ়াই আছে। লক্ষ্মীকান্ত দাসক মাজুলী জিলা অনুসূচিত জাতি মৰ্চাৰ সভাপতি হিচাপে নিযুক্তি দিয়াত বিভিন্ন ব্যক্তি, দল সংগঠনে তেওঁক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# ভাগৱত ব্যাখ্যাকাৰ অৱসৰপ্ৰাপ্ত শিক্ষক যদুমণি বৰাৰ পৰলোকপ্ৰাপ্তি

**অসম বাৰ্তা, আমগুৰি, ৯ অক্টোবৰ ঃ** উচ্চ ৰক্ত চাপ জনিত ৰোগত আক্ৰান্ত হৈ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন অৱস্থাত দেওবাৰে নিশা ১০: ৩০ বজাত তামূলীছিগা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক তথা ভগামুখ চাৰিঙ্গীয়া গাঁৱৰ ধৰ্মপ্ৰাণ ব্যক্তি, ভাগৱত ব্যাখ্যাকাৰ যদুমণি বৰা ৬২ বছৰ বয়সত পৰলোক প্ৰাপ্তি হয়। সদ্য প্ৰয়াত বৰাই অসম আন্দোলনৰ কালত যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। তেওঁ অসমৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ যোৰহাট জিলাৰ পৰা মূলৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। যোৰহাট জিলাৰ শ্ৰীমন্ত শঙ্কৰদেৱ সংঘৰ ৰমাকান্ত মুক্তিয়াৰ আঞ্চলিক শাখাৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰিছিল প্ৰয়াত বৰাই। উল্লেখযোগ্য যে প্ৰয়াত বৰাই অসমৰ বিভিন্ন স্থানত ভাগৱত ব্যাখ্যাকাৰ আৰু নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিছিল। তেখেতে মৃত্যুৰ সময়ত পত্নী, একমাত্ৰ পুত্ৰ আৰু বহু ইষ্ট কুটুম্ব ইহসংসাৰত এৰি থৈ গৈছে। তেখেতৰ মৃত্যুত সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পৰিছে।

# বৰুৱাআলি মণ্ডলত বিদ্যালয় পৰিচালনা সমিতিৰ প্ৰশিক্ষণ আৰম্ভ

**অসম বাৰ্তা, জাঁজী, ৯ অক্টোবৰ ঃ** শিৱসাগৰ জিলাৰ নাজিৰা শিক্ষাখণ্ডৰ অধীনৰ বৰুৱাআলি মণ্ডলত আজিৰ পৰা বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যাৰ এটি অনাৱাসিক প্ৰশিক্ষণ আৰম্ভ হৈছে। অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগ আৰু সমগ্ৰ শিক্ষাৰ নিৰ্দেশনা অনুযায়ী বলিমৰা কাড়চোৰাস্থিত ৮৯ নং লাদৈগড় বালিকা প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হোৱা এই প্ৰশিক্ষণটি বৰুৱা আলি গাঁও পঞ্চায়তৰ নৱ-নিৰ্বাচিত সভাপতি দিপু চেতিয়া আৰু সমল শিক্ষক নিৰ্মল লাগাচুৰ উপস্থিতিত শুভাৰম্ভ কৰে কৰুণাকান্ত গগৈ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ দুৰ্গেশ্বৰ গগৈয়ে। বৰুৱাআলি মণ্ডলৰ সমন্বয়ক মহেন্দ্ৰ নাথৰ তত্ত্বাৱধানত অনুষ্ঠিত এই গুৰুত্বপূৰ্ণ প্ৰশিক্ষণলানিত মণ্ডলটোৰ অন্তৰ্গত ১০খন প্ৰাথমিক বিদ্যালয়ৰ ৪০জন প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। বিজ্ঞান শিক্ষক হীৰেন কোঁৱৰ পৰামৰ্শদাতা হিচাপে উপস্থিত থকা আজিৰ প্ৰথম দিনৰ কাৰ্যসূচীত সমল ব্যক্তি হিচাপে উপস্থিত থাকে সমন্বয়ক মহেন্দ্ৰ নাথ, শিক্ষক দীপক দাস। এই প্ৰশিক্ষণলানিৰ পৰৱৰ্তী প্ৰশিক্ষণ অহা ১০ আৰু ১৪ অক্টোবৰত অনুষ্ঠিত হ'ব।

**স্মাৰক পত্ৰ প্ৰদান কৰি বৰ্খাস্তৰ দাবী**

# বকোৰ ভাটিপাৰা গাঁৱৰ গাঁও প্ৰধানৰ কু-কীৰ্তি ফাদিল কৰিলে ৰাইজে

**অসম বাৰ্তা, বকো, ৯ অক্টোবৰ ঃ** এগৰাকী চৰকাৰী গাওঁ প্ৰধানৰ বিৰুদ্ধে আজি কামৰূপ জিলাৰ বকোত তিনিখন ৰাজহ গাঁৱৰ ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। বকোৰ ১ নং; ২ নং আৰু ৩ নং ভাটিপাৰা গাঁৱৰ গাওঁ প্ৰধান মজনুৰ হকৰ বিৰুদ্ধে বহু সংখ্যক অসামাজিক কাৰ্য্যকলাপত জড়িত থকা অভিযোগ উত্থাপন কৰি বকো ৰাজহ চক্ৰৰ চক্ৰ বিষয়াৰ হাতত স্মাৰক পত্ৰ প্ৰদান কৰে। ইফালে তিনিখন ৰাইজৰ সভাপতি আৰু সম্পাদকৰ উপৰিও সাধাৰণ ৰাইজে গাঁও প্ৰধান মজনুৰ হকক বৰ্খাস্ত কৰিবলৈ দাবী জনায়। ৰাইজে সাংবাদিক মাতি গাঁও প্ৰধানৰ বিৰুদ্ধে নাৰী কেলেংকাৰীৰ উপৰিও বহু সংখ্যক অসামাজিক কাৰ্য্যকলাপত জড়িত থকা বুলি ঘোষণা কৰে। ইফালে বিষয়টো তিনিওখন ৰাইজে আলোচনা কৰিবলৈ বহু কেইদিন সভা অনুষ্ঠিত কৰে যদিও লম্পদ গাওঁ প্ৰধান মজনুৰ হকে সভাত উপস্থিত নাথাকি ৰাইজক অপমান কৰিছে বুলিও অভিযোগ উত্থাপন কৰে।

# সৃষ্টিৰ উদ্যোগত মাজুলীত বিনামূলীয়া চকু পৰীক্ষা শিবিৰ

**অসম বাৰ্তা, উজনী মাজুলী, ৯ অক্টোবৰ ঃ** মাজুলীৰ অন্যতম স্বেচ্ছাসেৱী সংগঠন সৃষ্টি, এক সমন্বয়ৰ যাত্ৰা, মাজুলীৰ উদ্যোগত যোৰহাট লায়ন্স চকু চিকিৎসালয় ৰ সহযোগত এক বিনামূলীয়া চকু পৰিক্ষা শিবিৰৰ আয়োজন কৰা হৈছে। ভকতিদুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাংগনত ১২ অক্টোবৰ, দেওবাৰে পুৱা ৯ বজাৰ পৰা বিয়লি ১ বজালৈ এই চকু পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰা হ'ব। যোৰহাট লায়ন্স চকু চিকিৎসালয়ৰ জ্যেষ্ঠ চকু চিকিৎসকে ৰোগীৰ চকু পৰীক্ষা কৰাৰ লগতে 'কেটেৰেক্ট অস্ত্ৰোপচাৰ' বিনামূলীয়াকৈ প্ৰদান কৰা হ'ব বুলি 'সৃষ্টি' -এক সমন্বয়ৰ যাত্ৰা, মাজুলী, অসমৰ সম্পাদক ৰঞ্জন মহন্তই জানিবলৈ দিয়ে। ইতিমধ্যে ৰোগী সকলৰ ৰেজিষ্ট্ৰেচন প্ৰক্ৰিয়া চলি আছে আৰু ইচ্ছুক কোনোলোকে আগতীয়াকৈ ৰেজিষ্ট্ৰেচন কৰি বিচাৰিলে ৮৪৭১৮৯৬৫৮০/ ৮৬৩৮২৯৬৮৮৬/ ৯৩৯৪৮৪৩৮৬৫/ ৯১০১০৮৮৮২১ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি সৃষ্টিৰ সম্পাদক গৰাকীয়ে জনাইছে।

# নিজ কপাহেৰাত মহিলাৰ উদ্যোগত জুবিন গাৰ্গৰ স্মৃতিচাৰণ-দিহানামেৰে মুখৰিত আকাশ-বতাহ



**অসম বাৰ্তা, নগাঁও, ৯ অক্টোবৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ পশ্চিম প্ৰান্তৰ ইতিহাস প্ৰসিদ্ধ নিজ কপাহেৰা মেধি ঘৰ নামঘৰ প্ৰাংগনত আজি বিয়লি মহিলাৰ উদ্যোগত অসমৰ হিয়াৰ আমঠু স্বৰূপ অমৃত কণ্ঠ জুবিন গাৰ্গৰ স্মৃতিত স্মৃতিচাৰণ কৰাৰ লগতে দিহানামেৰে বৃহত্তৰ অঞ্চলটোৰ আকাশ - বতাহ মুখৰিত হৈ পৰে। উল্লেখ্য যে জনতাৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত লাতুমণি লাহনে বন্তি প্ৰজ্বলন আৰু তুলু লাহন, লক্ষ্মী বৰা আৰু জয়মতী লাহনে পুষ্পাঞ্জলী অৰ্পণ কৰি কয় যে জনতাৰ শিল্পী জুবিন গাৰ্গক ছিংগাপুৰলৈ নি শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, শ্বেখৰজ্যোতি বাহিনীয়ে পৰিকল্পিতভাৱে যি হত্যাকাণ্ড সংঘটিত কৰিলে উক্ত হত্যাকাণ্ডৰ পানী নসৰকা তদন্ত হ'ব লাগে আৰু হত্যাকাৰীক মৃত্যুদণ্ডৰে দণ্ডিত কৰি ফাঁচি কাঠত ওলমাব লাগে। উপস্থিত মহিলা সকলে জুবিন গাৰ্গ অমৰ হওক, জুবিন গাৰ্গৰ হত্যাকাৰীক ফাঁচি দিয়ক, আদি ধ্বনিৰে মুখৰিত কৰে। ইয়াৰ পিছতে মহিলাসকলে প্ৰতিকূল বতৰকো নেওচি দিহানাম পৰিৱেশনৰে জুবিন গাৰ্গৰ আত্মাৰ সদ্‌গতি কামনা কৰে। অনুষ্ঠানত ববী বৰুৱা, ৰুণু বৰুৱা, বাসনা বৰুৱা, তামিনা বৰুৱা, তিলো বৰুৱা, কণমাই বৰুৱা, লাতুমণি লাহন, জানমণি গগৈ, লক্ষ্মী বৰা, ছিমি বৰুৱা, চুছিল গগৈ, পৰিক্ষিত বৰুৱা, ছিলভা বৰা, মৃদুল বৰুৱাকে ধৰি তিনি শতাধিক মহিলা উপস্থিত থাকি প্ৰিয় শিল্পীগৰাকীক স্মৰণ কৰে। পৰৱৰ্তী মায়াবিনী ৰাতিৰ বুকুত গীতটো সমস্বৰে পৰিৱেশন কৰি নিশালৈ স্মৃতিচাৰণ সামৰণি পৰে।

# যোৰহাট শিক্ষাখণ্ডৰ তামোলীছিগা মণ্ডলৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ

**অসম বাৰ্তা, জাঁজী, ৯ অক্টোবৰ ঃ** পূৱ যোৰহাট শিক্ষা খণ্ডৰ অন্তৰ্গত তামুলীছিগা মণ্ডলৰ বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া সকলৰ তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী যোৱা ৮ অক্টোবৰ তাৰিখে তামুলীছিগা মজলীয়া বিদ্যালয়ত আৰম্ভ হয়। উক্ত কাৰ্যসূচীৰ শুভাৰম্ভ কৰে বিদ্যালয়ৰ প্ৰধান শিক্ষক দ্বীপেন কলিতাই। এই উপলক্ষে মণ্ডল সমন্বয়ক প্ৰাঞ্জল কিশোৰ শৰ্মাই উদ্দেশ্য ব্যাখ্যা আগবঢ়ায় আৰু সমল ব্যক্তি হিচাপে আলোচনা আগবঢ়ায় শিক্ষকদ্বয় সীমান্ত বৰা আৰু নন্দেশ্বৰ মিলিয়ে। মণ্ডল সমন্বয়কে জনোৱা মতে তামুলীছিগা মণ্ডলৰ সৰ্বমুঠ ৯খন বিদ্যালয়ৰ ৪জনকৈ বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য-সদস্যাই এই প্ৰশিক্ষণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# বনগাঁও চাতিয়াপাৰা ভাগৱত নামঘৰৰ উদ্যোগত চতুৰ্থ বাৰ্ষিক ভাগৱত পাঠৰ আয়োজন

**ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ৯ অক্টোবৰ ঃ** ওদালগুৰি জিলাৰ টংলা থানাৰ অন্তৰ্গত বনগাঁও চাতিয়াপাৰা ভাগৱত নামঘৰৰ উদ্যোগত আৰু বৃহত্তৰ অঞ্চলৰ ৰাইজৰ সহযোগত ভাতৃত্ববোধ, শান্তি সম্প্ৰীতি আৰু সমন্বয়ৰ এনাজৰী ব্ৰতী থকাৰ মানসেৰে স্থানীয় নামঘৰত অহা ১১ অক্টোবৰৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে চতুৰ্থ বাৰ্ষিক ভাগৱত পাঠৰ আয়োজন কৰা হৈছে বুলি নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক সত্যজিৎ বৰুৱা আৰু ভাগৱত পাঠ পৰিচালনা সমিতিৰ সম্পাদক অপূৰ্ব বড়াই জানিবলৈ দিছে। ১১ অক্টোবৰৰ পুৱা সামূহিক চাফাই, বন্তি প্ৰজ্বলনৰ পিছতে ৯ বজাত নামঘৰ পৰিচালনা সমিতিৰ সভাপতি ভবেন ডেকা আৰু পাঠ পৰিচালনা সমিতিৰ সভাপতি যতীন ডেকাই ধৰ্ম ধ্বজা উত্তোলন কৰিব। ভাগৱত পাঠ পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি দীনেশ ডেকাই স্মৃতি তৰ্পণ আৰু গণ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰিব বনগাঁও প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বজিৎ চহৰীয়া আৰু পূব টংলা আঞ্চলিক সাংস্কৃতিক যুৱ মঞ্চৰ বিষয়ববীয়াই। সমাজ সেৱক ৰঞ্জনা শৰ্মা বৰুৱা আৰু প্ৰফুল্ল ডেকাই গছপুলি ৰোপণ কৰা পিছতে সমাজসেৱক স্বপ্না চহৰীয়াই ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰিব। বিয়লি আয়তীৰ নাম প্ৰদৰ্শন পিছতে ভাগৱত পাঠ ক্ষেত্ৰৰ দ্বাৰ মুকলি কৰিব বিশিষ্ট জ্যোতিষী গোপাল দেৱ শৰ্মাই। বিয়লি ৫-৩০ বজাত অভিযন্তা দিগন্ত বৰুৱাই বন্তি প্ৰজ্বলন, সন্ধিয়া ৬ বজাত পানেৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নাৰায়ণ বড়াই ভাগৱত পাঠ শুভাৰম্ভ কৰিব। ১২ অক্টোবৰৰ বিয়লি ভাগৱত পাঠৰ সামৰণী অনুষ্ঠানত খালিং দুৱাৰ সমষ্টিৰ পাৰিষদ অৰ্জুন দৈমাৰী, প্ৰাক্তন পাৰিষদ অৰ্পণা মেধি, সমাজসেৱক ৰবীন্দ্ৰ বড়ো, জয়কান্ত শৰ্মা আৰু দেবেন বড়োই অংশগ্ৰহণ কৰিব। আনহাতে উক্ত দুদিনীয়া দিবা নৈশ ভাগৱত পাঠ অনুষ্ঠানত পাঠক আৰু ব্যাখ্যাকাৰ হিচাপে কাৰেইমাৰীৰ দুগ্ধ নাথ, তামোলপুৰৰ কৰেন বৈষ্ণৱ, হাজৰিকা পাৰাৰ ৰাতুল ডেকা, জলজলীৰ অমৰ কুমাৰ আৰু বান্দেৰী গাঁৱৰ হিমাংশু নাথে আসন অলংকৃত কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

## ধৰ্ম, বিশ্বাস আৰু

ধৰ্ম, বিশ্বাস আৰু আধ্যাত্মিক চিন্তা অভীক্ষা। সমাজত নানান কাৰণত উদ্ভৱ হোৱা ভিন্নৰূপী দ্বন্দ্ব সংঘাত নিৰাময়ৰ অতি সহজ আৰু সম্যক অনুপান হৈছে এইকেইটা মহৎ গুণ, যাৰ সাহচৰ্যত মানৱ মনৰ সকলো প্ৰকাৰৰ জড়তা-জঠৰতা, অহমিকা, কলুষতা আৰু দাম্ভিকতা আদি অহিতকৰ কাৰ্যকলাপবোৰ সহজতে আঁতৰ হয়, জ্ঞান-গৰিমা তথা ব্যক্তিত্ব বিকাশৰ কোমল তন্ত্ৰীবোৰ বিকশিত হৈ আহিবলৈ ধৰে। মানুহে মানুহৰ পাৰস্পৰিক হৃদয়ৰ অন্তঃভাগত বিচৰণ কৰি অন্তঃসলিলা ফলগো ফলগুধাৰা বোৱাই তুলিব ধৰা অপূৰ্ব আৰু অনন্য গতিশক্তি যোগান ধৰি হৃদমন্দিৰত সৌধ নিৰ্মাণ কৰিব পাৰে। ইফালে সফল সাধ্য কৰি তুলিবলৈ মানুহক লাগে ধৰ্ম, বিশ্বাস আৰু আধ্যাত্ম্য চেতনাৰ আনুষঙ্গিক ধাৰক আৰু বাহকৰূপে প্ৰয়োজন হয় সত্য, নিষ্ঠা, দয়া, ক্ষমা, কৰুণা, প্ৰেম আৰু আন্তৰিকতা।

আমাৰ মনত সততে একোটা স্বাভাৱিক প্ৰশ্ন আহিব পাৰে ধৰ্মনো প্ৰকৃততে কি? এয়া আমাৰ বাবে কিয় প্ৰয়োজন? ইয়াৰ মূল ভেঁটিনো কি? বা এই ধৰ্ম সত্য মানিলে বা নেমানিলে আমাৰ কি হ'ব পাৰে? মানৱ মনত সততে উদয় হোৱা এনেবোৰ প্ৰশ্নৰ সত্যাসত্যতা বিশ্লেষণ কৰিলেই আমি ধৰ্মৰ যথাৰ্থতা উপলব্ধি কৰিব পৰা হওঁ, ধৰ্মৰ প্ৰকৃত অৰ্থ আৰু মৰ্ম বুজি উঠিবলৈ সক্ষম হওঁ। প্ৰকৃতপক্ষে চাবলৈ গ'লে ধৰ্ম সঁচাই এক অজ্ঞেয় বস্তু। আনুভূতিক প্ৰৱণতা এটা উপলব্ধি কৰাৰ বাহিৰে ধৰ্মৰ কোনো ধৰণৰ বাহ্যিক আৰু বৈজ্ঞানিক ভিত্তি একোটা আমি অনুধাৱন কৰিব নোৱাৰোঁ। ইয়াৰ স্থিতি আৰু বিস্তৃতি একান্তই মানৱ সমাজত প্ৰচলিত নীতিৰ আঁৰত চলে আৰু সত্যৰ ভেঁটিতহে প্ৰতিষ্ঠা লাভ কৰে।

ধৰ্ম হৈছে মানুহৰ এক নৈতিক বিধান আৰু ই হৈছে সংযমশীলতাৰ সুদৃঢ় ভেঁটি। মানুহে জন্মসূত্ৰে বিশেষকৈ ছয়টা ৰিপুৰ অধিকাৰী হৈ আহে। সেয়া হৈছে - কাম, ক্ৰোধ, লোভ, মোহ, মদ আৰু মাৎচৰ্য। বয়সৰ লগে লগে এই ৰিপুবোৰো একলা-দুকলাকৈ বাঢ়ি আহিবলৈ ধৰে আৰু পৰিৱেশৰ সাহচৰ্যত পৰি এই ৰিপুসমূহেও নিজ নিজ প্ৰকৃতি পৰম্পৰানুযায়ী কৰ্ম কৰিবলৈ ধৰে। এইকেইটা উপসৰ্গই মানুহৰ মূল চালিকা শক্তি 'মন'ক প্ৰভাৱিত কৰে আৰু পৰিচালনাও কৰে। মানুহৰ মানসিক সত্তা নিৰ্গত এই আটাইকেইটা উপসৰ্গ দৰাচলতে মানৱ জীৱনৰ সজ আদৰ্শনৰ পৰিপন্থী।

মানুহক স্বাভাৱিক কাৰণতে শিক্ষা লাগে, সমাজ আৰু সভ্যতা লাগে, সাংস্কৃতিক সংস্কাৰ লাগে। এনেবোৰ মৌলিক শিক্ষাৰ বিকাশ ঘটাবৰ বাবেই এনেহেন স্ববিৰোধী ৰিপু দমনৰ এক সুকীয়া মন্ত্ৰ লাগে। মানৱ জীৱনৰ দৈনন্দিন গতি প্ৰবাহৰ এই মহামন্ত্ৰ ভাগিয়েই হৈছে ধৰ্ম। ধৰ্মৰ লাইখুঁটা পুতি যথাযথভাৱে বিজয় ধ্বজা উৰুৱাব পাৰিলেই মানুহে একপ্ৰকাৰ মানৱীয় গতি প্ৰৱাহত চৰম সফলতা লাভ কৰিব পাৰে আৰু জীৱন সাৰ্থক হোৱা বুলি ভাৱি এক প্ৰকাৰ সন্তুষ্টি লাভ কৰিব পাৰে। আনহাতে মানৱ সেৱা আৰু মানুহৰ হিতকল্পে নিৰন্তৰ নিকা আৰু নিষ্কামভাৱে কৰ্ম কৰি যোৱাৰ প্ৰৱণতাই হৈছে মানুহৰ মানৱীয় ধৰ্ম।

জগতৰ জীৱ প্ৰজাতিৰ মাজত মানুহেই হৈছে সৰ্বশ্ৰেষ্ঠ আৰু বিবেকৱান প্ৰাণী। ভগৱানে সকলোবোৰ প্ৰাণীৰে জন্ম প্ৰক্ৰিয়াৰ স'তে আহাৰ মৈথুন আৰু বিনোদন আদিৰ দৰে কামনা-বাসনাসমূহ দি পঠাইছে। কিন্তু মানুহক অতিৰিক্তভাৱে জ্ঞান দিছে, বুদ্ধি বিবেক দিছে। ইয়াৰ বাবেই মানুহ আন আনবোৰ প্ৰাণীৰ স'তে পৃথক। মানুহক পৃথিৱীৰ অইনবোৰ প্ৰাণীৰ পৰা বেলেগ ৰূপত প্ৰতিভাত কৰাবৰ বাবেই মানুহক লাগে ধৰ্ম-আধ্যাত্মিকতা। ধৰ্ম দৰ্শন নাথাকিলে মানুহৰ কোনো সত্য, শুদ্ধ প্ৰকাশ নাই, বিকাশৰ লগতেই মানৱীয় কোনো বিস্তাৰ নাই। গতিকে মানৱ জীৱনৰ গতিধাৰা অব্যাহত ৰাখিবলৈকে মানুহক সততে ধৰ্ম লাগে, ধৰ্মীয় ধাৰণা লাগে। ইয়াৰ লগে লগেই আহে বিশ্বাস। বিশ্বাসো হৈছে ধৰ্মীয় পৰম্পৰাৰে আন এটি সমগোত্ৰীয় অনুপান। প্ৰাণীদেহৰ মঙহ কাটিলে ৰক্তক্ষৰণ হোৱাৰ দৰে ধৰ্ম আচৰণ কৰিবলৈ গ'লেই ইয়াৰ স'তে সততে আহি পৰে বিশ্বাসৰ ৰেঙণি। ধৰ্ম আচৰিবলৈ হলে বিশ্বাসৰ আঁউজানি ল'ব লাগিব। বিশ্বাস বা আত্মবিশ্বাসৰ প্ৰৱলতা থাকিলেহে ধৰ্মীয় ধাৰণা বা ধৰ্মীয় চেতনা প্ৰকট হৈ উঠিব। এটা কথাৰ আঁৰত আমি সদায়েই একাত্মীয়তা স্থাপন কৰো যে মানৱ অন্তৰত বিশ্বাসে থিতাপি লোৱা মানেই ইয়াৰ লগতে জড়িত থাকে সত্য, শিৱ, সুন্দৰ। সত্য হৈছে বাস্তৱ যিটো সৰল আৰু সঁচা অৰ্থত নিকা আৰু পৱিত্ৰ। এয়া সকলোৰে বাবেই শাশ্বত। বিজ্ঞান প্ৰযুক্তি আৰু পাৰ্থিৱ-অপাৰ্থিৱ আদি সমস্ত দিশতেই নিহিত থাকে সত্য তথ্য আৰু বিশ্বাস। বিশ্বাসে মানৱ অন্তৰ শুদ্ধ কৰে, মানসিক জটিলতা আৰু পঙ্কিলতা নিৰ্মূল কৰে। মানৱ অন্তৰত শিৱত্ব প্ৰকট হোৱা মানে হৃদয়ত দয়া, ক্ষমা, শ্ৰদ্ধা, ভক্তি প্ৰেম, সেৱা, ত্যাগ, পৰোপকাৰ আৰু নিঃস্বাৰ্থ ভাৱনা আদি সন্নিহিত হোৱা।

আলোচিত সকলোবোৰ গুণৰ উৰ্দ্ধত উদ্ভাসিত হয় সুন্দৰ। কবিৰ কাব্যানুভূতিত ধৰা পৰে, সেয়ে সুন্দৰৰ আৰাধনা জীৱনৰ খেল। সমাহিত সকলোবোৰ গুণৰ আধাৰতেই বিকশি উঠে সুন্দৰ অৰ্থাৎ ব্যক্তি সৌন্দৰ্যৰ মহান প্ৰজ্ঞা। মানুহৰ জীৱনত জটিলতা নাথাকিলে আৰু আত্মম্ভৰী, অহমিকাবোধ নেথাকিলেই মানুহে বাস্তৱ সমাজ, প্ৰকৃতি পৰম্পৰা অথবা নৈসৰ্গিক প্ৰকৃতি পয়োভৰ আদি সকলোতেই সৌন্দৰ্য প্ৰকাশ বিৰাজ কৰা দেখা পায়। তেতিয়াই মানুহৰ সমাজ ভাল লাগে, জীৱন ধৰা আৰু জীয়াই থকাৰ ইতিবাচক অৰ্থ বিচাৰি পায় আৰু ব্যৱহাৰিক পৰিমণ্ডলত সঁচা অৰ্থত মানুহে সুখ ভোগ কৰে, জীৱন ফাগুণৰ কেতবোৰ ৰঙীণ বাসনা জীপাল আৰু ৰসাল কৰি তোলাৰ সপোন দেখা পায়।

ওপৰত উল্লেখ কৰা আটাইবোৰ কথাই এটা সময়ত প্ৰৱাহিত হয় গভীৰ আধ্যাত্মিকতাবাদলৈ। আধ্যাত্মিক গুণ সমৃদ্ধ হ'বলৈ আমি আলোচনা কৰি অহা প্ৰতিটো কথাই মানৱ হৃদয়ত খোপনি পুতিবলৈ পাৰ্যমানে সুবিধা দিব লাগিব। প্ৰতিটো সম্যক গুণৰ সম আলোকত নিজক পোহৰাই তুলিব পাৰিলেই আধ্যাত্মিক সত্তাত অধিক ক্ৰিয়াশীল হয়, সফলতাৰ শিখৰত জিলিকি উঠিবলৈ ধৰে। এয়াই হৈছে সাধনা-উপাসনাৰ সৌমিষ্ঠ ফল।

ঈশ্বৰ সাধনা, দেৱী-দেৱতাৰ উপাসনা আৰু ভক্তিৰ অৰ্চনা-বন্দনা কৰা আদিৰ দৰেই কামবোৰেই হৈছে জীৱ তাড়ণৰ একমাত্ৰ উপায়। আধ্যাত্মিকতাই মানুহৰ সকলোবোৰ ৰিপু দুৰ্ভাৱনা, অস্থিৰ উন্মাদনা আদি আঁতৰ কৰি মন সংস্কাৰ কৰে। মানুহ তেতিয়া উচ্চ ভাৱ-চিন্তাৰ দৈৱী শক্তিৰ অধিকাৰী হয়, পাৰিবাৰিক, সামাজিক বা বাস্তৱিক জীৱনৰ সকলো প্ৰকাৰৰ তৰল আৰু তুচ্ছ ভাৱ-চিন্তা, কৰ্ম কৰ্ষণৰ পৰা স'ততে আঁতৰি থাকিব পাৰে। মানুহৰ স্বভাৱ যথাৰ্থতে সুন্দৰ হয়, ব্যৱহাৰপাতি, আচৰণবিধি আৰু শিষ্টাচাৰ প্ৰণালী আকৰ্ষণীয়, প্ৰশংসনীয় আৰু শালীনতাপূৰ্ণ হয়। এই সকলোবোৰ সজ কৰ্মৰ গুৰিতেই প্ৰতিভাত হৈ উঠে সৌহাৰ্দ্যপূৰ্ণ মানৱতাবোধ। আন্তৰিকতাপূৰ্ণ সেৱা-শুশ্ৰূষা বা আধ্যাত্ম দৰ্শনে মানুহৰ মন পৱিত্ৰ আৰু পৰিষ্কাৰ কৰে, মানৱতা পৰিপন্থী কাৰ্যবিধিৰ পৰা মানুহক আঁতৰাই আনে। পাপ কৰ্ম, গৰ্হিত কৰ্মত পৰা সংযমী কৰি তোলে আৰু সমস্ত শৰীৰত ভগৱানৰ একোটা শ্ৰীৰূপে বিৰাজ কৰে। এনেবোৰ সুন্দৰ সংস্কাৰৰ পৃষ্ঠভূমিতেই তথাকথিত এই মানৱ সমাজবোৰৰ কলুষতা, পঙ্কিলতা নিৰাকৰণ হৈ একোখনহঁত সুন্দৰ সমাহিত মানৱ সমাজৰ সেন্দূৰীয়া যাত্ৰাপথত অগ্ৰসৰ হ'বলৈ ধৰে।

## ছিংগাপুৰৰ নৰ্থ-ইষ্ট

বিভিন্ন বিতৰ্ক উত্থাপিত হৈছে। শ্যামকানু মহন্তই বিভিন্ন উৎসৱৰ নামত চৰকাৰী সাহায্য লাভ কৰাৰ অভিযোগ উত্থাপিত হৈছে, বিশেষকৈ ছিংগাপুৰত আয়োজিত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে কৃষি বিভাগৰ পৰা লাখ লাখ টকা পোৱাৰ কথা সংবাদ মাধ্যমত প্ৰচাৰিত হৈছে। কিন্তু কৃষি মন্ত্ৰী অতুল বৰাই স্পষ্ট কৰিছে যে এইবাৰৰ ফেষ্টিভেলৰ বাবে কৃষি বিভাগে একটকাও সাহায্য প্ৰদান কৰা নাই। তেওঁ স্বীকাৰ কৰিছে যে ফেষ্টিভেলৰ বাবে নিমন্ত্ৰণ পোৱা গৈছিল, কিন্তু তেওঁলোক সেই অনুষ্ঠানত অংশগ্ৰহণ কৰা নাই। যোৰহাটত এক কৃষি ফাৰ্ম পৰিদৰ্শনৰ সময়ত মন্ত্ৰী অতুল বৰাই কয়, "ছিংগাপুৰৰ নৰ্থ-ইষ্ট ফেষ্টিভেলৰ বাবে আমি নিমন্ত্ৰণ পাইছিলোঁ, কিন্তু আমি তাত যোৱা নাই আৰু কোনো আৰ্থিক সাহায্যও দিয়া নাই। এই কথা সম্পূৰ্ণ মিছা। অৱশ্যে, আগতে অন্যান্য ক্ষেত্ৰত আমি অংশগ্ৰহণ কৰিছিলোঁ, য'ত কৃষি বিভাগৰ ষ্টল বা বৈঠকৰ আয়োজন হৈছিল।" ইয়াৰ সমান্তৰালভাৱে, মন্ত্ৰীয়ে পশ্চিম যোৰহাটৰ জানকী ফাৰ্ম পৰিদৰ্শন কৰি উৎফুল্ল হৈ পৰে। এই ফাৰ্মখন আনন্দ আগৰৱালা নামৰ এজন ব্যক্তিয়ে ৮ বিঘা মাটিত গঢ়ি তুলিছে, য'ত ৫, ০০০ প্ৰজাতিৰ ফুল, ৫০০ প্ৰজাতিৰ দেশী-বিদেশী ফলৰ খেতি, ৬০জনী উন্নত প্ৰজাতিৰ গৰু আৰু মৎস্য পালনৰ ব্যৱস্থা আছে। এই ফাৰ্মে বহু নিবনুৱা যুৱক-যুৱতীক সংস্থাপনৰ সুযোগ প্ৰদান কৰিছে। মন্ত্ৰীয়ে কয়, "এই ফাৰ্মখন এখন ব্যতিক্ৰমী উদাহৰণ। আনন্দ আগৰৱালা এজন প্ৰকৃতিপ্ৰেমী। এনে উদ্যোগে কৃষি ক্ষেত্ৰত বাণিজ্যিক সফলতা আৰু জিডিপি বৃদ্ধিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।" মন্ত্ৰীয়ে আৰু উল্লেখ কৰে যে, অসমৰ কৃষি উৎপাদন বৰ্তমান বিদেশী বজাৰত ৰপ্তানি হৈছে। ২০২২-২৩ বৰ্ষত ৪, ০০০ কোটি টকাৰ ফচল বিদেশলৈ ৰপ্তানি হৈছে, আৰু ২০২৬-২৭ বৰ্ষৰ ভিতৰত ই বৃদ্ধি পাই ১০, ০০০ কোটি টকা হ'ব বুলি আশা কৰা হৈছে। তেওঁ জোৰ দি কয়, "কৃষি ক্ষেত্ৰত বাণিজ্যিক দৃষ্টিভংগী গ্ৰহণ কৰিলে কৃষকসকল লাভৱান হ'ব আৰু ৰাজ্যৰ অৰ্থনীতি শক্তিশালী হ'ব।" শ্যামকানু মহন্তৰ গ্ৰেপ্তাৰৰ পৰিপ্ৰেক্ষিতত কৃষি মন্ত্ৰীৰ এই মন্তব্যই স্পষ্ট কৰিছে যে কৃষি বিভাগৰ এই ফেষ্টিভেলৰ সৈতে কোনো আৰ্থিক সম্পৰ্ক নাছিল। এই ঘটনাৰ তদন্তৰ অগ্ৰগতি আৰু চৰকাৰৰ পৰৱৰ্তী পদক্ষেপে জনমানসত উত্থাপিত প্ৰশ্নৰ উত্তৰ দিব বুলি আশা কৰা হৈছে।

## জুবিন গাৰ্গৰ মৃত্যুৰ তদন্তত

সৃষ্টি কৰিছে। এনে এটা স্পৰ্শকাতৰ বিষয়ত ৰাজ্যিক বিজেপিৰ সভাপতি আৰু দৰং-উদালগুৰী লোকসভা বিধায়ক দিলীপ শইকীয়াই বোকাখাতত প্ৰত্যক্ষ মন্তব্য কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ওপৰত কোনো সন্দেহ নথকাৰ কথা স্পষ্ট কৰিছে। তেওঁ ডিব্ৰুগড়ৰ কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণৰ পথত এই মন্তব্য জনোৱা হৈছে। দিলীপ শইকীয়াই বোকাখাতত কয়, "জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক গভীৰভাৱে প্ৰভাৱিত কৰিছে। তেওঁৰ মৃত্যুৰ সংবাদ পোৱাৰ পৰা সেই বোৰে তেওঁৰ নশ্বৰ দেহ অসমলৈ কেনেকৈ আনিব পাৰি, অন্ত্যেষ্টিক্ৰিয়াৰ ব্যৱস্থা কেনেকৈ কৰিব পাৰি—এই সকলোবোৰৰ কথা ভাৱি তেওঁ সৰু সৰু বিষয়সমূহতো নিজেই মনোযোগ দিছে। ইয়াত মুখ্যমন্ত্ৰীৰ ব্যক্তিগত চিন্তা বা কথা আমি দেখা নাই যিয়ে ইয়াক ৰাজনৈতিক ৰূপ দিব পাৰে।" তেওঁ আৰু কয় যে, ৰাইজৰ দ্বাৰা প্ৰস্তাৱিত পুনৰ মৰণোত্তৰ পৰীক্ষা আৰু অন্ত্যেষ্টিক্ৰিয়াৰ বাবে 'এটা সুন্দৰ ঠাই'ৰ দাবীটোক গঢ়িল বুলি কোৱা মানে একেৰাতিৰ ভিতৰত সকলোবোৰ সিদ্ধান্ত লোৱাৰ কথা। অসম চৰকাৰেই ইতিমধ্যে স্পেচিয়েল ইনভেষ্টিগেচন টিম (এছ আই টি) গঠন কৰিছে আৰু গুৱাহাটী হাইকোৰ্টৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত এখন ন্যায়িক আয়োগ গঠন কৰিছে। "কোনোবাই যদি এছ আই টিৰ ওচৰত যোৱাৰ বাবে বেয়া অনুভৱ কৰে, তেন্তে ন্যায়িক আয়োগৰ সন্মুখত সাক্ষ্যপ্ৰমাণ প্ৰদান কৰিব পাৰে। তদন্ত কৰ্মৰত ন্যায়াধীশৰ জৰিয়তে কাৰ্যকৰী কৰা হৈছে। জুবিন গাৰ্গৰ মৃত্যুত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত যিসকলৰ বিৰুদ্ধে কঠোৰতম শাস্তি হ'ব লাগিব—এই বিচাৰ বিজেপি দলৰ মনত আছে" বুলি তেওঁ কয়। বৰ্তমানৰ সময়ত কিছুমান গোটে মুখ্যমন্ত্ৰী আৰু চৰকাৰক টাৰ্গেট কৰি ৰাজনৈতিক সুবিধা লাভ কৰাৰ চেষ্টা কৰিছে বুলি উল্লেখ কৰি দিলীপ শইকীয়াই কোৱা, "জুবিন গাৰ্গ অসমৰ সংগীত জগতৰ সূৰ্য আছিল, চন্দ্ৰ-সূৰ্যৰ দৰে তেওঁক আমি সদায় স্মৰণ কৰিম আৰু সুঁৱৰিম। কিন্তু সাম্প্ৰতিক সময়ত যি ৰাজনৈতিক ৰুটী সেকাৰ প্ৰৱণতা দেখা দিছে, সেয়া দুৰ্ভাগ্যজনক। আমি এই ঘটনাক লৈ ৰাজনীতি কৰিব নাই। জুবিনৰ মৃত্যু এতিয়া আইনী তদন্তৰ ভিতৰত আছে, গতিকে কিছু দিনৰ ভিতৰত নিৰ্ণায়ক ফলাফল পাব।" তেওঁ মুখ্যমন্ত্ৰীৰ প্ৰসংগ উল্লেখ কৰি পুনৰ কোৱা, "জুবিন গাৰ্গক লৈ ৰাজনীতি কৰাৰ চেষ্টা কৰা লোকসকলক মোৰ এই আহ্বান যে, বালিলৈ যিপাট শৰ, সুগ্ৰীৱলৈও সেইপাট শৰ। মুখ্যমন্ত্ৰীৰ ওপৰত সন্দেহ কৰিলে অসমৰ ৰাইজে বিচাৰ কৰক। যিমান ডাঙৰ হাতদীঘল মানুহ নহয়, কিয় মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত কোনো আপোচ কৰিব? সিংগাপুৰত থকা প্ৰবাসী অসমীয়াসকলক তদন্তত সহায় কৰিবলৈ এছ আই টিয়ে আহ্বান জনাইছে আৰু কলিতা উপাধিৰ এজন আহিছে।" আনহাতে, দিলীপ শইকীয়াই জনজাতিকৰণৰ সন্দৰ্ভতো স্পষ্ট অৱস্থান প্ৰকাশ কৰিছে। তেওঁ কয় যে, "আদিবাসী জনগোষ্ঠীৰ তিনিচুকীয়াত যিসকলে জনজাতিকৰণৰ দাবীত প্ৰতিবাদ কৰিছে, সেইবোৰক আমি সমৰ্থন কৰোঁ। চাহ জনগোষ্ঠীৰ জনজাতিকৰণ আমি সকলোৰে বিচাৰোঁ। কিন্তু এই ক্ষেত্ৰত বিভিন্ন কাৰিকৰী অসুবিধা আছে। অসম চৰকাৰে নৱেম্বৰ মাহত বিধানসভাত এই বিষয়ত আলোচনা কৰি এক প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰলৈ পঠোৱাব। পূৰ্বৰ চৰকাৰৰ সময়ত এখন প্ৰতিবেদন পঠোৱা হৈছিল, কিন্তু ইয়াত চাহ জনগোষ্ঠীৰ কথা অন্তৰ্ভুক্ত নাছিল। দীৰ্ঘদিন ধৰি তেওঁলোকৰ দাবী চলি আহিছে আৰু ইয়াক মান্যতা দিয়াৰ বাবে আমি চেষ্টা কৰিছোঁ।" এই ঘটনাই অসমৰ ৰাজনীতিত নতুন মাত্ৰা যোগ কৰিছে।

## ১২ বছৰৰ পিছত ভাৰতৰ

কেনবেৰাত উপস্থিত হৈছে। দুদিনীয়া(৯-১০ অক্টোবৰ) অফিচিয়েল ভ্ৰমণত তেওঁ ৰয়েল অষ্ট্ৰেলিয়ান এয়াৰ ফৰ্চৰ (আৰএএফ) কেচি-৩০এ মাল্টিৰ'ল টেংকাৰ পৰিবহণ বিমানত ছিডনীৰ পৰা যাত্ৰা কৰাৰ সময়ত এফ-৩৫ যুঁজাৰু বিমানৰ এয়াৰ-টু-এয়াৰ ইন্ধন যোগানৰ দৃশ্য প্ৰত্যক্ষ কৰে। এই ভ্ৰমণে ভাৰত-অষ্ট্ৰেলিয়াৰ মাজত প্ৰতিৰক্ষা আৰু কূটনৈতিক সহযোগিতাৰ দিশত এক ঐতিহাসিক মাইলৰ খুঁটা হিচাপে চিহ্নিত হৈছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ এক পোষ্টত কোৱা হৈছে, "প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং অষ্ট্ৰেলিয়ান বায়ুসেনাৰ কেচি-৩০এ মাল্টিৰ'ল টেংকাৰ পৰিবহণ বিমানত উঠি ছিডনীৰ পৰা কেনবেৰালৈ যাত্ৰা কৰে। তেওঁৰ যাত্ৰাৰ সময়ত এফ-৩৫ৰ এয়াৰ-টু-এয়াৰ ইন্ধন যোগানৰ সাক্ষী হয়। ভাৰত আৰু অষ্ট্ৰেলিয়াই ২০২৪ চনত ৰয়েল অষ্ট্ৰেলিয়ান এয়াৰ ফৰ্চ (আৰএএফ) আৰু ভাৰতীয় সশস্ত্ৰ বাহিনীৰ মাজত এয়াৰ-টু-এয়াৰ ইন্ধন যোগানৰ চুক্তি স্বাক্ষৰ কৰিছিল।" এই ভ্ৰমণ অষ্ট্ৰেলিয়াৰ উপ-প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰিচাৰ্ড মাৰ্লেছৰ আমন্ত্ৰণত সম্পন্ন হৈছে, যিয়ে দ্বিপাক্ষিক সম্পৰ্কৰ পঞ্চম বছৰৰ উপলক্ষে গুৰুত্বপূৰ্ণ। কেনবেৰা বিমানবন্দৰত প্ৰতিৰক্ষা মন্ত্ৰীক অষ্ট্ৰেলিয়াৰ উপ-প্ৰতিৰক্ষা মন্ত্ৰী পিটাৰ খলিল আৰু যুটীয়া অভিযান মুৰব্বী ভাইচ এডমিৰেল জাষ্টিন জোনছে আদৰণি জনায়। সংসদ ভৱনত উপ-প্ৰধানমন্ত্ৰী ৰিচাৰ্ড মাৰ্লেছে তেওঁক উষ্ম আদৰণি জনায়। এই ভ্ৰমণ ২০১৪ চনৰ পিছত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁট (এনডিএ) চৰকাৰৰ অধীনত এজন প্ৰতিৰক্ষা মন্ত্ৰীৰ অষ্ট্ৰেলিয়া যাত্ৰাৰ প্ৰথম উদাহৰণ। ইয়াৰ পূৰ্বে ২০১২ চনত কংগ্ৰেছ নেতা এ.কে. এণ্টনী অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিছিল। অষ্ট্ৰেলিয়াৰ উচ্চায়ুক্ত ফিলিপ গ্ৰীনে কয়, "এই ভ্ৰমণ ঐতিহাসিক। ১২ বছৰৰ মূৰত ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ অষ্ট্ৰেলিয়া যাত্ৰা আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ এই প্ৰথম ভ্ৰমণ।" এই ভ্ৰমণৰ মূল লক্ষ্য হৈছে দ্বিপাক্ষিক প্ৰতিৰক্ষা সম্পৰ্ক শক্তিশালী কৰা। ৰাজনাথ সিং আৰু ৰিচাৰ্ড মাৰ্লেছৰ মাজত বৈঠকে প্ৰতিৰক্ষা শিল্প, চাইবাৰ সুৰক্ষা, সামুদ্ৰিক নিৰাপত্তা আৰু আঞ্চলিক প্ৰত্যাহ্বানৰ বিষয়ে আলোচনা হৈছে। দুয়োখন দেশে তথ্য ভাগ-বতৰা, সামুদ্ৰিক সহযোগিতা আৰু যৌথ কাৰ্যকলাপৰ ক্ষেত্ৰত তিনিটা চুক্তি স্বাক্ষৰৰ সম্ভাৱনা অন্বেষণ কৰিছে। মাৰ্লেছে ভাৰতৰ সৈতে সদ্য স্বাক্ষৰিত প্ৰতিৰক্ষা চুক্তিক "দুয়োখন দেশৰ সশস্ত্ৰ বাহিনীৰ মাজত কাৰ্যকৰী অংশীদাৰিত্ব শক্তিশালী কৰাৰ অত্যন্ত গুৰুত্বপূৰ্ণ পদক্ষেপ" বুলি অভিহিত কৰিছে। এই ভ্ৰমণৰ অংশ হিচাপে ৰাজনাথ সিং ছিডনীত এক ব্যৱসায়িক গোলমিঞ্চত অংশগ্ৰহণ কৰিব, য'ত দুয়োখন দেশৰ প্ৰতিৰক্ষা শিল্পৰ নেতৃত্বসকলৰ মাজত শিল্প সহযোগিতা আৰু প্ৰযুক্তি অংশীদাৰিত্বৰ সম্ভাৱনা আলোচনা হ'ব। তেওঁ অষ্ট্ৰেলিয়াৰ অন্যান্য জাতীয় নেতৃত্বসকলকো সাক্ষাৎ কৰিব। এই যাত্ৰাই ভাৰত-অষ্ট্ৰেলিয়া সম্পৰ্কক নতুন উচ্চতাত লৈ যোৱাৰ পথ প্ৰশস্ত কৰিছে, য'ত জন-জন সংযোগ, ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি, পৰ্যটন আৰু ক্ৰীড়া সম্পৰ্ককো গুৰুত্ব দিয়া হৈছে। মাৰ্লেছৰ জুন মাহৰ ভাৰত ভ্ৰমণৰ পিছত এই যাত্ৰাই দ্বিপাক্ষিক সম্পৰ্কৰ গতি অব্যাহত ৰাখিছে।

## হাংগেৰীৰ সাহিত্যিক লাজল'

জাগ্ৰত কৰাৰ ক্ষেত্ৰত তেওঁৰ অৱদানৰ বাবে এই প্ৰতিষ্ঠিত সন্মান তেওঁক প্ৰদান কৰা হৈছে। ন'বেল কমিটীয়ে তেওঁৰ সাহিত্যৰ গভীৰতা আৰু সামাজিক প্ৰভাৱৰ প্ৰশংসা কৰিছে। লাজল' ক্ৰাছনাঅৰকাইৰ সাহিত্যিক যাত্ৰা ১৯৫৪ চনত দক্ষিণ-পূব হাংগেৰীৰ ৰোমানিয়াৰ সীমান্তৰ ওচৰৰ গুলা নামৰ এক সৰু চহৰত জন্মৰ পৰা আৰম্ভ হৈছিল। তেওঁৰ প্ৰথম উপন্যাস Satantango প্ৰকাশৰ পিছত হাংগেৰীৰ সাহিত্য জগতত এক বৃহৎ আলোড়নৰ সৃষ্টি হৈছিল। এই গ্ৰন্থই তেওঁক সমসাময়িক সাহিত্যৰ অন্যতম শক্তিশালী কণ্ঠ হিচাপে প্ৰতিষ্ঠিত কৰিছিল। তেওঁৰ অন্যান্য উল্লেখযোগ্য ৰচনাৰ ভিতৰত The Melancholy of Resistance, Északról hegy, Délrol tó, Nyugatról utak, Keletrol folyó, আৰু Seiobo járt odalent বিশেষভাৱে উল্লেখযোগ্য। এই গ্ৰন্থসমূহে তেওঁৰ সাহিত্যৰ গভীৰ দাৰ্শনিক চিন্তা আৰু শৈলীগত উৎকৰ্ষৰ পৰিচয় দিয়ে। ৰয়েল ছুইডিছ একাডেমীয়ে ক্ৰাছনাঅৰকাইৰ সাহিত্যক "মানৱ জীৱনৰ জটিলতা আৰু সামাজিক পৰিৱৰ্তনৰ প্ৰতিফলন" হিচাপে উল্লেখ কৰিছে। তেওঁৰ ৰচনাত সমাজৰ অস্থিৰতা, মানৱীয় সংগ্ৰাম, আৰু শিল্পৰ প্ৰতিৰোধী শক্তিৰ বিষয়বস্তু প্ৰকাশ পাইছে। Satantangoৰ দৰে উপন্যাসে গ্ৰাম্য জীৱনৰ পতন আৰু মানৱ প্ৰকৃতিৰ অন্ধকাৰ দিশসমূহৰ এক অনন্য চিত্ৰণ প্ৰদান কৰিছে, আনহাতে The Melancholy of Resistanceত সামাজিক আৰু ৰাজনৈতিক অৱক্ষয়ৰ প্ৰতি প্ৰতিৰোধৰ এক শক্তিশালী কাহিনী উপস্থাপন কৰা হৈছে। ক্ৰাছনাঅৰকাইৰ সাহিত্যই কেৱল হাংগেৰীৰ সীমাৰ ভিতৰতেই নহয়, বৰং বিশ্বব্যাপী সাহিত্য জগততো গভীৰ প্ৰভাৱ পেলাইছে। তেওঁৰ গ্ৰন্থসমূহ একাধিক ভাষাত অনুবাদিত হৈছে আৰু সমালোচকসকলৰ পৰা প্ৰশংসা লাভ কৰিছে। ন'বেল বঁটাৰ এই ঘোষণাই তেওঁৰ সাহিত্যিক অৱদানৰ গুৰুত্বক আৰু অধিক উজ্জ্বল কৰিছে। এই সন্মানৰ জৰিয়তে লাজল' ক্ৰাছনাঅৰকাইৰ সাহিত্যই বিশ্বৰ সন্মুখত হাংগেৰীৰ সাংস্কৃতিক আৰু বৌদ্ধিক ঐতিহ্যৰ প্ৰতিনিধিত্ব কৰিছে। তেওঁৰ ৰচনাৰ গভীৰতা আৰু শৈলীগত উৎকৰ্ষই তেওঁক এই সন্মানৰ যোগ্য প্ৰাৰ্থী কৰি তুলিছে। আগন্তুক দিনত তেওঁৰ সাহিত্যৰ প্ৰভাৱ আৰু অধিক বিস্তৃত হ'ব বুলি সাহিত্যপ্ৰেমীসকলে আশা প্ৰকাশ কৰিছে।

## বিড়ম্বনা! নিজৰ অপসাৰণৰ

চাংমাই আৰু সাধাৰণ সম্পাদক বিজন বায়নৰ নেতৃত্বত উপাচাৰ্যৰ বিৰুদ্ধে বিত্তীয় অনিয়ম আৰু স্বজনপোষণৰ গুৰুতৰ অভিযোগ উত্থাপন কৰা হৈছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে দাবী জনাইছে যে ড° ননী গোপাল মহন্তৰ বিৰুদ্ধে উত্থাপিত অভিযোগসমূহৰ স্বচ্ছ তদন্তৰ প্ৰয়োজন। তদন্ত সম্পূৰ্ণ নোহোৱা পৰ্যন্ত তেওঁক উপাচাৰ্য পদৰ পৰা অব্যাহতি দিয়াৰ দাবীও সংগঠনটোৱে উত্থাপন কৰিছে। এই দাবীৰ সমৰ্থনত সংগঠনৰ পৰা উপাচাৰ্যৰ ওচৰত এক দাবীপত্ৰ প্ৰদান কৰা হৈছে, যিখন ড° মহন্তই আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিছে। সংগঠনটোৰ মতে, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসনত স্বচ্ছতা আৰু জৱাবদিহিতাৰ অভাৱ দেখা গৈছে। বিত্তীয় অনিয়মৰ অভিযোগত বিশ্ববিদ্যালয়ৰ তহবিলৰ অপব্যৱহাৰৰ কথা উল্লেখ কৰা হৈছে। ইয়াৰ উপৰিও স্বজনপোষণৰ অভিযোগত দাবী কৰা হৈছে যে উপাচাৰ্যই নিজৰ ঘনিষ্ঠ ব্যক্তি বা সম্পৰ্কীয় লোকসকলক অনুচিত সুবিধা প্ৰদান কৰিছে। এই অভিযোগসমূহে বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক সুনামৰ ওপৰত প্ৰশ্নৰ সৃষ্টি কৰিছে। পলাশ চাংমায়ে সংবাদ মাধ্যমৰ আগত কয়, "গুৱাহাটী বিশ্ববিদ্যালয় এখন প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান, আৰু ইয়াৰ প্ৰশাসনত স্বচ্ছতা আৰু নৈতিকতা অতি জৰুৰী। ড০ ননী গোপাল মহন্তৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ তদন্ত নোহোৱালৈ তেওঁৰ পদত থকাটো গ্ৰহণযোগ্য নহয়।" তেওঁ আৰু কয় যে, সংগঠনটোৱে এই বিষয়ত কঠোৰ অৱস্থান গ্ৰহণ কৰিব আৰু প্ৰয়োজন হ'লে আন্দোলনৰ পথ ল'ব। অন্যহাতে, ড০ ননী গোপাল মহন্তই এই অভিযোগৰ প্ৰতি স্পষ্ট প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। তেওঁ কেৱল দাবীপত্ৰ গ্ৰহণ কৰিছে আৰু এই বিষয়ত পৰৱৰ্তী পদক্ষেপৰ কথা এতিয়াও প্ৰকাশ কৰা নাই। বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষৰ পৰাও এই বিষয়ত কোনো আনুষ্ঠানিক মন্তব্য পোৱা হোৱা নাই। এই ঘটনাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক পৰিস্থিতিৰ ওপৰত নতুন প্ৰশ্নৰ সৃষ্টি কৰিছে। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ এই দাবীয়ে শিক্ষা সমাজত ব্যাপক চৰ্চাৰ সৃষ্টি কৰিছে। আগন্তুক দিনত এই বিষয়ে তদন্তৰ অগ্ৰগতি আৰু উপাচাৰ্যৰ প্ৰতিক্ৰিয়াই পৰিস্থিতিৰ দিশ নিৰ্ধাৰণ কৰিব বুলি ধাৰণা কৰা হৈছে।

## আজি ঘোষণা হ'ব ADREৰ

শৰ্মাই সামাজিক মাধ্যম X-ত এই ঘোষণা কৰি সকলো পৰীক্ষাৰ্থীলৈ শুভেচ্ছা জনাইছে। এই ফলাফলৰ জৰিয়তে ৰাজ্যৰ হাজাৰ হাজাৰ চৰকাৰী পদ পূৰণ হ'ব। পৰীক্ষাৰ্থীসকলে অফিচিয়েল ৱেবছাইট slrcg3.sebaonline.orgৰ জৰিয়তে তৃতীয় বৰ্গৰ ফলাফল পৰীক্ষা কৰিব পাৰিব। ফলাফল চোৱাৰ পদক্ষেপসমূহ হ'ল- SLRCৰ অফিচিয়েল ৱেবছাইট slrcg3.sebaonline.org ভ্ৰমণ কৰক, তৃতীয় বৰ্গৰ ফলাফলৰ লিংকত ক্লিক কৰক, আবেদন নম্বৰৰ দৰে প্ৰয়োজনীয় তথ্য প্ৰদান কৰক, ফলাফল পৰ্দাত প্ৰদৰ্শিত হ'ব আৰু ডাউনলোডৰ সুবিধা থাকিব। এই পৰীক্ষাত ৩২ লাখৰো অধিক পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল, য'ত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ মুঠ ১২, ৬০০টা পদৰ বাবে প্ৰতিযোগিতা হৈছিল। ইতিমধ্যে চতুৰ্থ বৰ্গৰ ফলাফল ঘোষণা হৈছে, আৰু এতিয়া তৃতীয় বৰ্গৰ ফলাফলৰ জৰিয়তে কেৰাণী আৰু কাৰিকৰী পদসমূহ পূৰণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে X-ত লিখিছে, "ADREৰ তৃতীয় বৰ্গৰ ফলাফল ১০ অক্টোবৰ পুৱা ১০: ৩০ বজাত ঘোষণা কৰা হ'ব। সকলো পৰীক্ষাৰ্থীলৈ মোৰ শুভকামনা।" এই ফলাফলৰ ঘোষণাই ৰাজ্যৰ চাকৰিপ্ৰাৰ্থীৰ মাজত নতুন আশাৰ সঞ্চাৰ কৰিব বুলি আশা কৰা হৈছে।

## ৰাজেন গোহাঁইৰ দলত্যাগ

পাৰ্টীক বহুত দিলে। ভাৰতীয় জনতা পাৰ্টিয়েও তেওঁক বহুত দিলে। তেওঁ বহুবাৰ সাংসদ হৈ দেশৰ হৈ কাম কৰিছে। তেওঁৰ লগত আমি বহুত আলোচনাত বহিছিলোঁ। বহুবাৰ আমাক কৈছিল যে তেওঁ দলৰ হৈ কাম কৰিব। কিন্তু কিয় হঠাৎ তেওঁ এনে সিদ্ধান্ত গ্ৰহণ কৰিলে আমি ভাৱি আচৰিত হৈছোঁ। তেওঁ কিহৰ বাবে অসন্তুষ্টি হল আমি আচৰিত হৈছোঁ। শইকীয়াই কয় দেশৰ হৈ আমি কাম কৰিব। আই মাতৃৰ হৈ কাম কৰিব লাগিব, কিন্তু এতিয়া তেওঁ দেশৰ হৈ কাম কৰিব পাৰিব বুলি মই নাভাবো। তেওঁ পদত্যাগ কৰাটো সম্পূৰ্ণ ব্যক্তিগত। কিবা যদি দলৰ বেয়া দিশ দেখিছিল আমাক কব লাগিছিল। কাৰণ তেওঁ জ্যেষ্ঠ এজন দলীয় ব্যক্তি। আমি তেওঁতকৈ সৰু গতিকে তেওঁ আমাক কিবা থাকিলে কব লাগিছিল। পৰিয়ালত যেনেকৈ জ্যেষ্ঠ কনিষ্ঠ থাকে তেনেকৈ এটা দলতো সৰু ডাঙৰ মানুহ মিলি থাকে। আমি সকলো মিলি কাম কৰিব লাগিছিল। যদি তেওঁ আমাক বেয়া পাই আঁতৰি গৈছে আমি সকলোঁ চাব লাগিব। মিলি থকাটো ভাল আছিল কিন্তু আজি তেওঁ আঁতৰি গৈছে। তেওঁ দলৰ বাহিৰত থাকি দলৰ আলোচনা বেছি কৰিছিল। দলৰ কিবা অজুহাত থাকিলে কোৱা নাছিল। আমি সকলো দিশ চাইহে পৰৱৰ্তী সময়ত তেওঁ পদত্যাগ কৰা দিশটোত আনুষ্ঠানিক ভাৱে মন্তব্য প্ৰকাশ কৰিম।

## যোৰহাট বিজেপিত পদত্যাগৰ

শইকীয়ালৈ পদত্যাগ পত্ৰ প্ৰেৰণ কৰে। এই পদত্যাগ পত্ৰত দলৰ জিলা উপ-সভাপতিৰ পদৰ লগতে প্ৰাথমিক সদস্য পদো ত্যাগ কৰা বুলি ড০ লিখকে উল্লেখ কৰিছে। তদুপৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'মন কী বাত'ৰ যোৰহাট জিলাৰ আহ্বায়ক সৌৰভ বৈশ্যয়ো দলত্যাগ কৰে। বৈশ্যয়ো 'মন কী বাত'ৰ আহ্বায়ক পদৰ লগতে দলৰ প্ৰাথমিক সদস্য পদো ত্যাগ কৰিছে। ড০ লিখকে কয়, 'কাম কৰাৰ পৰিৱেশ একেবাৰে নোহোৱা হৈছে। এইবোৰক লৈ জিলা নেতৃত্বৰ লগত মোৰ কিছু মতানৈক্য আছিল। জিলা নেতৃত্বৰ ওপৰত মোৰ কিছু অভিযোগো আছিল। এই বিষয়ে ৰাজ্যিক নেতৃত্বক অৱগত কৰিছিলো যদিও সদুত্তৰ নাপালো। ব্যৱস্থাও গ্ৰহণ নকৰিলে। এই কথাই মোক যথেষ্ট মনোকষ্ট দিলে। দলৰ বৰ্তমানৰ নেতৃত্ব প্ৰতিষ্ঠা কালৰ আদৰ্শৰ পৰা বিচলিত হোৱাটো আটাইতকৈ ডাঙৰ কথা। "বিজেপিয়ে সদায় এক ব্যক্তি এক পদ নীতিত আছিল যদিও বৰ্তমানৰ বিজেপি নেতৃত্বই এই নিয়ম মানি নচলে বুলিও তেওঁ অভিযোগ উত্থাপন কৰে। এই সম্পৰ্কত তেওঁ কয়, 'প্ৰিয়ভাজন একেজন ব্যক্তিয়ে ছয়-সাতটা পৰ্যন্ত পদ আৰু সা-সুবিধা আদায় কৰি আহিছে। এই কথাবোৰ দেখি বহুদিনৰ পৰাই মোৰ দলৰ প্ৰতি বিতৃষা আহিছিল; কিন্তু পদত্যাগ কৰিব পৰা নাছিলো। শেহতীয়াকৈ দল আৰু চৰকাৰৰ কিছু কাণ্ড-কাৰখানাই মোক সাংঘাতিক ধৰণে মনোকষ্ট দিলে। গতিকে পদত্যাগ কৰিবলৈ বাধ্য হ'লো।" উল্লেখ্য যে ড০ লিখক বিজেপিৰ এজন জ্যেষ্ঠ কৰ্মকৰ্তা। তেওঁ ২০১৭ৰ পৰা দুটা কাৰ্যকালৰ বাবে অ'বিচি মৰ্চাৰ ৰাজ্যিক সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰাৰ উপৰি দলৰ তথ্য-প্ৰযুক্তি কোষ (আইটি চেল) আৰু সামাজিক মাধ্যমৰ ৰাজ্যিক আহ্বায়কো আছিল। ইপিনে, মুখ্যমন্ত্ৰীৰ পূব অসম ভ্ৰমণৰ সময়তে শাসক দলৰ দুজনকৈ জ্যেষ্ঠ নেতাই দলত্যাগ কৰা ঘটনাই ব্যাপক চৰ্চা অৰ্জন কৰিছে। এনে অৱস্থাতে এক সূত্ৰই সদৰি কৰা অনুসৰি, দলৰ বৰ্তমানৰ নেতৃত্বক লৈ ক্ষুব্ধ হোৱা বৃহৎসংখ্যক বিজেপিৰ কৰ্মকৰ্তাই দলত্যাগ কৰাৰ প্ৰস্তুতি চলাইছে।

## তিনি বছৰ ধৰি সিদ্ধাৰ্থই

কয় যে সিদ্ধাৰ্থই তিনি বছৰ ধৰি জুবিনক কোনো টকা দিয়া নাছিল, যদিও জুবিন বছৰি কোটি কোটি টকা উপাৰ্জন কৰিছিল। শতাব্দীয়ে জনাই যে জুবিনৰ আৰ্থিক লেনদেনত মেলমিল নাছিল আৰু সিদ্ধাৰ্থই সদায়ে মিছা কথা কৈ তেওঁক বুজাই আহিছিল। শতাব্দী বৰায়ে সামাজিক মাধ্যমত এক লাইভত এই বিষয়ত কয়, "জুবিনদাই তিনি বছৰ ধৰি কোনো টকা পোৱা নাছিল। তেওঁ বছৰি কোটি টকা উপাৰ্জন কৰিলেও তেওঁৰ একাউণ্টত কোনো ধন নাছিল। সিদ্ধাৰ্থই ধনৰ খেলিমেলি কৰিছিল আৰু জুবিনক সেই বিষয়ে মিছা কথা কৈ বুজাই আহিছিল। শেষৰ ফালত জুবিনই সকলোবোৰ গম পাইছিল যে তেওঁক ঠগিছে। ছিংগাপুৰৰ পৰা ঘূৰি আহাৰ পিছত সিদ্ধাৰ্থৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱাৰ সম্ভাৱনা আছিল।" শতাব্দীয়ে আৰু কয় যে জুবিনৰ সহশিল্পী হিচাপে তেওঁ এই সকলোবোৰ সাক্ষাৎ গম পাইছিল আৰু তদন্তত তেওঁলোকে সহায় কৰিবলৈ প্ৰস্তুত।

## শপত ল'লে বিটিচিৰ

নৱনিৰ্বাচিত পাৰিষদসকলক সাংবিধানিক গোপনীয়তাৰ শপত বাক্য পাঠ কৰায়। এই পাৰিষদসকলৰ ২৮ গৰাকী বিপিএফৰ, সাত গৰাকী ইউপিপিএলৰ আৰু পাঁচ গৰাকী বিজেপিৰ। দূৰণিবটীয়া পাৰিষদসকলে বিটিচিৰ সদৰ কোকৰাঝাৰত বুধবাৰেই উপস্থিত হৈ বাহৰ পাতিছে। উল্লেখ্য যে যোৱা পাঁচ অক্টোবৰত মহিলাৰীয়ে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ উপস্থিতিত চতুৰ্থবাৰৰ বাবে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য আৰু ৰিহণ দৈমাৰীয়ে উপ-মুখ্য কাৰ্যবাহীৰূপে শপত গ্ৰহণ কৰে। আনহাতে, মহিলাৰীৰ নেতৃত্বত আগন্তুক বিটিচি পৰিষদত ১২ গৰাকী কাৰ্যবাহী সদস্য থাকিব বুলি তথ্য প্ৰকাশ পাইছে যদিও কোনে কোনে কি দায়িত্ব পাব, তেওঁলোকৰ নাম-তালিকা ৰাজহুৱা হোৱা নাই। এনে অৱস্থাতে চৰ্চা হৈছে যে অহা ১৩ অক্টোবৰত নতুন পৰিষদৰ কাৰ্যবাহী সদস্যবৰ্গই শপত গ্ৰহণ কৰিব। ইপিনে, আগন্তুক বিটিচি বিধান পৰিষদৰ অধ্যক্ষৰূপে ত্ৰিদিপ দৈমাৰীৰ নাম উচ্চাৰিত হোৱাৰ বিপৰীতে উপাধ্যক্ষ ৰূপে বিজেপি পাৰিষদ তথা প্ৰাক্তন মন্ত্ৰী ৰেখাৰাণী দাস বড়োৰ নাম চৰ্চাত আছে। সকলো ঠিকে থাকিলে ত্ৰিদিপ দৈমাৰী আৰু ৰেখাৰাণী দাসবড়ো বিটিচি বিধান পৰিষদৰ অধ্যক্ষ আৰু উপাধ্যক্ষ হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত হোৱাৰ সম্ভাৱনা আছে।

## জুবিনে ন্যায় পাবলৈ

কৰিছো আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত চাৰ্জশ্বীট দাখিল কৰিম। জুবিনৰ বাবে ন্যায় নিশ্চিত কৰিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ, কাকো ৰেহাই দিয়া নহ'ব।" মুখ্যমন্ত্ৰীয়ে স্পষ্ট কৰিছে যে সকলো অভিযুক্তক আদালতত হাজিৰ কৰোৱা হ'ব আৰু চাৰ্জশ্বীট দাখিলত কোনো বিলম্ব হ'ব নোৱাৰে। তেওঁ কয়, "সাধাৰণতে তিনি মাহৰ ভিতৰত চাৰ্জশ্বীট দাখিল কৰা হয়। ন্যায়ালয়ে দোষীসকলক শাস্তি দিব পৰাকৈ আমি কোনো সময় নষ্ট নকৰিম।" তদন্তৰ অংশ হিচাপে ছিংগাপুৰত থকা অসম এছ'চিয়েশ্যনৰ সদস্যসকলৰ পৰা তথ্য সংগ্ৰহৰ প্ৰচেষ্টা চলি আছে। তেওঁ জানিবলৈ দিয়ে যে এজন সদস্যৰ বাহিৰে বাকীসকল এছআইটিৰ জাননীৰ পিছতো ভাৰতলৈ ঘূৰি অহা নাই। "আমি তেওঁলোকক ঘূৰাই আনিবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছো। ধৈৰ্য্যৰে কাম কৰিলেহে ন্যায় সম্ভৱ" তেওঁ কয়। ছিংগাপুৰত তদন্তৰ প্ৰশ্নত শৰ্মাই কয়, "ভাৰতীয় আৰক্ষীয়ে আন এখন সাৰ্বভৌম ৰাষ্ট্ৰত তদন্ত কৰিব নোৱাৰে, যেনেকৈ ছিংগাপুৰৰ আৰক্ষীয়ে ইয়ালৈ আহি তদন্ত কৰিব নোৱাৰে। তথাপি ছিংগাপুৰ আৰক্ষীৰ সহযোগিতাৰ ওপৰত আমি আশাবাদী। আমাক হোটেলৰ ভিডিঅ' ফুটেজ, ইয়টৰ তথ্য আৰু সংশ্লিষ্ট দুজন ব্যক্তিৰ বিবৃতিৰ প্ৰয়োজন।" তেওঁ প্ৰকাশ কৰে যে ছিংগাপুৰৰ ফৰেনচিক প্ৰতিবেদন ইতিমধ্যে অসম আৰক্ষীৰ সৈতে শ্বেয়াৰ কৰা হৈছে, যাৰ ফলত চাৰ্জশ্বীট দাখিল সহজ হ'ব। মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে তেওঁ এই মাহৰ শেষত ভাৰতত থকা ছিংগাপুৰৰ ৰাষ্ট্ৰদূতৰ সৈতে সাক্ষাৎ কৰি তদন্তত অধিক সহযোগিতা বিচাৰিব। "অসম আৰু ছিংগাপুৰৰ মাজত বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ ভিত্তিত আমি তেওঁলোকৰ সহায় পাম বুলি বিশ্বাস কৰোঁ। তদন্ত অতি কঠোৰভাৱে চলি আছ " তেওঁ আশ্বাস দিয়ে। এই ঘোষণাই জুবিন গাৰ্গৰ অনুৰাগী আৰু জনসাধাৰণৰ মাজত ন্যায়ৰ প্ৰতি আশা জগাই তুলিছে।

## বাল্মিকীয়ে মানৱতাৰ কল্যাণৰ

বাল্মিকী সমাজ সেৱা মণ্ডলৰ আয়োজিত মহৰ্ষি বাল্মিকী জয়ন্তীৰ অনুষ্ঠানত তেওঁ এই কথা প্ৰকাশ কৰে। ভাগৱতে উল্লেখ কৰে যে ভগৱান ৰাম অনাদি কালৰ পৰা বিদ্যমান হ'লেও বাল্মিকীয়ে তেওঁৰ ৰামায়ণৰ জৰিয়তে ৰামৰ আদৰ্শক প্ৰতিঘৰত পৰিচিত কৰি তুলিছিল। তেওঁ কয়, "বাল্মিকীৰ হৃদয়ত সকলো জীৱৰ প্ৰতি কৰুণা আৰু সহানুভূতি আছিল। তেওঁ ৰামায়ণ ৰচনা কৰিছিল যাতে মানুহে ভগৱান ৰামৰ জীৱনৰ পৰা শক্তি আৰু প্ৰেৰণা লাভ কৰিব পাৰে।" ভাগৱতে ব্যাখ্যা কৰে যে ৰামায়ণে মানৱ জীৱনৰ বিভিন্ন ভূমিকা—পুত্ৰ, ভাতৃ, বন্ধু, শাসক বা সেৱকৰ আদৰ্শ আচৰণৰ পাঠ দিয়ে, আনুগত্য আৰু কৰ্তব্যৰ জৰিয়তে চৰিত্ৰ গঠনৰ শিক্ষা প্ৰদান কৰে। ভাগৱতে আৰু কয় যে ভগৱান ৰাম সামাজিক মূল্যবোধৰ প্ৰতীক আৰু হনুমান ভক্তিৰ আদৰ্শ উদাহৰণ। তেওঁৰ মতে, "বাল্মিকীয়ে ৰামায়ণৰ মাধ্যমেৰে কেৱল কাহিনী নহয়, জীৱনৰ এক কালজয়ী দৰ্শন প্ৰদান কৰিছিল। ভাৰতীয় সংস্কৃতি আৰু নৈতিকতাৰ উৎস এই মহাকাব্যৰ মাজত নিহিত আছে।" তেওঁ উল্লেখ কৰে যে ৰামায়ণৰ ইতিহাস প্ৰায় ৮, ০০০ বছৰ পুৰণি, আৰু বাল্মিকীৰ সপোন আজিও ধৈৰ্য্য আৰু নিৰন্তৰ প্ৰচেষ্টাৰে বাস্তৱায়িত কৰা সম্ভৱ। ভাগৱতে নাগৰিকসকলক সোঁৱৰাই কয়, "ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাৰ প্ৰতি আমাৰ দায়িত্ব আছে। এই পৱিত্ৰ ভূমিত আমাৰ নিজৰ প্ৰচেষ্টাৰে মানৱতাৰ কল্যাণ সম্ভৱ।" প্ৰতি বছৰ হিন্দু পঞ্জিকাৰ আহিন মাহৰ পূৰ্ণিমা তিথিত মহৰ্ষি বাল্মিকী জয়ন্তী বা পাৰঘাট দিৱস উদযাপিত হয়, যিটো ৰামায়ণৰ ৰচয়িতা মহৰ্ষি বাল্মিকীৰ জন্মৰ স্মৃতিত পালন কৰা হয়।

## বিজেপিয়ে মোক জাৱৰৰ দৰে

(নগাঁও) লোকসভা কেন্দ্ৰৰ পৰা চাৰিবাৰ সাংসদ হিচাপে প্ৰতিনিধিত্ব কৰিছিল (১৯৯৯-২০১৯) আৰু নৰেন্দ্ৰ মোদী চৰকাৰৰ প্ৰথম কাৰ্যকালত (২০১৪-২০১৯) ৰে'লৰ ৰাজ্যিক মন্ত্ৰীৰ দায়িত্ব পালন কৰিছিল। তেওঁৰ নেতৃত্বত বিজেপিয়ে অসমত সাংগঠনিক শক্তি বৃদ্ধি কৰিছিল। কিন্তু সম্প্ৰতি দলৰ নীতি আৰু পৰিচালনাৰ প্ৰতি অসন্তোষৰ বাবে তেওঁ এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ অভিযোগ কৰিছে যে বিজেপিয়ে অসমৰ মূলনিবাসীৰ স্বাৰ্থ ৰক্ষা কৰাত ব্যৰ্থ হৈছে আৰু বাহিৰৰ লোকক বসতিৰ সুযোগ দি আদিবাসী সম্প্ৰদায়ৰ প্ৰতি বিশ্বাসঘাতকতা কৰিছে। ৰাজেন গোহাঁইৰ পদত্যাগৰ পিছত তেওঁৰ ভৱিষ্যত ৰাজনৈতিক পথৰ বিষয়ে জল্পনা-কল্পনা চলিছে। সূত্ৰৰ মতে, তেওঁ অতি সোনকালে বড়োলেণ্ড পিপলছ ফ্ৰণ্টৰ দৰে কোনো আঞ্চলিক দলত যোগদান কৰাৰ সম্ভাৱনা আছে। এই ঘটনাই ২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপিৰ বাবে মুখ্যম আঘাত হিচাপে পৰিগণিত হৈছে। গোহাঁইৰ এই পদক্ষেপে অসমৰ ৰাজনৈতিক সমীকৰণত নতুন মাত্ৰা যোগ কৰিব বুলি ধাৰণা কৰা হৈছে।

## ব্ৰিটেইনৰ বিশ্ববিদ্যালয়ে

সহযোগিতাৰ ক্ষেত্ৰত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই বৈঠকৰ অন্যতম প্ৰধান ঘোষণা হৈছে ব্ৰিটেইনৰ ৯খন বিখ্যাত বিশ্ববিদ্যালয়ে ভাৰতৰ প্ৰধান চহৰসমূহত কেম্পাছ স্থাপনৰ পৰিকল্পনা। মোদীয়ে বৈঠকৰ পিছত এক যৌথ বিবৃতিত কয়, "ভাৰত আৰু ব্ৰিটেইনৰ সম্পৰ্ক গণতন্ত্ৰ, স্বাধীনতা আৰু আইনৰ শাসনৰ ভিত্তিত গঢ় লৈ উঠিছে। বিশ্বৰ অস্থিৰ পৰিস্থিতিত এই সম্পৰ্ক বিশ্বৰ স্থিতিশীলতা আৰু অৰ্থনৈতিক উন্নয়নৰ এক স্তম্ভ হিচাপে কাম কৰিব।" বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে জানিবলৈ দিয়ে যে দুয়োখন দেশে অৰ্থনৈতিক সংহতি ত্বৰান্বিত কৰাৰ বিষয়েও আলোচনা কৰিছে। শিক্ষা ক্ষেত্ৰত, ছাউথমপটন বিশ্ববিদ্যালয়ে ইতিমধ্যে গুৰুগ্ৰামত এটা কেম্পাছ মুকলি কৰিছে। ইয়াৰ উপৰি লিভাৰপুল বিশ্ববিদ্যালয়ে বেংগালুৰুত, ইয়ৰ্ক আৰু এবাৰডিন বিশ্ববিদ্যালয়ে মুম্বাইত, আৰু ব্ৰিষ্টল বিশ্ববিদ্যালয়ে মুম্বাইত নতুন এণ্টাৰপ্ৰাইজ কেম্পাছ স্থাপনৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অনুমোদন লাভ কৰিছে। এই কেম্পাছসমূহে ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ বাবে বিশ্বমানৰ শিক্ষাৰ সুযোগ প্ৰদান কৰিব। সামৰিক ক্ষেত্ৰত, দুয়োখন দেশৰ মাজত যৌথ প্ৰশিক্ষণৰ চুক্তি স্বাক্ষৰিত হৈছে। ভাৰতীয় বায়ুসেনাৰ প্ৰশিক্ষকসকলে ব্ৰিটেইনৰ ৰয়েল এয়াৰ ফৰ্চৰ সৈতে একেলগে কাম কৰিব, আৰু যৌথ-উৎপাদনৰ সম্ভাৱনাও অন্বেষণ কৰা হৈছে। অৰ্থনৈতিক ক্ষেত্ৰত, যোৱা জুলাইত স্বাক্ষৰিত ভাৰত-ব্ৰিটেইন সৰ্বাংগীণ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি (CETA)ৰ জৰিয়তে ভাৰতৰ ৯৯ শতাংশ ৰপ্তানি ব্ৰিটেইনলৈ শুল্কমুক্ত কৰা হৈছে। এই তালিকাত বস্ত্ৰ, চামৰা, সাগৰীয় সামগ্ৰী, ৰত্ন, গহনা, খেলনা, অভিযান্ত্ৰিক আৰু ৰাসায়নিক সামগ্ৰীৰ লগতে অটো পাৰ্টছ অন্তৰ্ভুক্ত।

## সাংসদ অজিত কুমাৰ ভূঞাৰ

মিছা আৰু ক্ষতিকাৰক বাতৰিৰ অভিযোগ উত্থাপন কৰি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগত (চিআইডি) এজাহাৰ দাখিল কৰিছে। এই বাতৰিসমূহে তেওঁৰ ভাৱমূৰ্তি বিনষ্ট কৰাৰ উদ্দেশ্যে প্ৰচাৰ কৰা হৈছে বুলি তেওঁ দাবী কৰিছে। চিআইডিলৈ দাখিল কৰা এজাহাৰত সাংসদ ভূঞাই উল্লেখ কৰিছে যে, কিছুমান নিউজ চেনেলে তেওঁৰ নামত ভুৱা উদ্ধৃতি ব্যৱহাৰ কৰি বাতৰি প্ৰচাৰ কৰিছে। এই বাতৰিত কোৱা হৈছে যে তেওঁ জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ কথা উল্লেখ কৰি কৈছে, "জোনমনি ৰাভা গোচৰৰ দৰে জুবিন গাৰ্গৰ গোচৰটোও ওলমি থাকিব। মানুহে আন্দোলন আৰম্ভ কৰিব লাগিব; দোকান-পোহাৰ আৰু অন্যান্য প্ৰতিষ্ঠানৰ ক্ষতি কৰিব লাগিব আৰু তাৰ ফলত ৰাজপথত অশান্তিৰ সৃষ্টি হ'ব, তেতিয়াহে চৰকাৰে নিদ্ৰাৰ পৰা উঠিব।" সাংসদ ভূঞাই স্পষ্ট কৰিছে যে তেওঁ কেতিয়াও এনে কথা কোনো সংবাদ প্ৰতিনিধি বা ছ'চিয়েল মিডিয়া হেণ্ডেলত প্ৰকাশ কৰা নাই। তেওঁ অভিযোগ কৰিছে যে এই মিছা বাতৰি তেওঁক বদনাম কৰাৰ লগতে সমাজত অশান্তি সৃষ্টিৰ উদ্দেশ্যে প্ৰচাৰ কৰা হৈছে। তেওঁৰ দাবী, এই কাৰ্যৰ পাছত থকা ব্যক্তিসকলে ভাৰতীয় ন্যায় সংহিতা (BNS), ২০২৩ৰ বিভিন্ন ধাৰা আৰু তথ্য প্ৰযুক্তি আইন, ২০০০ৰ অধীনত অপৰাধ সংঘটিত কৰিছে। তেওঁ চিআইডিক এই অচিনাকি ব্যক্তিসকলৰ বিৰুদ্ধে তদন্ত কৰি গোচৰ ৰুজু কৰাৰ অনুৰোধ জনাইছে।

## অসম-মেঘালয় সীমান্তৱৰ্তী

কটাক কেন্দ্ৰ কৰি দুয়োখন ৰাজ্যৰ সীমান্তবাসী লোকৰ মাজত সংঘৰ্ষৰ সৃষ্টি হয়। আমাৰ পশ্চিম কাৰ্বি আংলঙৰ সংবাদদাতাই জনোৱা মতে খাচি লোকৰ চোকা অস্ত্ৰৰ আক্ৰমণত অৰিয়েল টিমুং নামৰ এজন লোকৰ মৃত্যু হোৱাৰ উপৰি ষ্টেনৰেল টিমুং নামৰ আন এজন লোক গুৰুতৰভাৱে আহত হয়। সংঘৰ্ষৰ খবৰ পোৱাৰ লগে লগে অসম আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে কন্দুৱা গেছপ্ৰয়োগ কৰে। আৰক্ষীয়ে গুৰুতৰভাৱে আহত লোকজনক উন্নত চিকিৎসাৰ বাবে হোজাইৰ এখন ব্যক্তিগত চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ লগতে অৰিয়েল টিমুঙৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফু চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। সম্প্ৰতি পৰিস্থিতি নিয়ন্ত্ৰণত আছে যদিও অঞ্চলটোত চেপা উত্তেজনাই বিৰাজ কৰিছে। উল্লেখযোগ্য যে যোৱা ৬ অক্টোবৰত দুয়োখন ৰাজ্যৰ সীমান্তৱৰ্তী শান্তি সমিতিৰ মাজত অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত সীমান্ত অঞ্চলটোত শান্তি বাহাল নোহোৱা পৰ্যন্ত দুয়োপক্ষই কৃষি কৰ্মকে ধৰি সকলো উন্নয়নমূলক কাৰ্য স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

# চিত্ৰ পৰিচালক নাট্যকাৰ অৰূপ বৰঠাকুৰৰ মৃত্যু

## কামপুৰত গভীৰ শোকৰ ছাঁ



**অসম বাৰ্তা, কামপুৰ, ৯ অক্টোবৰ ঃ** 'নতুন আশা' চুটি ছবিৰে ১৯৯১ চনত ৰজত কমল বঁটাৰে সন্মানিত কামপুৰৰ সু সন্তান অৰূপ বৰঠাকুৰৰ মৃত্যুত কামপুৰ অঞ্চলত গভীৰ শোকৰ ছাঁ পেলাইছে। ১৯৫৮ চনত কামপুৰ ডেকাপতীয়া গাঁৱৰ বৰঠাকুৰ পৰিয়ালত জন্ম গ্ৰহণ কৰা অৰূপ বৰঠাকুৰে কামপুৰ কামেশ্বৰ বৰঠাকুৰ মজলীয়া বিদ্যালয়ত শিক্ষা আৰম্ভ কৰি নগাঁও ডচন, আৰ্য বিদ্যাপীঠ স্কুল আৰু সেই কলেজৰ পৰাই হায়াৰ চেকেণ্ডেৰী পাছ কৰি ১৯৭৫ চনত মুম্বাইত কথাছবি পৰিচালনাৰ শিক্ষা গ্ৰহণ কৰে। কামপুৰৰ বিশিষ্ট সমাজকৰ্মী কমল বৰঠাকুৰ আৰু বুলু বৰঠাকুৰৰ সন্তান শিল্পী পেঞ্চনাৰ অৰূপ বৰঠাকুৰে কৰ্মসূত্ৰে গুৱাহাটীৰ জটিয়াত বসবাস কৰিছিল। চিৰিয়াছ নাট্য কৰ্মী বৰঠাকুৰে ১৯৮২ চনৰ পৰা তিনিখন কথাছবিত সহকাৰী পৰিচালক আৰু 'দেবী' চিনেমাৰ মুখ্য সহকাৰী পৰিচালক ৰূপে সাংস্কৃতিক পথাৰ খনত খোজ পেলায়। বৰঠাকুৰে অসমৰ লগতে ভাৰতৰ বিভিন্ন ঠাইত প্ৰায় ৪৮খন নাটকৰ ভিতৰত ৪০ খনত শ্ৰেষ্ঠ পৰিচালক আৰু সাতবাৰ শ্ৰেষ্ঠ নাট্যকাৰ বঁটা লাভ কৰিছিল। তেওঁৰ পৰিচালিত কথাছবি কেইখন হল ধোৱা, দূৰ-সীমনা, মনসা, নবৌ আৰু যোদ্ধা। গুৱাহাটী দুৰদৰ্শন যোগে প্ৰচাৰিত ধাৰাবাহিকৰ ভিতৰত অগ্নিপথ, কালচক্ৰ আৰু জোনাক নামিল বনত প্ৰধান। ছুটিছবিৰ ভিতৰত আছে 'দায়ী কোন', 'নতুন প্ৰভাত', 'জীৱন সংগ্ৰাম' আৰু 'নতুন আশা'। ২০১২ চনৰ অসম নাট্য সন্মিলনৰ পূৰ্ণাংগ নাট সমাৰোহত বৰঠাকুৰৰ 'অভিমানে যেতিয়া হৃদয় স্পৰ্শে' নাটকে শ্ৰেষ্ঠ নাট্যকাৰৰ সন্মান লাভ কৰে। আজি এই সাংস্কৃতিক কৰ্মী গৰাকীৰ মৃত্যুৰ বাতৰি পোৱাৰ পিছতে কামপুৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। কামপুৰ উন্নতি সাধিনী সভা, কামপুৰ জ্যেষ্ঠ নাগৰিক সন্মিলন, অসম জাতীয়তাবাদী যুব ছাত্ৰ পৰিষদ, কামপুৰ ছাত্ৰ সমাজ, কামপুৰ প্ৰাক্তন ছাত্ৰ সমন্বয়ৰক্ষী সমিতি, কৃষক মুক্তি সংগ্ৰাম সমিতি, কামপুৰ বামন সমাজ, কামপুৰ প্ৰেছ ক্লাব, কামপুৰ সাংবাদিক সমাজ, কামপুৰ নৱজ্যোতি সমাজ, আছপাছ, আৰোহণ, সমাজকৰ্মী বিভূতি ভূষণ বৰঠাকুৰ, নিৰঞ্জন বৰা আদিয়ে গভীৰ সমবেদনা জ্ঞাপন কৰিছে। ৬৮বছৰীয়া বৰঠাকুৰে মৃত্যুৰ সময়ত পত্নী, এজন পুত্ৰ সহ বহু আত্মীয় স্বজন ইহ-সংসাৰত এৰি থৈ যায়।

# নলবাৰী জিলাৰ নপ্তিপাৰাত দুদিনীয়াকৈ ষোড়শ বাৰ্ষিক শাৰদীয় পূৰ্ণিমা মহোৎসৱৰ উদ্‌যাপন

**অসম বাৰ্তা, বৰক্ষেত্ৰী, ৯ অক্টোবৰ ঃ** নলবাৰী জিলাৰ নপ্তিপাৰাস্থিত সৰ্বজনীন শ্ৰীশ্ৰী বাৰগোপাল থান পৰিচালনা সমিতিৰ সৌজন্যত ষোড়শ বাৰ্ষিক শাৰদীয় পূৰ্ণিমা মহোৎসৱ দুদিনীয়াকৈ উদযাপন কৰা হয়। দাৰমন কালাতুলি মিলন প্ৰাথমিক বিদ্যালয় প্ৰাংগণত যোৱা মঙ্গলবাৰ আৰু বুধবাৰে দুদিনীয়াকৈ অনুষ্ঠিত হোৱা অনুষ্ঠানটি আজি ১৬ বছৰ ধৰি অনুষ্ঠিত কৰি আহিছে অঞ্চলবাসীয়ে। ষোড়শ বাৰ্ষিক সৰ্বজনীন শাৰদীয় পূৰ্ণিমা মহোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি দীনেশ বৈশ্য আৰু সাধাৰণ সম্পাদক ভাস্কৰজ্যোতি তালুকদাৰক লৈ গঠিত সমিতিয়ে জনোৱা অনুসৰি আজি ১৬ বছৰ ধৰি ধৰ্মীয় নীতি-নিয়ম অনুসৰি পালিত হৈ আহিছে অনুষ্ঠানটি। কাৰ্যসূচী অনুসৰি মঙ্গলবাৰে পুৱা ৭ বজাত বন্তি প্ৰজ্বলন কৰে তাৰিণী বৈশ্যই, ৭.১৫ বজাত ধৰ্মধ্বজা উত্তোলন কৰে উদযাপন সমিতিৰ সভাপতি দীনেশ বৈশ্যই, ৭.৩০ বজাত শ্বহীদ তৰ্পণ কৰে বাৰগোপাল থান পৰিচালনা সমিতিৰ সভাপতি পৰেশ বড়োই, ৮.০০ বজাত বৃক্ষৰোপণ কৰে দাৰমন কালাতুলি মিলন প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক প্ৰশান্ত বৈশ্য, শুধাংশু গোস্বামী এম. ই স্কুলৰ প্ৰধান শিক্ষক নাৰায়ণ বৈশ্য আৰু শুধাংশু গোস্বামী হাইস্কুলৰ প্ৰধান শিক্ষক অনিল তালুকদাৰে। ৰাতিপুৱা ৮ বজাত ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰে শিক্ষক দিলীপ তালুকদাৰে। পুৱা ১০ বজাত দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰে জাগাৰাস্থিত উত্তৰ কামপীঠ কনিষ্ঠ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ নগেন চন্দ্ৰ বেজবৰুৱাই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰে উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভাপতিদ্বয় ক্ৰমে প্ৰফুল্ল ডেকা আৰু গোলক চন্দ্ৰ বৈশ্যৰ লগতে স্থানীয় লোকসকলে। সন্ধিয়া ৫.৩০ বজাত আতচ্ বাজী প্ৰদৰ্শনৰ পিছতে সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰে। আনহাতে, ৮ অক্টোবৰৰ ৰাতিপুৱা ৭.০০ বজাত চাফাই অভিযান পৰিচালনা কৰে নিৰঞ্জন বৈশ্যই, ৭.৩০ বজাত বন্তি প্ৰজ্বলন কৰে ২নং গোপ গোপাল থানৰ দেউৰী লোহিত বৈশ্যই। পুৱা ১০ বজাত ভাগৱত পাঠ আৰু ধৰ্মালোচনী সভা উদ্বোধন কৰে উত্তৰ কামপীঠ মহাবিদ্যালয়ৰ অধ্যক্ষ পংকজ ৰয়ে। নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে নলবাৰী জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধ্ৰুৱ শৰ্মা। দিনৰ ১২ বজাত ভোগ বিতৰণ আৰু দুপৰীয়া ২ বজাৰ পৰা নপ্তিপাৰা দাৰমনৰ পাঠিকা কৃষ্টি কৃষাণী বৈশ্য, বনগাঁৱৰ পাঠক মিলন দাসৰ লগতে লাউপাৰাৰ পাঠক প্ৰণৱজ্যোতি মেধিৰ দ্বাৰা নাগাৰা নাম পৰিৱেশন কৰা হয়। নাগাৰা নাম উদ্বোধন কৰে গৌতম বেজবৰুৱাই। বন্তি প্ৰজ্বলন কৰে উষাৰাণী ডেকা, গৌতম বেজবৰুৱা, জীৱন বৈশ্য, নৰেশ ডেকা, বিনোদ ডেকাৰ লগতে বিভিন্ন প্ৰান্তৰ গণ্য-মান্য লোকে। সন্ধিয়া আতচ্‌বাজীও প্ৰদৰ্শন কৰে গঙ্গা যমুনা এগ্ৰো ৰিজৰ্টৰ স্বত্বাধিকাৰী দিম্পুৰাজ তালুকদাৰে। আনহাতে, সদ্যপ্ৰয়াত জনতাৰ শিল্পীৰূপে পৰিচিত জুবিন গাৰ্গৰ প্ৰতিও গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সমূহ গাওঁবাসীয়ে। অঞ্চলটোৰ যুৱক-যুৱতী, আবাল বৃদ্ধ-বণিতই প্ৰয়াত শিল্পীগৰাকীৰ বাবে ন্যায় প্ৰদানৰ বাবেও অসমৰ মুখ্যমন্ত্ৰীক আহ্বান জনায়। মুঠতে, বৰক্ষেত্ৰীৰ বিভিন্ন প্ৰান্তৰ লগতে অঞ্চলটোতো এনেদৰে প্ৰাণৰ শিল্পীগৰাকীক সুঁৱৰি আৱেগিক হৈ পৰিছে স্থানীয় লোকসকল।

# সৰুপথাৰৰ অমৰ প্ৰাণ চাংমাইক "প্ৰগতিশীল কাঠফুলা খেতিয়ক বঁটা-২০২৫" প্ৰদান




**অসম বাৰ্তা, ধনশিৰি, ৯ অক্টোবৰ ঃ** সৰুপথাৰ সমজিলালৈ পুনৰ এক ভাল খবৰ। নিজ কৰ্মৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্ষতে চৰ্চিত হবলৈ সক্ষম হোৱা সৰুপথাৰ টেঙাবাৰী অঞ্চলৰ বিশিষ্ট কাঠফুলা খেতিয়ক অমৰ প্ৰাণ চাংমাইয়ে লাভ কৰিছে "প্ৰগতিশীল কাঠফুলা খেতিয়ক-২০২৫ বঁটা"। ভাৰতৰ সৰ্বোচ্চ কাঠফুলা গৱেষণা কেন্দ্ৰ হিমাচল প্ৰদেশৰ আই, চি, এ, আৰ ডি, এম, আৰ চ'লান কাঠফুলা সঞ্চালকালয় চ'লানে আগবঢ়াইছে এই বঁটা। ১৭ বছৰ ধৰি একেলেঠাৰিয়ে কাঠফুলা উৎপাদনত লাগি থাকি দুই হাজাৰতকৈও অধিক খেতিয়কক উৎসাহিত কৰি গোটেই অসমতে এক নৱজাগৰণৰ সূচনা কৰিবলৈ সক্ষম হোৱাৰ ফলস্বৰূপে ৩০ ছেপ্টেম্বৰ ২০২৫ তাৰিখে তেখেতক আনুষ্ঠানিকভাৱে এই বঁটা প্ৰদান কৰা হয়। বিশেষকৈ অমৰ প্ৰাণ চাংমাইৰ কাঠফুলা খেতিৰ উন্নত মানৰ টোপালা, ওলমোৱা পদ্ধতি, বায়ু চলাচল নিয়ন্ত্ৰণ আৰো প্ৰাকৃতিক ভাবে আৰ্দ্ৰতা ধৰি ৰাখিব পৰা বিজ্ঞান সন্মত মজিয়া প্ৰস্তুতকৰণ অসমৰ ভিতৰতে সৰ্বাধিক সতেজ কাঠফুলা উৎপাদনত আই, চি, এ, আৰ ডি, এম, আৰৰ কৰ্তৃপক্ষ বিশেষভাৱে আকৃষ্ট হৈছিল। অমৰ প্ৰাণ চাংমায়ে এই বঁটা লাভ কৰি যথেষ্ট আনন্দিত হৈ পৰে আৰু তেখেতক সকলো সময়তে উৎসাহিত কৰি থকা কাছ-নাছৰ জন্মদাতা লোহিত গগৈ, এ, এ, ইউৰ ড° অপূৰ্ব দাস, কাৰ্যকৰী সঞ্চালক, সমন্বিত ব্যৱসায়িক সংস্থা অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যান শস্য গৱেষণা কাঁহিকুছি চৌহদ, গুৱাহাটিৰ ড° ধীৰেন্দ্ৰনাথ কলিতা আৰু কেভিকেৰ মুখ্য বিজ্ঞানি খুমটাইৰ ড° মধুস্মিতা শৰ্মা, তেখেতৰ পৰিয়ালবৰ্গ, সহধৰ্মিনী, তেখেতৰ সকলো আত্মীয়ৰ লগতে অসমৰ বিভিন্ন প্ৰান্তৰ শুভাকাংক্ষী বন্ধু-বান্ধৱী আৰু খেতিয়ক সকলক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। আনহাতে একনিষ্ঠ কৰ্ম্মৰ প্ৰতি সঠিক সন্মান প্ৰদৰ্শন কৰি এই বঁটা প্ৰদানৰ বাবে কাঠফুলা গৱেষণা সঞ্চালকালয়, চ'লান ডিএমআৰকো তেখেতে কৃতজ্ঞতা জ্ঞাপন কৰে।

# মেগেলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বন্যপ্ৰাণী সপ্তাহ উদ্‌যাপন




**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ ডাঙৰী অঞ্চলৰ অগ্ৰণী শিক্ষানুষ্ঠান মেগেলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বুধবাৰে বন্যপ্ৰাণী সপ্তাহ উদ্‌যাপন কৰা হয়। ওৱাইল্ডলাইফ ট্ৰাষ্ট অব ইণ্ডিয়া, আৰ্ট ফৰ নেচাৰ আৰু ছৈখোৱা বনাঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত মেগেলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত এই অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ মাজত দুটা শাখাত এখনি চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি বিদ্যালয়ৰ অধ্যক্ষ নবুল সোণোৱালৰ সভাপতিত্বত অনুষ্ঠিত মুকলি আৰু বঁটা বিতৰণী সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আৰ্ট ফৰ নেচাৰৰ ভাষা আৰু সংযোগৰ মুৰব্বী সুমিত দাসে। ইয়াৰ পাছতে ছৈখোৱা বনাঞ্চলিক কাৰ্যালয়ৰ ৰেঞ্জাৰ বিজয় চেতিয়াপাত্ৰই এইবাৰৰ বন্যপ্ৰাণী সপ্তাহৰ মূল বিষয় - 'মানুহ আৰু বন্যপ্ৰাণীৰ সহাৱস্থান'ৰ ওপৰত বক্তব্য ৰখাৰ লগতে ছৈখোৱা বনাঞ্চলিক কাৰ্যালয়ৰ এলেকাত মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত ৰোধৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে কয়। ছৈখোৱা প্ৰেছ ক্লাবৰ সভাপতি তথা প্ৰকৃতিপ্ৰেমী শান্তনু গোস্বামীয়ে সভাত বন্যপ্ৰাণী সংৰক্ষণৰ কাম কৰিবলৈ যাওঁতে লাভ কৰা অভিজ্ঞতা বৰ্ণনা কৰাৰ লগতে মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সংঘাত সৃষ্টিৰ মুলতে মানৱজাতি আৰু ইয়াৰ সমাধানসূত্ৰ মানৱজাতিয়েই উলিয়াব লাগিব বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তিনিচুকীয়া জিলা শিশু বিজ্ঞান সমাৰোহৰ জিলা সমন্বয়ক দিগন্ত কুমাৰ ভাজনীয়ে বন্যপ্ৰাণী সংৰক্ষণৰ বাবে এইদৰে সভা পাতি সজাগতা বৃদ্ধি কৰিবলগীয়া হোৱাটো মানৱজাতিৰ বাবে লজ্জাজনক বুলি মন্তব্য কৰাৰ লগতে সম্প্ৰতি বিলুপ্ত হ'বলৈ ধৰা গছ-বন সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আৰ্ট ফৰ নেচাৰৰ ভাষা আৰু যোগাযোগৰ মুৰব্বী সুমিত দাসে সহজ সৰল ভাষাৰে প্ৰকৃতি সংৰক্ষণৰ ওপৰত দীঘলীয়া বক্তব্য ৰাখে। সভাত ৱাইল্ড লাইফ ট্ৰাষ্ট অৱ ইণ্ডিয়াৰ প্ৰকল্প বিষয়া দীপাংকৰ বৰ্মন, বন বিভাগৰ বিষয়া-কৰ্মচাৰী, বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে। এই সভাতে চিত্ৰাংকন প্ৰতিযোগিতাত বিজয়ীসকলক বঁটা প্ৰদান কৰা হয়।

# তিনিচুকীয়াত ভাৰতীয় মানক ব্যুৰ'ৰ গুৰুত্বপূৰ্ণ আলোচনা চক্ৰ সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ অক্টোবৰ ঃ** বিশ্ব মানক দিৱসৰ সৈতে সঙ্গতি ৰাখি ভাৰতীয় মানক ব্যুৰ'(বি আই এছ)ৰ অংশীদাৰ সন্মিলন এখন আজি তিনিচুকীয়া চহৰৰ হোটেল এৰোমা ৰেছিডেন্সীত অনুষ্ঠিত হয়। সন্মিলনৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিশানে। এই উপলক্ষে আয়োজিত সজাগতামূলক আলোচনা চক্ৰ এখনত কেইবাগৰাকীও বিশেষজ্ঞ ব্যক্তিয়ে বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰে। নিৰ্দিষ্ট বক্তাসকলৰ ভিতৰত আছিল ঔদ্যোগিক পাম ব্যৱহাৰকাৰী সন্থাৰ সভাপতি জি এল পাৰিক, ভাৰতীয় মানক ব্যুৰ'ৰ গুৱাহাটী কাৰ্যালয়ৰ উপ-সঞ্চালক আশুতোষ ৰায়, ডিব্ৰুগড় বাৰ এচোছিয়েশ্যনৰ অধিবক্তা এছ চি গোস্বামী আৰু ভাৰতীয় মানক ব্যুৰ'ৰ পৰামৰ্শদাতা ড° শশাঙ্ক শেখৰ বৰকটকী। তেওঁলোকে গ্ৰাহকৰ অধিকাৰ, বিক্ৰেতা-উৎপাদকৰ কৰণীয় আৰু ভাৰতীয় মানক ব্যুৰ'ৰ কাৰ্য-প্ৰণালী আদিৰ বিষয়ে বিৱৰি কয়। ড° বৰকটকীয়ে চাহ উদ্যোগত জলবায়ু পৰিবৰ্তনৰ প্ৰভাৱ আৰু মানদণ্ডৰ ভূমিকা সম্পৰ্ক বক্তব্য দাঙি ধৰে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই প্ৰশ্নোত্তৰ কালত তেওঁৰ অভিজ্ঞতাৰ ভিত্তিত কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে আদৰণি ভাষণ দিয়ে ভাৰতীয় মানক ব্যুৰ'ৰ যুটীয়া সঞ্চালক আইজাক গিনলালডিনে। আলোচনা চক্ৰত তিনিচুকীয়া অঞ্চলৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান, উৎপাদন সংস্থা আদিৰ প্ৰতিনিধি, ছাত্ৰ-ছাত্ৰী আৰু সাংবাদিকে অংশগ্ৰহণ কৰে।

## প্ৰায় দুই সহস্ৰাধিক শিশু, কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন

# ডিব্ৰুগড়ত স্বাস্থ্যমন্ত্ৰী অশোক সিংঘালৰ উপস্থিতিত "শুশ্ৰূষা সেতু"ৰ উদ্বোধন মন্ত্ৰী প্ৰশান্ত ফুকনৰ



**ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৯ অক্টোবৰ ঃ** ডিব্ৰুগড়ত আজি স্বাস্থ্যমন্ত্ৰী অশোক সিংঘাল আৰু অসম চৰকাৰৰ মেডিকেল শিক্ষা, শক্তি ইত্যাদি বিভাগৰ মন্ত্ৰী তথা ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকনৰৰ উপস্থিতিত ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত "শুশ্ৰূষা সেতু" শীৰ্ষক বিধানসভা সভা সমষ্টি ভিত্তিক মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী চিন্তাধাৰা তথা নেতৃত্বত আৰু স্বাস্থ্যমন্ত্ৰী অশোক সিংঘালৰ নিৰ্দেশনাত অসম চৰকাৰৰ স্বাস্থ্য বিভাগে ছেপ্টেম্বৰ মাহৰ পৰা সমগ্ৰ ৰাজ্যজুৰি বিধানসভা সমষ্টি ভিত্তিক মেগা স্বাস্থ্যশিবিৰ আৰম্ভ কৰিবলৈ লোৱা পদক্ষেপৰ অংশ হিচাপে ডিব্ৰুগড়ৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ত জিলাখনৰ দ্বিতীয়টো মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। মন্ত্ৰীদ্বয়ৰ উপস্থিতিত সফলতাৰে অনুষ্ঠিত হোৱা মেগা স্বাস্থ্য শিবিৰত সমষ্টিটোৰ প্ৰায় ৫১খনৰো অধিক বিদ্যালয় আৰু ১২৩টা অংগনবাদীৰপৰা অহা ১৮ বছৰৰ তলৰ প্ৰায় দুই সহস্ৰাধিক শিশু আৰু কিশোৰ-কিশোৰীক বিস্তৃত স্বাস্থ্যসেৱা কৰণৰ লগতে ৫০টা জটিল ৰোগ/অৱস্থা চিনাক্তকৰণ, ৰোগ/ অৱস্থা অনুযায়ী ৰেফাৰেলৰ লগতে পৰৱৰ্তী পৰ্যায়ত যথোপযুক্ত চিকিৎসা প্ৰদান আৰু ৰোগ অনুসৰি পৰ্য্যায়ক্ৰমে উন্নত তথা বিনামূলীয়া পুনৰীক্ষণ আৰু চিকিৎসাৰ ব্যৱস্থা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই মেগা স্বাস্থ্য সেৱাৰ এক শৃংখল আগবঢ়াইছে য'ত ৫০+ পূৰ্ব চিনাক্তকৃত স্বাস্থ্যজনিত অৱস্থা (জন্মগত হৃদৰোগ, স্নায়ুজনিত বিকাৰ, ওঁঠ আৰু তালু ফটা, স্বাস্থ্য, ৰক্ত বিকাৰ আদি), যকৃত, বৃক্ক, বংশগত ৰোগ, হাওঁফাওঁ ইত্যাদি ৰোগৰ নিৰ্ণায়ক পৰীক্ষা আৰু চিকিৎসাৰ প্ৰট'কল অনুসৰি ৰোগীৰ চিকিৎসা ব্যৱস্থাপনা কৰাৰ ব্যৱস্থা কৰা হৈছে। ডি ডি আৰ মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰথমটো স্বাস্থ্য শিবিৰত ১৫টা অ'পিডি য'ত শিশু চিকিৎসক, হৃদৰোগ বিশেষজ্ঞ, চকুৰ চিকিৎসক, অৰ্থপেডি' বা হাড়ৰ বিশেষজ্ঞ, চৰ্মৰোগ বিশেষজ্ঞ, ই এন টি বিশেষজ্ঞ, জেনেৰেল চাৰ্জন, স্নায়ুচাৰ্জন, স্ত্ৰী আৰু প্ৰসূতি বিশেষজ্ঞ, ৩জন সাধাৰণ, ১জন ডেণ্টাল, আৰু ১জন আয়ুস চিকিৎসকে স্বাস্থ্য সেৱা আগবঢ়ায়। একেদৰে, ৰোগ নিৰ্ধাৰণৰ বাবে হিম'গ্লবিন পৰীক্ষা, কেপিলাৰী ব্লাড গ্লুক'জ, চিকেল চেল স্ক্ৰীনিং, HBsAg, এইচিপি বি আৰু এইচ চি ভি পৰীক্ষা, চিবিচি, তেজৰ গ্ৰুপিং, ছিৰাম ইলেক্ট্ৰলাইট, ৰেনাল ফাংচন টেষ্ট, লিভাৰৰ ফাংচন টেষ্ট, লিপিড প্ৰফাইল, আৰু ইচিজিকে ধৰি বিভিন্ন পৰীক্ষাৰ ব্যৱস্থা কৰা হয় এই মেগা স্বাস্থ্য শিবিৰত। এই মেগা স্বাস্থ্য শিবিৰত ফাৰ্মাচী সেৱা, মোবাইল মেডিকেল ইউনিট (এমএমইউ) সেৱা, স্বাস্থ্য সম্পৰ্কীয় তথ্য আৰু শিক্ষা আৰু কাউন্সেলিং, আয়ুষ্মান ভাৰত কাৰ্ডৰ ই কে ৱাই চি, স্বাস্থ্য সজাগতা কক্ষ, স্বাস্থ্য সম্পৰ্কীয় সজাগতা মূলক দৃশ্য-শ্ৰব্যৰ প্ৰদৰ্শন, আভা আই ডি খোলাৰ সুবিধাও উপলব্ধ কৰোৱা হয়। তদুপৰি চিকিৎসা মহাবিদ্যালয়লৈ ৰেফাৰেলৰ প্ৰয়োজন হোৱা ৰোগীসকলক পথ প্ৰদৰ্শনৰ বাবে চিকিৎসা প্ৰতিষ্ঠান (চিকিৎসা মহাবিদ্যালয়) তথা ৰেফাৰেল কেম্পৰ তাৰিখ নিৰ্ধাৰণ কৰি দিয়া হয় আজিৰ এই মেগা স্বাস্থ্য শিবিৰত। প্ৰণিধানযোগ্য যে, "শুশ্ৰূষা সেতু" তিনিটা পৰ্যায়ত বিভক্ত। প্ৰথম পৰ্যায়ত ছেপ্টেম্বৰ আৰু অ'ৌবৰ মাহত প্ৰতিটো বিধান সভা সমষ্টিত বৃহৎ স্বাস্থ্য শিবিৰৰ জৰিয়তে ৰোগ নিৰ্ণায়ক পৰীক্ষাৰ দ্বাৰা স্বাস্থ্যজনিত সমস্যাসমূহ চিনাক্তকৰণ আৰু প্ৰয়োজন সাপেক্ষ চিকিৎসা মহাবিদ্যালয়লৈ ৰেফাৰেল, দ্বিতীয় পৰ্যায়ত নৱেম্বৰ মাহত চিকিৎসা মহাবিদ্যালয়ত বিশেষ শিবিৰ অনুষ্ঠিত কৰি সেই সকল ল'ৰা-ছোৱালীৰ ৰোগ নিশ্চিতকৰণ আৰু তৃতীয় পৰ্যায়ত ডিচেম্বৰৰ পৰা প্ৰয়োজন অনুসৰি উন্নত চিকিৎসা আৰু আন প্ৰয়োজনীয় কাৰ্যব্যৱস্থা গ্ৰহণকৰা হ'ব। এই মেগা স্বাস্থ্য শিবিৰত ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, অসম চৰকাৰৰ যুটীয়া সচিব তথা ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগৰ অভিভাৱক বিষয়া ড° প্ৰণতি গগৈ, ডিব্ৰুগড় পৌৰনিগমৰ মেয়ৰ ডাঃ সৈকত পাত্ৰ, স্বাস্থ্য বিভাগৰ অতিৰিক্ত আয়ুক্ত প্ৰাঞ্জল বৰুৱা প্ৰমুখ্যে জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়ববীয়া, স্বাস্থ্য বিভাগৰ জিলা আৰু ব্লক পৰ্যায়ৰ বিষয়া কৰ্মচাৰী, ডিব্ৰুগড় চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ লগতে আন বিদ্যালয় সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী-কৰ্মচাৰী তথা ছাত্ৰ - ছাত্ৰী, স্থানীয় গণ্য মান্য ব্যক্তি আৰু সমষ্টিবাসী ৰাইজ উপস্থিত থাকে। ডিব্ৰুগড় জিলাত অহা ১৫ অক্টোবৰত নাহৰকটীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত পি এম শ্ৰী নাহৰকটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগনত তৃতীয়খন আৰু ১৬ অক্টোবৰত খোৱাং বিধানসভা সমষ্টিৰ অন্তৰ্গত কুটুহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চতুৰ্থখন মেগা স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। ডিব্ৰুগড় জিলাৰ স্বাস্থ্য বিভাগে প্ৰতিজন পিতৃ- মাতৃ, অভিভাৱক, পৰিয়ালৰ সদস্য আক শিক্ষক-শিক্ষয়িত্ৰীসকলক প্ৰতিগৰাকী শিশু, কিশোৰ-কিশোৰীক এই বৃহৎ স্বাস্থ্য শিবিৰলৈ আনি স্বাস্থ্য পৰীক্ষা কৰোৱাই নিজৰ সক্ৰিয় অংশগ্ৰহণেৰে এই শিবিৰ সমূহ সাফল্য মণ্ডিত কৰিবলৈ আহ্বান জনাইছে।

# বাৰশ পঞ্চাশ টকাই সঁকাহ দিছে কচুৱাৰ বহু পৰিয়ালক ৰাজ্যত অৰুণোদয় ৩.০ শুভাৰম্ভণি

**অসম বাৰ্তা, কচুৱা, ৯ অক্টোবৰ ঃ** বিজেপি নেতৃত্বাধিন চৰকাৰৰ এখন অভিলাষী আঁচনি হৈছে অৰুনোদয়। গ্ৰাম্য অঞ্চলৰ মহিলা সকলৰ সৱলীকৰণৰ উদেশ্যে ৰাজ্য চৰকাৰে আৰম্ভ কৰা এই আঁচনিখনে ৰাজ্যৰ অন্যান্য প্ৰান্তৰ মহিলা সকলৰ লগতে ৰহা সমষ্টিৰ কচুৱাৰ বহু মহিলাই সকাহ পোৱা বুলি মন্তব্য কৰিছে। চৰকাৰে প্ৰতি মাহে আগবঢ়োৱা বাৰশ পঞ্চাশ টকাই দুখীয়া মহিলা সকলক সকাহ দিবলৈ সক্ষম হোৱা বুলি মন্তব্য কৰিছে বহু মহিলাই। সমাজৰ নিৰাশ্ৰয় আৰু দৰিদ্ৰতাই গ্ৰাস কৰা মহিলাই চৰকাৰে আগবঢ়োৱা এই ধনৰে কিঞ্চিৎ হ'লেও সকাহ পোৱা বুলি কয়। ৰহা সমষ্টিৰ কচুৱাৰ জুৰিৰপাৰ পঞ্চায়তৰ দুখ যন্ত্ৰণাত দিন অতিবাহিত কৰা বহু মহিলাই কয় মুখ্যমন্ত্ৰী অভিলাষি আঁচনিৰ খনৰ সফলতাৰ কথা। জুৰিৰপাৰ গাঁও পঞ্চায়তৰ বহু দ্ৰৰিদতা, দুখীয়া মহিলাই অৰুনোদয় আঁচনিৰ পৰা পোৱা ধন কেইটাই যেনে তেনে পৰিয়ালটো আগুৱাই নিয়াত সকাহ পোৱা বুলি মন্তব্য কৰে।

## বিভিন্ন ক্ষেত্ৰলৈ অৰিহণা আগবঢ়োৱা ৭ গৰাকী ব্যক্তিক বঁটা প্ৰদান

# জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত



**ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৯ অক্টোবৰ ঃ** অসম জাতীয়তাবাদী যুব যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ একাদশ দ্বি-বাৰ্ষিক অধিবেশন আৰু বিশেষ সম্বৰ্ধনা অনুষ্ঠান আজি এদিনীয়া কাৰ্যসূচীৰে ডুমডুমা শাখা সাহিত্য সভা ভৱন প্ৰাংগণত অনুষ্ঠিত হয়। কাৰ্যসূচী অনুসৰি আজি পুৱা যুৱ-ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি ৰোহন যাদৱে পতাকা উত্তোলন কৰাৰ পাছতে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে আঞ্চলিকৰ সাধাৰণ সম্পাদক হীৰক জ্যোতি মৰাণে। ইয়াৰ পাছতেই অনুষ্ঠিত হয় বিশেষ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত প্ৰয়াত সলিল নেওঁগ, প্ৰয়াত কৃষ্ণ কাকতি, প্ৰয়াত দুলু সোণোৱাল, প্ৰয়াত নিৰ্মালী কোঁৱৰ, প্ৰয়াত জোনাক সিং গুৰুং, প্ৰয়াত পংকজ সোণোৱালৰ প্ৰতিচ্ছবিৰ সন্মুখত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। দুপৰীয়া ডুমডুমা প্ৰেছ ক্লাবৰ সভাপতি মনোজ দত্তৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বিশেষ সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হয়। যুৱ ছাত্ৰ পৰিষদৰ ডুমডুমা আঞ্চলিক সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক ছত্ৰপতি মৰাণে উদ্দেশ্য ব্যাখ্যা কৰা বিশেষ সম্বৰ্ধনা অনুষ্ঠান উদ্বোধন কৰে অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক সুৰজিৎ মৰাণে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ডুমডুমা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলেশ্বৰ কলিতা, যুৱ ছাত্ৰ পৰিষদৰ তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজোতি মৰাণ। এই অনুষ্ঠানতে বিগত বৰ্ষৰ দৰে এই বৰ্ষটো সমাজৰ উত্তৰণৰ ক্ষেত্ৰত বিভিন্ন প্ৰকাৰে অৱদান আগবঢ়োৱা বৃহত্তৰ ডুমডুমা অঞ্চলৰ ৭জন ব্যক্তিক বিশেষ সম্বৰ্ধনা জনোৱা হয়। সেই অনুসৰি স্বৰ্গীয় কৃষ্ণ কাকতি সোঁৱৰণী শিক্ষকতা বঁটা এইবাৰ যুটীয়াভাৱে আগবঢ়োৱা হয় ডুমডুমা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ৰাতুল গগৈ আৰু বুৰঞ্জী বিভাগৰ সহকাৰী অধ্যাপক দ্বিজেন শৰ্মাক। পংকজ সোণোৱাল সোঁৱৰণী সাংবাদিক বঁটা আগবঢ়োৱা হয় এন কে টিভিৰ সাংবাদিক তথা ডুমডুমাৰ সন্তান বনজিৎ কলিতালৈ। বিশিষ্ট অভিনেত্ৰী তথা নৃত্যশিল্পী নিৰ্মালী কোঁৱৰ সোঁৱৰণী সাংস্কৃতিক বঁটা প্ৰদান আগবঢ়োৱা হয় ডুমডুমাৰ প্ৰবীণ অভিনেতা, নাট্যকাৰ, পৰিচালক অজয় খাটনিয়াৰলৈ। সলিল নেওগ সোঁৱৰণী সাহিত্য বঁটা প্ৰদান কৰা হয় যুৱ সাহিত্যিক বিকিয়ান বাইলুঙক। দুলু সোণোৱাল সোঁৱৰণী কৃষি বঁটা প্ৰদান কৰদৈগুৰিৰ বিশ্বনাথ মৰাণক আৰু জোনাক সিং গুৰুং সোঁৱৰণী ক্ৰীড়া বঁটা ৰঙাজানৰ বিভু মৰাণক প্ৰদান কৰা হয়। এই বঁটাত একোটাকৈ স্মাৰক, এখনকৈ সম্বৰ্ধনা পত্ৰ, এখনকৈ গামোছা, একোটাকৈ জাপি আৰু নগদ ধন প্ৰদান কৰা হয়। সম্বৰ্ধনা অনুষ্ঠানত তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক ৰাণাজ্যোতি নেওগ, তিনিচুকীয়া জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি অৰ্জুন বৰুৱা, বিশিষ্ট সাংবাদিক ধীৰেন ডেকা আৰু দীনেশ গোয়েল প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল। বিয়লি ৫ বজাৰ পৰা প্ৰতিনিধি পঞ্জীয়ন আৰু সন্ধিয়া ৬ বজাৰপৰা প্ৰতিনিধি সভা অনুষ্ঠিত হয়। এই প্ৰতিনিধি সভাখন উদ্বোধন কৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণে। ডুমডুমা আঞ্চলিক সমিতিৰ লগতে সমিতিৰ অন্তৰ্গত ৯খন শাখা সমিতিৰ প্ৰায় ৮০ গৰাকী প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত হৈ থকা প্ৰতিনিধি সভাখন এই বাতৰি প্ৰেৰণৰ সময়লৈকে অনুষ্ঠিত হৈ আছে। এই প্ৰতিনিধি সভাখনতেই আঞ্চলিকৰ নতুন কাৰ্যনিৰ্বাহ সমিতিখন গঠন কৰা হ'ব।

# ধিঙৰ নামডুমডুমীয়া সত্ৰত আহিনী মেলাত প্ৰদৰ্শিত হ'ব পাঁচখনকৈ অংকীয়া ভাওনা

**অসম বাৰ্তা, টুকটুকী, ৯ অক্টোবৰ ঃ** নগাঁও জিলাৰ ধিঙৰ নামডুমডুমীয়া সত্ৰত পৰম্পৰাগতভাৱে উদ্‌যাপন কৰি অহা শ্ৰীশ্ৰী মথুৰা দাস বুঢ়া আতা তিৰোভাৱ তিথি উপলক্ষে এই বেলিও সত্ৰখনৰ সকলো ৰাইজে ৯, ১০ আৰু ১১ অক্টোবৰ তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে আহিনী মেলা উৎসৱ উদযাপনৰ আয়োজন কৰিছে। এই উপলক্ষে সত্ৰখনত এক উৎসৱ মুখৰ পৰিবেশ পৰিলক্ষিত হোৱা দেখা গৈছে। কাৰ্যসূচী অনুসৰি আজি পুৱাৰে পৰা সত্ৰখনত এক উৎসৱ মুখৰ পৰিবেশ পৰিলক্ষিত হোৱা দেখা পোৱা যায়। শ্ৰীশ্ৰী মথুৰা দাস বুঢ়া আতাৰ তিৰোভাৱ তিথি সত্ৰখনৰ লগতে বেটকাটি, বালিগাঁও আৰু ওপৰ ডুমডুমীয়াতো দুদনীয়াকৈ প্ৰতি নাম ঘৰত নাম প্ৰসংগ, খোল প্ৰসঙ্গ অনুষ্ঠিত হোৱাৰ লগতে ১০ অক্টোবৰ মূল তিথি দিনা পুৱা চৌধ্য প্ৰসংগ আৰু নিশা সত্ৰখনৰ চাৰিটাকৈ নাম ঘৰত অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হব। ইয়াৰে ঐতিহ্য মণ্ডিত বংশী বাদন বুঢ়া নামঘৰত "অমৃত মন্থন" নাটক উদ্বোধন কৰিব সমাজ সেৱক যতীন নাথে, মুকলি খণ্ডৰ নাম ঘৰত "সুযজ্ঞ ৰজাৰ ধৰ্ম পৰীক্ষা" আৰু, মুদৈ নামঘৰ খেল সত্ৰত "শ্ৰী কৃষ্ণ বৈকুণ্ঠ পয়াণ" দুয়োখন নাটক উদ্বোধন কৰিব সমাজ সেৱক তথা শিক্ষক জীৱন চন্দ্ৰ নাথে আৰু বেলতল নামঘৰত "অভিমুন্য বধ" নামৰ নাটক উদ্বোধন কৰিব নগাঁও জিলাৰ আয়ুক্ত দেৱাশিস শৰ্মাই। উল্লেখ্য যে ১১ অক্টোবৰ দিনা বেল নাম ঘৰত প্ৰফুল্ল বৰুৱা পৰিচালনাৰে "কংস বধ" নামৰ ভাওনা প্ৰদৰ্শন কৰা হব। উল্লেখ্য যে আজি পুৱা থাপনি তথা চাউল ভোজনি অনুষ্ঠানেৰে আৰম্ভ হ'ব লগা আহিনী মেলা নিশাৰ ভাগত প্ৰায় পাঁচ সহস্ৰাধিক বসতিপূৰ্ণ সত্ৰখনৰ লোকৰ নিজ নিজ পৰিয়ালে চাউল, মাটিমাহ, ৰঙালাও আৰু কোমোৰা আদিৰে ভোজনি দিয়া আৰু সত্ৰখনৰ প্ৰতিটো পৰিয়ালে চাউল ভোজনি আহাৰ ৰাতি সাজত খোৱাটো এক পৰম্পৰাগত ভাবে চলি অহাৰ লগতে ই এক সত্ৰ খনৰ লোকৰ মাজত একতা নিদৰ্শন দাঙি ধৰিছে।

# ২৯ অক্টোবৰত ছৈখোৱাৰ কেঁচাখাইটী শালৰ কাতি মাহৰ পূজা

**অসম বাৰ্তা, ছৈখোৱা, ৯ অক্টোবৰ ঃ** তিনিচুকীয়া জিলাৰ ছৈখোৱাস্থিত ঐতিহাসিক উজনি কামাখ্যা বুলি বিবেচিত শ্ৰী শ্ৰী কেঁচাখাইটী শালৰ কাতিমাহৰ পূজা ভাগ অহা ২৯ অক্টোবৰত অনুষ্ঠিত হ'ব বুলি শাল পৰিচালনা সমিতিয়ে জানিবলৈ দিছে। উক্ত দিনা দিনৰ ১০ বজাৰ পৰা মূল পূজাভাগ অনুষ্ঠিত হ'বলগীয়া অনুষ্ঠানত সকলো ভক্তকে য'থা সময়ত উপস্থিত থাকি পূজাভাগ সাফল্যমণ্ডিত কৰি তুলিবলৈ শাল পৰিচালনা সমিতিয়ে আহ্বান জনাইছে। উল্লেখ্য যে প্ৰাক ঐতিহাসিক কালৰে পৰা অতি জাগ্ৰত বুলি জনাজাত এই কেঁচাখাইটী শালত প্ৰতিটো বিহুৰ লগত সংগতি ৰাখি একোখন পূজা অনুষ্ঠিত কৰা উপৰিও প্ৰতিটো বৰ্ষৰ ডিচেম্বৰ মাহত চাহ বাগিচাৰ কৰ্মচাৰী সকলৰ বাবে সুকীয়াকৈ 'বাবু' পূজা নামেৰে এক বিশেষ পূজা অনুষ্ঠিত কৰি আহিছে। এই পূজাত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা হাজাৰ হাজাৰ লোকৰ আগমন হোৱাৰ উপৰিও চুবুৰীয়া ৰাজ্য তথা দেশ সমূহৰ পৰাও ভক্তৰ আগমন হৈ সমগ্ৰ ধলা-ছৈখোৱা অঞ্চলতে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰি আহিছে। এই ভীৰৰ প্ৰতি লক্ষ্য ৰাখি স্থানীয় প্ৰশাসনেও ভক্তপ্ৰাণ ৰাইজক শৃখলাবদ্ধ ভাৱে পূজা কৰিবলৈ আহ্বান জনাইছে।

অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব

Asom Barta is an Assamese newspaper published by Asom Barta Private Limited • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta

• সম্পাদক ঃ তনয় বৰা • মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন